# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ২৯/০৩/২০২৩ বুধবাৰ**

---

**আজি ইংৰাজী ২৯-০৩-২০২৩ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ৯ঃ৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৪১। মাননীয় বিধায়ক শ্ৰী কৰিম উদ্দিন বৰভূঞা।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টৰী।

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, (সোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে, যে সোনাইত ৮৫ শতাংশ চাবচিডাইজ স্কীম ইনডিভিজুৱেল বেনিফিচাৰী ১২৪ জনক দিয়া হৈছে। কিন্তু যিবিলাক অঞ্চলত দিব লাগিছিল দনেবাৰীয়েই হওঁক, নাছিমপুৰতেই হওঁক, ন্যায়পুৰা, বাঘবৰা, দামালিয়া, চাপৰাকান্দি এৰিয়াই হওঁক এইবোৰ অঞ্চলত কোনো দীপ টিউৱেল নথকাৰ কাৰণে sprinkler irrigation দিব পৰা নাই। এইবোৰ অঞ্চলত যিমান প্ৰয়োজন সিমানখিনি দ্বীপ টিউৱেলৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি? মোৰ প্ৰথম চাপ্লিমেণ্টৰী এইটো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, PMKSY প্ৰধান মন্ত্ৰী কৃষি সিঞ্চায়ী আঁচনিখন প্ৰধানমন্ত্ৰীৰ এখন ধ্বজাবাহিক আঁচনি আৰু এই আঁচনিখনৰ জৰিয়তে ক্ষুদ্ৰ ৰূপান্তৰ কৃষক সকলক ৫৫ শতাংশ ৰাজ সাহায্যৰ ব্যৱস্থাৰে ইৰিগেশ্যনৰ ব্যৱস্থা কৰা হয়। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে দ্বীপ টিউৱেল নথকাৰ কাৰণে খেতি থকা অঞ্চলত দিব পৰা নাই। আমি ভৱিষ্যতৰ দিনত নিশ্চয় সেইখিনি দিয়াৰ ব্যৱস্থা কৰিম। এইটো যদিও ২০১৫-১৬ চনতেই আৰম্ভ হৈছিল সেই সময়ত সজাগতাৰ অভাৱৰ কাৰণে সেইসময়ত কৃষক সকলে পচন্দ কৰা নাছিল, তৰান্বিত হোৱা নাছিল। খুব কম হেক্টৰ মাটিহে সামৰি লোৱা হৈছিল আৰু তাতো অসমৰ অন্য ঠাইৰ দৰে একে অৱস্থাই আছিল। কিন্তু ২০২২-২৩ বৰ্ষত এতিয়ালৈকে ৩০,২৬৩ হেক্টৰ মাটি ক্ষূদ্ৰ জলসিঞ্চনৰ আওঁতালৈ অনা হৈছে আৰু মুঠ ২৯৪৪১ জন কৃষক ইয়াৰ জৰিয়তে লাভান্বিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, সদনত জনাবলৈ পালে ভাল পাম যে এই বছৰৰ পৰা এই সুক্ষ্ম জলসিঞ্চনৰ লগত ৫০ শতাংশ ৰেহাই মূল্যত জলসিঞ্চন পাম্প সংযোগ কৰা হৈছে। প্ৰথমতে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিত ৫৫ শতাংশ ৰাজ সাহায্য আছিল। কিন্তু ৩০ শতাংশ ৰাজ সাহায্য পিছত অসম চৰকাৰে অতিৰিক্ত ভাৱে দিছিল। এতিয়া যথেষ্টখিনি চলিছে আৰু ভৱিষ্যতে মই ভাৱো মাননীয় সদস্য গৰাকীয়ে যদি সহযোগ কৰে বা মাননীয় সদস্য সকলে যদি সহযোগ কৰে যে ইয়াৰ জৰিয়তে আমাৰ কৃষক সকল উপকৃত হ'ব। ধন্যবাদ।

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, (সোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা মোৰ প্ৰশ্ন আছিল যে একেধৰণৰ স্কীম সমূহ জলসিঞ্চন বিভাগে লৈ আছে। ইৰিগেশ্যন বিভাগেও চেল' টিউৱেল, দ্বীপ টিউৱেল বহুতখিনি লৈ আছে। কিন্তু ইৰিগেশ্যন আৰু এগ্ৰিকালচাৰৰ মাজত কোনো ধৰণৰ ক'ৰডিনেশ্যন নাই। ইৰিগেশ্যনে ক'ব নোৱাৰে ক'ত এগ্ৰিকালচাৰৰ ৰিকুইয়াৰমেণ্ট আছে আৰু

এগ্রিকালচাৰে ক'ব নোৱাৰে ইৰিগেশ্যনৰ ক'ত কি আছে। গতিকে মই ক'ব বিচাৰিছো মই মোৰ সমষ্টিৰ যিখিনি ষ্টাডী কৰি কৈ আছো আপোনালোকে যদি এগ্রিকালচাৰ বিভাগে ৰিকুইয়াৰমেণ্টচ্খিনি ইৰিগেশ্যনত দিব পাৰে, সেইখিনি আপুনি ১২৪ দিছে । মোৰ তাত মিনিমাম ১৫০০ হ'ল হেতেঁন যদি ইৰিগেশ্যনৰ দ্বীপ টিউৱেল, চেল' টিউৱেল বা চ'লাৰ পাম্প যিখিনি দিয়ে সেইখিনি যদি প্রপাৰ এৰিয়াত আপোনালোকৰ চাজেশ্যন মতে তাত যদি ইম্পলিমেণ্ট কৰিলেহেঁতেন তেতিয়াহ'লে ৮৫ শতাংশ দিওঁ আঁচনি গ্রহণ কৰিলে হেঁতেন। এই আঁচনিখন প্রপাৰ মেনাৰত কৰিবলৈ হ'লে বিভাগৰ মাজত এটা ক'ৰডিনেশ্যন থাকিব লাগে। তাৰ ওপৰত চৰকাৰৰ কোনো পৰিকল্পনা আছে নেকি বা এই সম্পর্কত কোনো সিদ্ধান্ত ল'ব নেকি এইটো মই জানিব বিচাৰিছো।

**শ্রী অতুল বৰা, (কৃষিমন্ত্রী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূর্ণ কথা কৈছে যে ইৰিগেশ্যন আৰু এগ্রিকালচাৰৰ মাজত যে ক'ৰডিনেশ্যনৰ প্রয়োজন সেইটো হৈ নুঠাৰ বাবে বহু ঠাইত এনেধৰণৰ আঁচনি বিলাক সফল ভাৱে ৰূপায়ণ হোৱা নাই। আমি যোগাযোগ ৰক্ষা কৰিছো। মাননীয় মন্ত্রী আৰু বিষয়া সকলৰ লগতো আমি যৌথ ভাৱে খুব সোনকালে বৈঠক কৰিম। ইয়াৰ আগতেও হৈছে। আজি কিছুদিনৰ আগতে তেখেত সকলৰ লগত এনেধৰণৰ বৈঠক হৈছে আৰু সহযোগিতাৰ মাজেৰে কাম কৰা হ'ব। ধন্যবাদ।

**শ্রী কৰিম উদ্দিন বৰভূঞা, (সোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিত কমিটি এখন এখন কৰি দিব পাৰিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ** প্রশ্ন নং ১৪২। মাননীয় বিধায়ক শ্রী ওয়াজেদ আলী চোধুৰী।

**শ্রী পিযুষ হাজৰিকা, (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টৰী।

**শ্রী ওয়াজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইৰোশ্যন প্রটেকশ্যন সম্পর্কে প্রশ্ন দিছিলো। উত্তৰত এ ডি বি ৰ আঁচনি লোৱা বুলি কোৱা হৈছে। কিন্তু যোৱা বিধান সভাত মন্ত্রী মহোদয়ে কৈছিল যে এ ডি বি ৰ আঁচনিখন নেক্সত ফেজত যাব। নেক্সত ফেজত যাব লগা হ'লে এইবাৰ বানপানীত আমাৰ এলেকাখিনি টিকি থাকিব নোৱাৰিব। এই ক্ষেত্রত বিভাগৰ ফালৰ পৰা তিনিটা স্কীম বিচাৰিছিল। এই তিনিটা স্কীম এক্সিকিউটিভ ইঞ্জিনিয়াৰে মোৰ লগত আলোচনা কৰি প্রস্তাৱ পঠাইছিল। সেই তিনিখন আঁচনি কি অৱস্থাত আছে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্রী মহোদয়।

**শ্রী পিযুষ হাজৰিকা(মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি তিনিখন আঁচনিৰ কথা তেখেতে কৈছে সেই তিনিখন আঁচনিৰ গোটেই কেইখনৰ বর্তমান টেণ্ডাৰ প্রক্রিয়া চলি আছে। আচলতে ট্রেনজিশ্যন পিৰিয়দত তেখেতে যেতিয়া প্রশ্ন আনিছিল সেই সময়ত চেংচন হোৱা নাছিল। প্রচেচত আছিল। সেইকাৰণে দিব পৰা যোৱা নাছিল। কিন্তু within this limited period আমি চেংচনো ললো, টেণ্ডাৰো কৰিলো। তাৰে এখন হৈছে Pro Siltation Measures to protect Matiphala and its adjorning area from the erosion of river Brahmaputra under SOPD-G 2022-23. মাননীয় অধ্যক্ষ মহোদয়, এইটো ১ কোটি ৯৯. ৮০ লাখ টকা, প্রায় দুই কোটি এই আঁচনিখনত ধৰা হৈছে। দ্বিতীয়খন হ'ল Pro Siltation Measures to protect Padmeralga and its adjorning areas from the erosion of river Brahmaputra under SOPD-G 2022-23. সেইটোৰ টেণ্ডাৰ প্রক্রিয়া চলি আছে আৰু এই আঁচনিখনৰো মূল্য হ'ব ১ কোটি ৯৯. ৩৬ লাখ টকা আৰু এটা

আঁচনি Pro Siltation Measures to protect Sundarpara and its adjorning areas from the erosion of river of Brahmaputra under SOPD-G 2022-23. সেইটো মাননীয় অধ্যক্ষ ডাঙৰীয়া ২কোটি ৯৮. ৯৬ লাখ টকা। এই তিনিখন আঁচনিৰ ইতিমধ্যে টেণ্ডাৰ হৈ গৈছে আৰু অতি সোনকালে টেণ্ডাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লে আমি কাম আৰম্ভ কৰিব পাৰিম। তেখেতৰ সমষ্টিত আমি ২০২১- ২২চনত আৰু দুখন আঁচনি অনুমোদন দিছিলো। এখন আঁচনি প্ৰায় ১০কোটি টকা আৰু আনখন আঁচনি ৫ কোটি টকা। আমাৰ যিখন ১০ কোটি টকাৰ আঁচনি আছিল, সেই আঁচনিখনৰ বাবে মই আজি ব্যক্তিগত ভাৱে ৰাতিপুৱা ইঞ্জিনিয়াৰ আৰু ঠিকাদাৰৰ লগত কথা পাতিছো। তেখেত সকলে মোক ১০ এপ্ৰিল বুলি কৈছে যদিও মই আৰু দহ দিন সময় বেছিকৈ দিছো যাতে ২০ এপ্ৰিলৰ ভিতৰত ফকিৰগঞ্জৰ কাম খিনি আমি শেষ কৰিম। দ্বিতীয়তে, যিটো কাম মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেই কামটোত আমাৰ জিঅ' বেগ প্ৰটেকশ্যনৰ কামটো প্ৰায় সম্পূৰ্ণ হ'ব কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি নতুনকৈ মথাউৰিৰ কাম কৰিবলৈ আছে সেইখিনি ঠাইত আমাৰ মাটি অধিগ্ৰহণৰ কাম আছে। মই ডি.চি ৰ লগতো কথা পাতিছো আৰু মাননীয় সদস্য গৰাকীকো মই আহ্বান জনাইছো যে তেখেত যিহেতু সেই সমষ্টিৰ বিধায়ক গতিকে যিখিনি মানুহে মাটি এৰি দিব খোজা নাই আমি তেখেত সকলক মাটি অধিগ্ৰহণৰ ব্যয় কৰিবলৈ সাজু আৰু আপুনি যাতে অলপ আলোচনা কৰি ঠিক-ঠাক কৰি দিয়ে তাৰ বাবে মই আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় চাপ্লিমেণ্টৰী।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে সেইটো মই ধন্যবাদ দিছো কিন্তু আমাৰ আগৰ যি দুখন আঁচনিৰ কথা কৈছে, এখন ১০কোটি টকা আৰু আনখন আঁচনি ৫ কোটি টকাৰ। এই আঁচনি দুখনৰ কাম এনেকুৱা লেহেমীয়া গতিত চলিছে যে ৰাইজৰ সন্দেহ হৈছে যে বানপানী অহাৰ আগতেই এই আঁচনি দুখনৰ কাম সম্পূৰ্ণ হৈ নুঠিব। গতিকে এই কামখিনি বানপানী অহাৰ আগতেই সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি মই আহ্বান জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজে ঠিকাদাৰ, ইঞ্জিনিয়াৰ আৰু ডি চি মহোদয়ৰ লগত এই বিষয়ে কথা পাতিছো। আমাৰ জিঅ' বেগ প্ৰটেকশ্যনৰ কামখিনি তিনি-চাৰি মাহৰ ভিতৰত সম্পূৰ্ণ হৈ যাব। কিন্তু আৰ্থ ৱৰ্কৰ কাম আৰু মাটি অধিগ্ৰহণৰ ইচ্ছু আছে আৰু মাননীয় সদস্য গৰাকী যিহেতু এই বিষয়ত অৱগত গতিকে আপুনি আমাক সহায় কৰি দিয়ক আমি যিমান সোনকালে পাৰো শেষ কৰিম। বাকীখিনি কাম  মই ইয়াৰ পিছত ফল'আপ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী আবুল কালাম ৰছিদ আলম।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (পূৱ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় নিশ্চয় জ্ঞাত যে গোৱালপাৰা চহৰখন গৰাখহনীয়াৰ ভাবুকিত আছে। মই প্ৰত্যেকটো অধিৱেশনতে কওঁ যে ডেক দুৱাৰ পাৰা যিটো হলৌ গণ্ডা পাহাৰ আৰু হলৌ গণ্ডা পাহাৰৰ পৰা পঞ্চৰত্নলৈ এই বৃহত্তৰ অঞ্চলটোও যদিহে স্থায়ীভাৱে সুৰক্ষাৰ ব্যৱস্থা কৰা হয়, তেতিয়াহ'লে আমাৰ চহৰখন বাচিব। ইতিমধ্যে উপায়ুক্ত কাৰ্য্যালয়ৰ পিছফালে নদীখন আহি পাইছে। মন্ত্ৰী মহোদয় জ্ঞাত যে উপায়ুক্তকে ধৰি সকলো বিষয়ববীয়াই ইতিমধ্যে তাত ভ্ৰমণ কৰিছে। গতিকে মই মন্ত্ৰী মহোদয় অনুৰোধ জনাইছো যে অতি সোনকালে ইয়াৰ protection ৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ,সংসদীয় পৰিক্ৰমা বিভাগ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই খুব সোনকালে তেখেতৰ সমষ্টিৰ সেই অঞ্চলটো ভ্ৰমণ কৰিম আৰু যিখিনি অত্যন্ত জৰুৰী, সেইখিনি অতি সোনকালে কৰিম।

মই সদনত এটা কথা জনাব খুজিছো যে আমি দুটা পদ্ধতিত কাম কৰো। এটা হ'ল temporary আৰু permanent। এতিয়া যিহেতু বানপানী আৰম্ভ হ'ব, গতিকে মে' মাহৰ পৰা অক্টোবৰ মাহলৈকে temporary কাম কৰিম। যোৱা কালি flood fighting material ৰ কাৰণে নিবিদা আহ্বান কৰিছোঁ। য'ত Geobag, Porcupine, Cement ৰ rate থাকিব। প্ৰায় ১৭ কোটি টকাৰ নিবিদা আহ্বান কৰিছো। য'ত ৮৫ হাজাৰ porcupine থাকিব, কেইবা লাখো Geobag থাকিব, যদি জৰুৰীভাৱে তেখেতৰ সমষ্টিত temporary কিবা কাম কৰি দিব লাগে, কৰিম আৰু permanent কামৰ কাৰণে নৱেম্বৰ ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হ'ব। তাৰ আগত নিশ্চয়কৈ তেখেতৰ সমষ্টিত জৰুৰীভাৱে কৰিবলগীয়া ঠাইসমূহত নিজে পৰিদৰ্শন কৰি, কৰিবলৈ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৪৩, সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰীঅতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ, সাৰৰ যোগান সম্পৰ্কীয়। মন্দিয়া ব্লকত সাৰৰ নাটনি, নাটনি হোৱাৰ কিছুমান কাৰণ হ'ল, চৰকাৰী কিছু SOP বা Circular যিটো ground reality ৰ লগত মিল নাই। ইয়াতে কৈছে SOP উলিয়াইছে per GP ত তিনিটাকৈ Fertilizer ৰ retailer দিব। এইটো এটা মেকানিকেল সিদ্ধান্ত। Fertilizer কিমান দিব, সেইটো নিৰ্ভৰ কৰিব Sown area ওপৰত, pattern of cropping ৰ ওপৰত। গতিকে যিবোৰ এৰিয়াত বছৰৰ ৯ টা মাহে খালী হৈ থাকে, তাতো per GP ত তিনিটা Fertilizer ৰ retailer আৰু মন্দিয়াৰ নিচিনা ঠাইত য'ত এক ইঞ্চি মাটি খালী নাথাকে, বাৰ মাহে বিভিন্ন খেতি কৰি থাকে, তাতো তিনিটা Fertilizer ৰ retailer, এই ধৰণৰ অবিবেচক সিদ্ধান্ত গুৱাহাটীৰ পৰা যদি লোৱা হয়, কেতিয়াও আমি কৃষিৰ ক্ষেত্ৰত কৃতকাৰ্য্য হ'ব নোৱাৰিম। এইটো হ'ব লাগে District Level Fertilizer Committee ৰ requirement basis ত।

মোৰ প্ৰশ্নটো হ'ল, যিটো per GP ত তিনিটাকৈ Fertilizer ৰ retailer দিয়াৰ কাৰণে সিদ্ধান্ত ললে, এই SOP cancel কৰি as per District Level Fertilizer Committee যিটো আছে, সেই কমিটিয়ে লোৱা সিদ্ধান্ত মৰ্মে retailer বোৰ দিব লাগে।

দ্বিতীয়তে, As per SOP, Fertilizer company shall carry the fertilizer to the retailers sale point, but this not done till today. গতিকে প্ৰত্যেকটো retailer ৰ godown লৈ পঠিয়াই দিয়া, as per SOP ত সোনকালে ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পূৰ্বতে সাৰৰ যোগান সম্পৰ্কত বিভিন্ন ধৰণৰ বিসংগতি চকুত পৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নতুন SOP ৰ ব্যৱস্থা কৰিছিল আৰু ইয়াৰ আগে যিবিলাক Company আছিল, Company বিলাকৰ লগত আলোচনা কৰিছিল। তাৰ পিছত SOP প্ৰকাশ কৰিলে। SOP ত এই কথাটো উল্লেখ আছে jurisdiction of Re-

tailer, retail license are required to operate within his/her area at operation as indicated in his/her application and retail license. There should be one retailer per block। এতিয়া কথা হৈছে, বৰপেটা জিলাত যথেষ্ট সংখ্যক খেতিয়ক আছে। তাত requirement আছে ১৯৭০৭.৯৮ মেট্ৰিকটন। বিশেষকৈ মন্দিয়াত খেতি হয় আমি জানো আৰু মন্দিয়া ব্লকত ৬০২২.০৮ মেট্ৰিকটন লাগে। কিন্তু তাত ইতিমধ্যে ৭০০০ মেট্ৰিকটন দিছো আৰু আমি সদনৰ মজিয়াত জনাবলৈ পাই ভাল পাম মন্দিয়া ব্লকত ১২৫ টা তেনেধৰণৰ retailer আছে। কিছুমান BBFCL matrix আৰু marketing board ক দায়িত্ব দিয়া হৈছে। সেই কাৰণে মই ভাৱো তাত কোনো ধৰণৰ খেলিমেলি নহয়। তাত যি Committee আছিল, সেইটো এতিয়াও আছে। সেই সমিতিৰ পূৰ্বৰ যিটো সিদ্ধান্ত আছিল, তাতকৈ যেতিয়া তাত retailer সংখ্যা ১২৫ টাতকৈ কমা নাই, মই ভাৱো সঠিক ভাৱে কাম হৈছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হ'ল মাননীয় মন্ত্ৰী মহোদয়ে যিটো requirement ৰ কথা কৈছে, that is based on wrong calculation বিভাগে মন্দিয়া ব্লকত sown area দেখুৱাইছে ৩০১১৪ হেক্টৰ, whereas the actual area of Mandia Block is 15200 hector. যেনেকৈ চেঙা ব্লকত sown area দেখুৱাইছে ৯৮৬৫ হেক্টৰ, য'ত আচলতে ১৬৪০০ হেক্টৰ। গতিকে সাৰৰ প্ৰয়োজনীয়তা যিটো বিভাগে দিছে, সেইটো ভুল।

দ্বিতীয় কথা হ'ল, ১২৫ টা কৈছে, তৎস্বত্বেও চটলা, Udireswar, কদমতলা, সোনাবাৰী, মানিকপুৰ, এই পাঁচটা পঞ্চায়তত মুঠ এৰিয়া হ'ল ৬৫ হাজাৰ হেক্টৰ। এই ৬৫ হাজাৰ হেক্টৰক কোনো retailer নাই। সেইকাৰণে যিহেতু য'ত য'ত খেতি বেছি হয়, মই আপোনালোক অনুৰোধ জনাব খোজো য'ত যেনেকৈ প্ৰয়োজন তাত তেনেকৈ retailer দিয়া হওক।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে sown area ত actual আৰু আমাৰ বিভাগৰ তথ্যত বিসংগতি দেখিছে। সেইটো আমি তদন্ত কৰিম। লগতে মই এটা কথা কম, বৰপেটা জিলাত আটাইতকৈ বেছি retailer আছে, ৫৮৯ টা আৰু এইটো আমি কেতিয়াও কম বুলি ভৰা নাই। যিয়ে নহওঁক, আমি এইটো কথা তেখেতক জনাবলৈ ভাল পাম যে Nano Urea available আছে। গতিকে Nano Urea ব্যৱহাৰ কৰিব পাৰে। 500 ML bottle of Nano Urea is equivalent to 145 KG of Urea,গতিকে কামখিনি সহজ হৈ যায়।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো promotion department তে কৰা নাই, এইটো জনপ্ৰিয় হোৱা নাই। ৰাইজৰ মাজত লৈ যাব লাগিব।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সাৰ দিয়াটো বন্ধ কৰিব লাগে। কাৰণ মানুহক বেমাৰী কৰি দিছে। বহুত সাৰ দিয়াৰ যি ব্যৱস্থা চলি আছে, বৰপেটাই হওক, খাৰুপেটীয়াই হওক, এইটো বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Until Nano Urea is made popularized, alternative ব্যৱস্থা নকৰিলে উৎপাদনে নহ'ব।

**শ্ৰী ৰকিবুল হুছেইন, (চামুগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সাৰ দিয়াটো সম্পূৰ্ণভাৱে বন্ধ কৰি দিব নে, কি কৰিব।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া)**ঃ মাননীয় অধ্যক্ষ মহোদয়, সম্পূৰ্ণ বন্ধ কৰি দিয়াৰ কথাটো কোৱা নাই।

বেছিকৈ দিয়াটো বন্ধ কৰিব কৈছো।

**শ্ৰীঅতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া দেশত জনবিস্ফোৰণ হৈছিল, তেতিয়া পাঞ্জাৱ হাৰিয়ানাৰ দৰে ৰাজ্যই অত্যধিক মাত্ৰাত ৰাসায়নিক সাৰ আৰু কিটনাশকৰ প্ৰয়োগ কৰিছিল। যাৰ কাৰণে তাত মাটিৰ উৰ্বৰা শক্তি এতিয়া কমি গৈছে। অসমত এতিয়াও মাটি উৰ্বৰা শক্তি আছে। কিন্তু minimum fertilizer অসমত ব্যৱহাৰ কৰিব লাগিব। অত্যধিক মাত্ৰাত ৰসায়নিক সাৰ বা কীটনাশক প্ৰয়োগ কৰাত মহামান্য আদালতেও হস্তক্ষেপ কৰিছে আৰু তাৰ কাৰণে এটা task force গঠন কৰা হৈছে। সেই দৰে এই কামখিনি চলিব।

(.... সদনত হুলস্থূল)

**শ্ৰীশ্বেৰমান আলি আহমেদ,(বাঘবৰ)** ঃ এনে কৈ থাকিলেটো নহয়।

**শ্ৰীঅতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰয়োজনীয় ব্যৱস্থাখিনি গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া supplementary question সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অত্যধিক সাৰ ব্যৱহাৰ কৰাৰ পক্ষত আমিও নাই। কিন্তু ইয়াৰ আগত এই পবিত্ৰ বিধান সভাত বৰপেটা জিলাত সাৰৰ প্ৰয়োজন লৈ বিভিন্ন সময়ত আলোচনা কৰা হৈছে। কিন্তু দেখা যায় যে যি retailer ৰ কথা কৈছে, বৰপেটা জিলাত বহুত retailer আছে, সেইটো আমি স্বীকাৰ কৰো। কিন্তু এই retailer ৰে agency ৰ পৰা যিধৰণে সাৰ পাব লাগে, সেইদৰে নাপায়।

গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাম যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বৰপেটা জিলালৈ আহিব লাগে, সন্মানীয় বিধায়ক সকল আৰু কৃষি বিভাগৰ বিষয়া সকলৰ লগত এখন বৈঠক পাতিব লাগে, যে আচল ছবিটো কি হৈ আছে। বিভাগে কি তথ্য পঠাইছে আৰু ফিল্ডত কি হৈ আছে সেইটোৰ ওপৰত চৰজমিন তদন্ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৰিব নে নাই সেইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, বৰপেটা জিলাত যিহেতু খেতিয়কৰ সংখ্যা বেছি, এৰিয়া ও বেছি, আমি বিভিন্ন সময়ত বিষয়া বিলাকক পঠাও আৰু নিজেও সময়ে সময়ে যাঁও । তথাপি সন্মানীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া আমি এই বিষয়টো গুৰুত্বসহকাৰে লৈছো । সন্মানীয় বিধায়ক সকলক আৰু বিষয়া সকলক লৈ আমি তাত এখন সভা পাতিম ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । প্ৰশ্ন নং- ১৪৪। শ্ৰী জিতু গোস্বামী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী জিতু গোস্বামী, (বড়মপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে বড়মপুৰ সমষ্টিৰ অন্তৰ্গত এখন কঠিয়াতলী কৃষি ফাৰ্ম আছিলে সেইখনৰ পৰিকল্পনাৰ বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পাইছো । কিন্তু মোৰ দ্বিতীয় প্ৰশ্নটো আছিলে যে যোৱা দহ বছৰত ফাৰ্মখনে কি উৎপাদন কৰিছে কি আয় কৰিছে, কি ব্যয় কৰিছে ? মন্ত্ৰী মহোদয়ৰ উত্তৰত ইয়াত লিখা আছে যে দহ বছৰত ফাৰ্মখনত কোনো উৎপাদন নাই, কোনো আয় নাই । মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী ফাৰ্ম এখন দহ বছৰ এনেকুৱা পৰিত্যক্ত অৱস্থাত থকাতকৈ ইয়াতকৈ আৰু দুখৰ কথা নাই। সেই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা আহ্বান জনাম যে এই ধৰণৰ ফাৰ্ম মোৰ সমষ্টিত আৰু এখন আছে। কেকুৰীবাৰী ফাৰ্ম এখন

আছে সেইখনো একে পৰিত্যক্ত অৱস্থাত আছে । এই ফাৰ্ম সমূহৰ উচিত ব্যৱস্থা এটা কৰিব লাগে, যদি চৰকাৰে চলাব নোৱাৰে তেতিয়াহ'লে ব্যক্তিগত নিবনুৱা যুৱক-যুৱতীক কিছু কামৰ কাৰণে সেই সমূহ আৱন্টন দিব লাগে যাতে চৰকাৰী সম্পত্তিৰ সদ্ ব্যৱহাৰ হয় ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক জনাওঁ যে তাত যিখন ফাৰ্ম আছে সেই ফাৰ্মখন আমি ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ পৰিকল্পনা কৰিছো। তাত আৰু এখন ফাৰ্ম আছে লালুংগাঁৱত যাৰ মাটিকালি বিশ হেক্টৰ, তাত সৰিয়হ, শালিধান ইত্যাদি খেতি কৰা বুলি আমাক বিভাগে জনাইছে। আৰু এটা কথা ৰাজ্যখনৰ বহুত ফাৰ্ম আচলতে অধিগ্ৰহণ হৈ আছে । সেই অধিগ্ৰহণ হৈ থকা বিলাক উঠাই আমি তাত বীজ উৎপাদনকে ধৰি বা প্ৰয়োজন হ'লে পি. পি. পি. ম'ডট দিবৰ কাৰণে আমি এটা পৰিকল্পনা কৰিছো । ৰাজ্যখন যিমান ফাৰ্ম আছে খুব সোনকালে আমি এইখিনি কৰাৰ ব্যৱস্থা কৰিম ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ১৪৫ । শ্ৰী পোনাকন বৰুৱা।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী পিযুষ হাজৰিকা,(মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**(মাননীয় সদস্য শ্ৰী পোনাকন বৰুৱাৰ হৈ মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা)**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা(পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাবুৱা চহৰৰ নিগমৰ অধীনত থকা প্ৰায় এক বিঘা দুই কঠা মাটি কাৰ্য্যালয়ৰ বাবে থকা বুলি কৈছে। কিন্তু তাত নিগমত টিকট কাউন্টাৰ সহ এটা কাৰ্য্যালয় থকা বুলি কৈছে। মই জনাত তাত কোনো অস্তিত্ব নাই। এতিয়া সেই মাটিখিনিত জনামতে এটা ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰি আছে । দুই এটা কৰ্মচাৰীৰ ঘৰ আছে, অৱস্থা নাই ভাগিছিগি গৈছে। গতিকে এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ জনাব বিচাৰিছো বা জানিব বিচাৰিছো যে এই ক্ষেত্ৰত পৰৱৰ্তী সময়ত কিবা ব্যৱস্থা ল'ব নেকি ? আৰু দ্বিতীয়তে ইমান সুন্দৰ ঠাইত মাটি, চাবুৱা চহৰৰ মাজমজিয়াত ইয়াত উল্লেখ কৰিছে যে এটা কমাৰচিয়েল কমপ্লেক্স কৰিব, গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক এইটো জানিব বিচাৰিছো যে যিটো কমাৰচিয়েল কমপ্লেক্স কৰিব গৈছে এইটো যদি কৰা যায় তেতিয়াহ'লে নিবনুৱা সমস্যাৰো সমাধান হ'ব আৰু ৰাজহ তাত আহৰণ হ'ব । এই কাম কৰিব লাগে ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, আমাৰ হাতত থকা তথ্যমতে চাবুৱাৰ যি পৰিৱহন আস্থান তাত এক বিঘা দুই কঠা মাটি আছে আৰু এটা টিকট কাউন্টাৰসহ তিনিখন দোকান চলি আছে। তথাপিও মাননীয় সদস্য গৰাকীয়ে যিহেতু কৈছে যে তাত অস্তিত্ব নাই এই বিষয়ে মই বিভাগৰ লগগ যোগাযোগ কৰিম। যদি সঁচাকৈ নাই দিবলৈ আহ্বান জনাম । অধ্যক্ষ ডাঙৰীয়া, এই মাটিখিনিত যিহেতু কমাৰচিয়েল কমপ্লেক্সৰ কথা কৈছে অসমৰ বিভিন্ন স্থানত অৱস্থিত অসমৰ পৰিবহন নিগমৰ ভূ-সম্পত্তি সমূহ ব্যৱসায়িক ভিত্তিত ব্যৱহাৰৰ কাৰণে কনচালটেঞ্চি ফাৰ্ম নিযুক্তি কৰা হৈছে ডি পি আৰ বনাবৰ কাৰণে। গতিকে অধ্যক্ষ ডাঙৰীয়া চাবুৱাৰ আস্থানৰ এই এক বিঘা এক কঠা মাটিতো আমি কমাৰচিয়েল কমপ্লেক্স কৰিব পাৰো নেকি তাৰ কাৰণে ডি পি আৰ ৰ কাম চলি আছে। যদি তেখেত সকলে কয় যে তাত ফিজিবিলিটি আছে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিম ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ১৪৬ । শ্ৰী চিৰাজুদ্দিন আজমল ।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী চিৰাজুদ্দিন আজমল, (যমুনামুখ)ঃ** Hon'ble Speaker Sir, the answer given by Hon'ble Minister does not suggest any specific modus-operandi and identification of product cluster for doubling the farmers income. Towards the process of identifying product cluster one village one product like Japan could be adopted, it is my sussgestion and also when it is encouraged for marketing and self support, similer supports are given for making of these products also there in Thailand one Tumbone or product scheme, spice export villages in Srilanka are another example, which can also be adopted by us. Hereby, I want to acknowledge the Hon'ble Minister's assurence on the above mentioned World wide aspects on model of agriculture to be adopted in our State.If so, by when and if not, why ?

Hon'ble Speaker : Hon'ble Minister.

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইটামান গুৰুত্ব পূৰ্ণ পাৰমৰ্শ দিয়াৰ বাবে মই মাননীয় সদস্য শ্ৰী চিৰাজুদ্দিন আজমল ডাঙৰীয়াক ধন্যবাদ জনাইছো । মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাৰ অসমৰ লগতে সমগ্ৰ দেশৰ কৃষকসকলৰ উপাৰ্জন যাতে দুগুন কৰিব পৰা যায় তাৰ বাবে ভাৰত চৰকাৰে বহুতো আঁচনি গ্ৰহণ কৰিছে। আৰ কে ভি ৱাই, এন এফ এছ এম, পি এম কিষাণ, প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, এন এম অ' পি বহুবোৰ আঁচনি আছে আৰু ৰাজ্য চৰকাৰে নিজবৰীয়াকৈ মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে কৃষি যান্ত্ৰিকীকৰণৰ কাৰণে বহুখিনি সা-সুবিধা দিছে । আমি সদনৰ মজিয়াত জনাবলৈ পাই সুখী হৈছো যে আমি মিচন ম'ডত কিছুমান কাম কৰিবলৈ লৈছো যেনে- ফ্লৰি কালচাৰ মিচন, মিলেট মিচন, মাৰ্কেট সৃষ্টিৰ কথা কৈছে, পি এম কে এছ ৱাই ৰ ওপৰত আমি গুৰত্ব দিছো আৰু মাননীয় বিধায়ক জনে কৈছে যে one village one product । আজি আমাৰ দেশখনৰ বিভিন্ন জিলাত one district one product হৈছে। কিন্তু কথাটো হৈছে আমাৰ খেতিয়কসকল মাৰ্জিনেল ফাৰ্মাচ আৰু জিলা বিলাকো সৰু সৰু হ'ল, গাঁওবিলাকো সৰু সৰু । হয়, ঠাই বিশেষে বেলেগ বেলেগ খেতি হয়। পাহাৰীয়া ঠাইত বেলেগ খেতি হয়, ভৈয়ামতো বেলেগ খেতি হয়, এই গোটেই দিশ বিলাক আমি পৰীক্ষা কৰি আছো, কৃষিজাত সামগ্ৰীৰ ৰপ্তানীৰ ক্ষেত্ৰতো আমি গুৰুত্ব প্ৰদান কৰিছো আৰু নিশ্চিত ভাবে আমি ভৱিষ্যতত এই পৰিকল্পনা বিলাক বাস্তৱায়িত কৰিব পাৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কৃষকৰ উপাৰ্জন দুগুন কৰাৰ ক্ষেত্ৰত যিটো উত্তৰ দিছে যে উন্নত পদক্ষেপ লোৱা হৈছে কিন্তু দেখা গৈছে যে উপাৰ্জন দুগুন নহয় আধাহে কৰিব । তেখেতে মোৰ সমষ্টিত সাৰৰ ক্ষেত্ৰত যিটো তথ্য দিছে তাত দেখা গৈছে যে ৰূপশ্ৰী ব্লকত যি ২ লাখ বিঘা আছে বুলি কৈছে আৰু মণ্ডিয়া ব্লকত ৭০ হাজাৰ বিঘা মাটি লয় তেতিয়াহ'লে দেখা যায় যে ২.৫০ লাখ বিঘা মাটি আছে, এইটো তেওঁলোকে দিয়া তথ্য। মই চৰজমিনৰ কথা কোৱা নাই। ২.৫০ লাখ বিঘা মাটিৰ এক বিঘা ঘৰবাৰীৰ নামত এৰি দিয়ক। বাদ দিয়ক। তেওঁলোকৰ তথ্য মতে ডেৰ লাখ বিঘা মাটিত জনীয়া সমষ্টিত খেতিবাতি হয় আৰু

এটা জি পি ত তিনিজন কৃষকৰ মাজত সাৰ দিয়ে বিশ বেগ  আৰু এশ টকা অতিৰিক্ত চালামি দিলে আৰু অতিৰিক্ত বিশ বেগ সাৰ দিয়ে । অৰ্থ্যাৎ ৪  বেগ সাৰ দিয়ে । এখন গাঁও পঞ্চায়তত ১২০ বেগ সাৰ পায় অতিৰিক্ত চালামি দিলে । অন্যথা মাত্ৰ ৬০ বেগহে সাৰ পায় । ৬০ বেগ সাৰেৰে ৬০ বিঘা খেতি কৰিব নোৱাৰে । এটা বছৰত কৃষকে দুটা তিনিটাকৈ খেতি কৰে । এখন গাঁও পঞ্চায়তত চাৰি-পাঁচখনকৈ গাওঁ থাকে । ন্যূনতম দুই তিনিহাজাৰ বিঘা মাটিত খেতি কৰা হয় । যিখিনি আমাৰ ýÃÂËñÉÕ±åÃ, î ÂË Âcartel কৰি আছো। নতুন কোনো পদক্ষেপ নাই, আয় দুগুণ নহয়, আয় কমিব। এনেকুৱা এটা অৱস্থা হ'ব মানুহে খেতি কৰা বন্ধ কৰিব। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা  এই বিষয়ে সঠিক উত্তৰ বিচাৰিছো।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাত যিটো requirement আছে তাতকৈ আমি বেছি সাৰ দিয়াৰ উদাহৰণ আছে। বৰপেটাত দিয়া সাৰ আমি সেই কথাটোও চাইছো। তাতে অতিৰিক্ত সাৰ দিয়া কলা বজাৰ এখনৰ সৃষ্টি কৰিব নোৱাৰো।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি গোটেই অসমৰ কথা কৈছো, বৰপেটা বুলিয়েই নহয়।

**শ্ৰীঅতুল বৰা , (কৃষি মন্ত্ৰী) ঃ** আপুনি বৰপেটাক কেন্দ্ৰ কৰি কথাটো কৈছে।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ৰিপ্লাই দিয়ক, মই যিখিনি তথ্য দিলো, তথ্য সহকাৰে ২ লাখ বিঘা মাটি আছে য'ত খেতি হয়।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এটা সুকীয়া প্ৰশ্ন আনিব লাগিব কাৰণ এই প্ৰশ্নটোৰ লগত এইটোৰ সম্পৰ্ক নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Please supplemantary নাই। প্ৰশ্ন নং- ১৪৭। শ্ৰী আফতাব উদ্দিন মোল্লা।

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জ্বলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন দিছিলো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাইছো। মই কৈছিলো খুৰ কম সময়ৰ ভিতৰত  যিটো জিঞ্জিৰামৰ Flash Flood হয়। Flash Flood ৰ ফলত ঘৰ-বাৰী, অনুষ্ঠান-প্ৰতিষ্ঠান গোটেইখিনি নষ্ট কৰি দিছে। এইবিষয়ে অৱগত বুলি কৈছে। এই flash Flood কেতিয়া প্ৰতিৰোধ হ'ব আৰু জৰীপ চলি আছে। সচাঁ কথা ক'বলৈ গ'লে জুন জুলাই মাহত আমাৰ সেই অঞ্চলৰ মানুহবিলাক যিটো অঞ্চলত এই flash flood হয়, তেওঁলোকৰ ৰাতি টোপনি নাহে। ৰাতি ১ মান বজাত আহে আৰু ২-৩ ঘণ্টাত তচনচ কৰি গুচি যায় এনেকুৱা এটা অৱস্থা হয়। কেৱল জ্বলেশ্বৰতে নহয়, এইটো দুধনৈ, গোৱালপাৰা East-West আৰু জ্বলেশ্বৰ এই চাৰিটা সমষ্টিত মেঘালয়ৰ পানীয়ে অত্যাচাৰ কৰে। কিন্তু মোৰ সমষ্টিৰ যিটো অৱস্থা যোৱা কেইবছৰৰ পৰা এইটো হৈ আছে। যোৱাবাৰ এনেকুৱা এটা flash flood হ'ল যাৰ ফলত এখন কাঠৰ দলং আছিল, সেইখন উৰুৱাই লৈ গ'ল। সেই সময়ত মাননীয় ৰাজহ মন্ত্ৰী শ্ৰীযোগেন মোহন চাৰে তেতিয়া spot verification কৰি চাই আহিছিল। তাত বিশেষকৈ মোৰ জ্বলেশ্বৰ সমষ্টি ঘাগুৱাত এটা irrigation scheme আছে য'ত প্ৰায় ৭ কিলোমিটাৰ এৰিয়াৰ মানুহে ধান খেতি কৰে, কেৱল এটা irrigation scheme ৰ জৰিয়তে। সেই irrigation টো চূৰ্ণ-বিছিন্ন হৈ গৈছে বানপানীৰ কাৰণে। চৰকাৰী কোনো ধৰণৰ সহাঁৰি দিয়া নাই। মই এই কথাটো কৈছো যে জিঞ্জিৰাম যিটো ঘাগুৱা নদী, নদীৰ দুয়োফালে

থকা ঘৰ-বাৰীৰ যিটো অৱস্থা হৈছে, সেইটো প্ৰতিৰোধ কৰিব লাগে আৰু এই ঘাগুৰা যিখন irrigation scheme যাৰ দ্বাৰা সেই অঞ্চলৰ মানুহে জীৱিকা নিৰ্বাহ কৰি আছে। ৯৯ শতাংশ মানুহে কৃষক। গতিকে irrigation scheme টো মেৰামতি কৰি দিব লাগে। এয়াই মোৰ অবেদন।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই নদীখন মই যদি কওঁ, dangerous সেইটো নোহোৱা নহয়, কিন্তু নদীখন হঠাৎ ভেটা দিয়াতো equally dangerous. এই নদীখন গোৱালাপাৰা জিলাত ৬৫.৮০ কিলোমিটাৰ ঠাই বৈ গৈছে। নদীখন মাত্ৰ ৫০ মিটাৰ আৰু এইখন সাধাৰণতে বানপানী যিটো আমি কওঁ, তেনেকুৱা বানপানীৰ সৃষ্টি নকৰে। পাহাৰৰ পৰা যিটো নামি আহে, যিটো flash flood কয় সেইটোৰ সৃষ্টি কৰে আৰু দুই-তিনি ঘণ্টা থাকে। সেইটো তেখেতে তেনেকে কৈছে আৰু মানুহক অসুবিধাত পেলাই। মই অস্বীকাৰ নকৰো। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আমি যেতিয়া নদী ভেটা দিবলৈ যাওঁ, মাথাউৰি বনাবলৈ যাও তেতিয়া কেতিয়াবা adverse affect টো হোৱা দেকা যায়। গতিকে আমি এই বিষয়ে খুব ভালদৰে চিন্তা-চৰ্চা কৰিব লাগে। মই এটা সৰু উদাহৰণ দিও, আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া হোজাই আৰু যমুনামুখ এৰিয়াত গৈছিল। এটা প্ৰায় ২৫ কিলোমিটাৰ অংশ খুলা আছে কপিলী নদীত। তেখেতে মোক নিৰ্দেশ দিছিল এইটো মাথাউৰি কৰিব লাগে। কিন্তু আমি এতিয়ালৈকে কৰিব পৰা নাই কাৰণ এইটো আমি IIT ক দিব লগা হৈছে। IIT য়ে এতিয়ালৈকে fisibility report দিয়া নাই আৰু আমি বিভাগে হঠাতে কিয় কৰি দিব নোৱাৰো, ধৰি ললো আমাৰ এইখন ৬৫ কিলোমিটাৰ আছে। এই গোটেই ৬৫ কিলোমিটাৰ হঠাতে কৰা সম্ভৱো নহয়। যদি কৰোবাত ২০ কিলোমিটাৰ কৰি দিলো। মানুহে থকা ঠাইখিনি খুলা ৰাখিলো তাতে বেছিকৈ affect হ'ব। গতিকে আমাৰ যিটো fisibility report সেইটো IIT ক দিয়া অতি জৰুৰী, অতি সোনকালে দিবলৈকে আমি প্ৰয়াস কৰিম। আকৌ কৈছো, আমাৰ যিটো present technical structure, সেইটো যদি আমি কৰো, কৰিলে কৰবাত নহয়, কৰবাত adverse affect হ'ব। মাথাউৰিও নষ্ট হ'ব মানুহৰ বেছি ক্ষতি হ'ব পাৰে। গতিকে অধ্যক্ষ ডাঙৰীয়া, যিহেতু এই নদীখন অলপ ভয়াবহ, এই নদীখনৰ বিষয়ে আমি নিশ্চিয়কৈ চিন্তা-চৰ্চা কৰি আছো। পৰৱৰ্তী সময়ত IIT বা তেনেকুৱা গুৰুত্বপূৰ্ণ উল্লেখযোগ্য প্ৰতিষ্ঠানক দি তাৰ fisibility report ওলোৱা হ'ব।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জ্বলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Irrigation ৰ কথা মই যিটো কথা কৈছো।

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Irrigation ৰ প্ৰশ্ন আপুনি বেলেগকৈ আনিব। Irrigation মই যিহেতু নাচাও, কিন্তু নিশ্চয়কৈ মই মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংঘল ডাঙৰীয়াক জনাম। তেখেত আপোনালোকৰ Guardain Minister হয়, কথা পাতি ল'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিখি দি দিব। ধন্যবাদ। প্ৰশ্ন নং- ১৪৮। শ্ৰীজিৰণ বসুমতাৰী।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীজিৰণ বসুমতাৰী, (গোঁসাইগাওঁ) ঃ** (বড়োত বক্তব্য) মই ইতিমধ্যে উত্তৰটো পাইছো Annexure-1 আৰু Annexure-II ত মন্ত্ৰী মহোদয়ে যিখিনি দিছে। ইয়াৰ লগত মই supplemantary প্ৰশ্ন কৰিব বিচাৰিছো। ২০২৩-২০২৪ বিত্তীয় বৰ্ষত ২৮ নং গোসাইগাওঁ সমষ্টিৰ কাৰণে BADP যিটো scheme এইটো আকৌ লোৱা হ'ব নেকি ? আমি প্ৰত্যেকেই জ্ঞাত, গোসাইগাওঁ এনেকুৱা এখন সমষ্টি International Boundary ভূটানৰ লগত সংলগ্ন,

Inter State boundrary, অসম আৰু বেংগলৰ লগত সংলগ্ন আছে। ৰাষ্টা-ঘাট বিলাকৰ আজিলৈকে ইমান উন্নয়ণ হোৱা নাই। তাৰ কাৰণে মাননীয় অধ্যক্ষ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো এইবাৰ যাতে ২০২৩-২০২৪ বৰ্ষত আমাৰ সমষ্ঠিত ৰাষ্টা-ঘাটৰ উন্নয়ণৰ কাৰণে BADP ৰ পৰা ভাল এটা আঁচনি লোৱা হয় তাৰ কাৰণে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উন্নয়ণৰ কাৰণে আমি এই বৰ্ষত কেতবোৰ পৰিকল্পনা কৰিছো আৰু তেখেতে যিটো প্ৰশ্ন কৰিছে, এই বছৰত এইখিনি কৰিবলৈ আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ১৪৯। শ্ৰীআমিনুল ইছলাম (জেষ্ঠ)

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত অসমৰ চুবুৰীয়া ৰাজ্য মেগালয়, মিজোৰাম, নাগালেণ্ড, অৰুণাচল প্ৰদেশে অসমৰ বিভিন্ন এলেকাত য'ত বিগত তিনিটা বছৰত কিমানবাৰ আক্ৰমণ কৰিছে, কিমান ক্ষয়-ক্ষতি কৰিছে বহুত দীঘলীয়া তথ্য। প্ৰশ্নটো হ'ল যে চুবুৰীয়া ৰাজ্য সমূহে বাৰে বাৰে এনেকৈ অসমত আক্ৰমণ কৰি অসমৰ ৬ গৰাকী আৰক্ষী নিহত কৰিলে, ৬৪ গৰাকী আহত হ'ল, আ-সামৰিক লোক ১৪ জন আহত হ'ল আৰু বহুতো অগ্নিদগ্ধ হ'ল, মানুহৰ ঘৰ-দুৱাৰ জ্বলালে, বনাঞ্চল কাটিলে, খেতি-বাতি নষ্ট কৰিলে, আগ্ৰাসন চলালে। আমি বাৰে বাৰে সহ্য কৰি থাকিম বা কেন্দ্ৰীয় চৰকাৰেও ইয়াত তৎপৰতা নল'ব আৰু চুবুৰীয়া ৰাজ্যই আগ্ৰাসন চলাই যাব। এইটো কিমান দিন এনেকৈ চলিব। অসমৰ সীমান্তৱৰ্তী লোকসকল যথেষ্ট আতংকিত হৈ থাকে। তেওঁলোকে সদায় চুবুৰীয়া ৰাজ্যৰ দ্বাৰা আক্ৰান্ত হৈ থাকে। গতিকে এইটো কেতিয়া শেষ হ'ব। চৰকাৰে অতি সোনকালে চুবুৰীয়া ৰাজ্যৰ আক্ৰমণৰ পৰা সীমান্তবাসীক ৰক্ষা কৰাৰ কাৰণে কি কি পদক্ষেপ লৈছে সেই বিষয়ে চৰকাৰৰ পৰা এটা সদুত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া নতুন নতুন ৰাজ্য সৃষ্টি হৈছিল কাৰণ অসমৰ পৰা ফালৰি কাটি গৈ নতুন ৰাজ্য গঠন হৈছিল আৰু সেই সময়ত ভৱিষ্যতে যাতে এনেকুৱা গন্দোগ'ল নহয়, তাৰ কাৰণে এইটো once for all settle লাগিছিল আৰু সেই কাৰণে নতুন ৰাজ্যৰ সৃষ্টিৰ পিচৰে পৰা সেই ৰাজ্য সমূহৰ লগত মাজে মাজে কাজিয়া হৈছে দুৰ্বৃত্তই আমাক আক্ৰমণ কৰিছে, আমাৰ ঘৰ-দুৱাৰ জ্বলাইছে বা আমাৰ মাটি দখল কৰিছে। সেই বাবে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী হোৱাৰ পিছত চুবুৰীয়া ৰাজ্যৰ লগত থকা আমাৰ সীমা বিবাদ দূৰ কৰিবৰ বাবে বহু প্ৰচেষ্টা ইতিমধ্যে গ্ৰহণ কৰিছে। One to one Chief Minister level ত আলোচনা হৈছে, গৃহ মন্ত্ৰীৰ উপস্থিতিত আলোচনা হৈছে। অসম- মেঘালয় আৰু অসম- অৰুণাচল প্ৰদেশৰ লগত থকা সীমা-বিবাদ দূৰ কৰিবৰ বাবে ৰিজ'নেল কমিটী গঠন কৰিছে। দুয়োখন ৰাজ্যৰ ৰিজ'নেল কমিটীয়ে যুটীয়াভাৱে সীমামূৰীয়া অঞ্চলসমূহ পৰিদৰ্শন কৰিছে আৰু যিখিনি Disputed point আছিল, সেইবোৰৰ বহুখিনিৰ ক্ষেত্ৰত মীমাংসাত আহিব পৰা গৈছে। মেঘালয়ৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু এইক্ষেত্ৰত বহুতো আগবঢ়া গৈছে। এইটো হয় যে অসম-মিজোৰাম সীমান্তৰ কাছাৰ জিলাৰ লাইলাপুৰত কেইবাজনো অসামৰিক লোক গুলীবিদ্ধ হৈছিল, আৰক্ষীৰ জোৱান নিহত হৈছিল। এইটো এটা দুৰ্ভাগ্যজনক ঘটনা। ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনা নহয়, এই বিষয়টো জনী মাৰিবৰ বাবে আলাপ-আলোচনা

অব্যাহত ৰাখিছো আৰু আমি আশা ৰাখিছো যে আহি থকা দিনসমূহত চুবুৰীয়া ৰাজ্যৰ লগত থকা আমাৰ সীমা-বিবাদ আলাপ-আলোচনাৰ যোগেদি মীমাংসা কৰিব পাৰিম। কিন্তু এই সময়তে যদি কিবা হয় এইক্ষেত্ৰত আমাৰ চৰকাৰ সজাগ আছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া পৰিপূৰক প্ৰশ্ন।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ (গ) নম্বৰ প্ৰশ্নৰ উত্তৰত এতিয়ালৈকে চুবুৰীয়া ৰাজ্যই অসমৰ ভিতৰত সোমাই যিখিনি স্কুল, গীৰ্জাঘৰ আৰু বি অ' পি স্থাপন কৰিছে, এই তালিকাখনো বহুত দীঘলীয়া। চুবুৰীয়া ৰাজ্যই অসমৰ ভিতৰত সোমাই স্কুল, গীৰ্জাঘৰ, বি অ' পি, ৰাস্তা স্থাপন কৰি যাব আৰু ইয়াত লিখা হৈছে যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত আমি স্থিতাৱস্থা বাহাল ৰাখিছো, য'ত অসম চৰকাৰে অসমৰ ভিতৰত অসমৰ নাগৰিকক বাৰে বাৰে উচ্ছেদ কৰি তেওঁলোকক হাৰাশাস্তি কৰে, সেইক্ষেত্ৰত চুবুৰীয়া ৰাজ্যই যেতিয়া আমাৰ ৰাজ্যত সোমাই বে-দখল কৰে তেতিয়া কিন্তু আমি স্থিতাৱস্থা ৰাখিম। অসমৰ চৰকাৰে কেৱল শক্তি অসমৰ ৰাইজৰ ওপৰত দেখুৱাটো ভাল নহয়।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো ঠিক মাননীয় সদস্যজনে কোৱাৰ দৰে নহয়। কাৰণ আপোনালোকে জানে যে ইয়াত এটা সময় আছিল আৰু কাৰ চৰকাৰ আছিল আপোনালোকে জানে, মই ক'ব খোজা নাই আৰু সেই সময়তে চুবুৰীয়া ৰাজ্যই আমাৰ ভিতৰত আহি চাব-ডিভিজন পাতিছিল আৰু তেনেধৰণৰ আগ্ৰাসন চলাই গৈছিল। এতিয়া কাছাৰত হোৱা সেই ঘটনাটোৰ বাহিৰে আজি য'ত য'ত এনেকুৱা ঘটনা হৈছে, যোৰহাট জিলাৰ মৰিয়নীত এনেকুৱা ঘটনাৰ উকমুকনি হৈছে বা আগ্ৰাসনৰ বাবে আগবাঢ়ি আহিছে। এইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা প্ৰশাসনে গ্ৰহণ কৰিছে আৰু অন্যান্য ঠাইতো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ক'লে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে দ্বি-পাক্ষিক আলোচনা কেন্দ্ৰীয় চৰকাৰৰ লগত কৰিছে। অতি দুখেৰে ক'বলগীয়া হৈছে যে আলোচনা কৰি থকাৰ সময়ছোৱাতো আমি প্ৰতিদিন পেপাৰত দেখিবলৈ পাইছো আৰু আজিও দেখিবলৈ পাইছো যে মেঘালয়ে অসমৰ কিছুমান অঞ্চলত আগ্ৰাসন কৰিছে। মন্ত্ৰী মহোদয়ে যিটো ক'লে যে লাইলাপুৰত মিজোৰামৰ ঘটনা হৈছিল, য'ত অসমৰ মানুহক মাৰিছিল আৰু বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি হৈছিল। তাৰ পিছতে মন্ত্ৰী মহোদয় মিজোৰামলৈ গৈছে আৰু তাত আলাপ-আলোচনা কৰিছে। কিন্তু মই অতি দুখেৰে দায়িত্ব সহকাৰে সদনত কৈছো যে ৯৯০ নম্বৰ ধলাকাল এল পি স্কুলত বৰ্তমান আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু তেতিয়াৰ শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ ফটো লগোৱা আছিল। বোমা বিস্ফোৰণ কৰি সেই স্কুলখন উঠাই দিয়া হ'ল আৰু চাৰি কিলোমিটাৰ আগলৈ আগবাঢ়ি আহিল। তাৰ পিছতো এইখন চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। এইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিম যে আমাৰ ৰাজ্যৰ মাটি, আমাৰ মানুহ তথা জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? আমি সদনত কথাখিনি ক'লো। কিন্তু তাৰ প্ৰকৃতাৰ্থত কি ব্যৱস্থা লৈছে, সেইটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে জানে যে কংগ্ৰেছ চৰকাৰ যেতিয়া দিল্লীত আছিল আৰু ৰাজ্যতো যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল, তেতিয়াই এই নতুন নতুন ৰাজ্যবোৰৰ গঠন হৈছিল। তেতিয়াই যদি ভৱিষ্যতৰ এনেকুৱা ধৰণৰ কথাবোৰ ভাবি একেবাৰে মীমাংসা কৰি দিলেহেঁতেন, তেতিয়া এই সমস্যাসমূহ নাহিলহেঁতেন। তেখেতে কেইটামান কথা কৈছে, সেইকেইটা নোহোৱা নহয় আৰু তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। কাৰণ আলাপ-আলোচনাৰ পৰিৱৰ্তে চুবুৰীয়া ৰাজ্যসমূহৰ লগততো যুদ্ধ কৰিব নোৱাৰি, আলাপ-আলোচনাৰ মাজেদিয়েই বিষয়টো মীমাংসা কৰিব লাগিব আৰু ইয়াৰ বাবে প্ৰচেষ্টা অব্যাহত আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১৫০। আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ বঙাইগাঁও জিলাত জলসম্পদ বিভাগৰ সংমণ্ডল স্থাপন কৰা হৈছিল। ধুবুৰী সংমণ্ডলটো বহুত দূৰত আছিল। তাৰ পৰা বঙাইগাঁৱলৈ লৈ অহাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু মই ক'ব বিচাৰিছো যে এই সংমণ্ডলৰ অধীনত বঙাইগাঁও জিলাখন আছে আৰু বঙাইগাঁও জিলাৰ শতকৰা ৭৫ শতাংশ বানপানী কেৱল এটা সমষ্টিতেই হয়, সেইটো হৈছে উত্তৰ অভয়াপুৰী সমষ্টি আৰু সেই বানপানী আই আৰু মানাহ নদীৰ কাৰণেই হয়। যোৱাবছৰ তিনিখন গাঁও নদীৰ বুকুত জাহ গৈছিল। মাননীয় মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাব বিচাৰিছো কাৰণ তেওঁ যিখিন গাঁৱত ভ্ৰমণ কৰিছিল,সেইখন গাঁৱত এটা কাম হাতত লৈছে। কিন্তু অন্যান্য অঞ্চলসমূহ সুৰক্ষাৰ বাবে সাতটা আঁচনি দিয়া হৈছিল। কিন্তু তাৰ মাজত এটা আঁচনিৰ কাম চলি আছে আৰু বাকীসমূহৰ কাম হৈ উঠা নাই। এইবাৰ যদি তাত অস্থায়ী কাম কৰা নহয়, তেন্তে আৰু বহুকেইখন গাঁও নদীৰ বুকুত জাহ যাব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো যে অতি স্পৰ্শকাতৰ অঞ্চলসমূহ চিনাক্তকৰণ কৰি আমাৰ বঙাইগাঁও সংমণ্ডলখনে কাম কৰাৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰে। বঙাইগাঁও সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাক যাতে মাননীয় মন্ত্ৰী মহোদয়ে নিৰ্দেশ দিয়ে। তাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো সঁচা যে তেখেতৰ সমষ্টিটো বানপানী প্ৰবল সমষ্টি আৰু বানপানীয়ে বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰে আৰু এই কথাটো মই অস্বীকাৰ নকৰো। যোৱাবছৰ মই গৈছিলো আৰু তাৰ আগৰ বছৰত তেওঁৰ সমষ্টি আৰু বিজনী সমষ্টিত তিনিদিন আছিলো। গতিকে তেখেতৰ সমষ্টিৰ সমস্যাৰ বিষয়ে আমি অৱগত। সেয়েহে দুটা চিজনত, এইখন চৰকাৰৰ দুবছৰ সম্পূৰ্ণ হোৱা নাই, আমি তেখেতৰ সমষ্টিত ২০.৪৩ কোটি টকাৰ অনুমোদন দিছো আৰু ছয়টা স্কীমৰ দুটা সম্পূৰ্ণ কৰিছো। এটাৰ ৯০ শতাংশ, এটাৰ ৮৫ শতাংশ, এটাৰ ৯৫ শতাংশ, এটাৰ ৮০ শতাংশ কাম চলি আছে। তেখেত বিৰোধী পক্ষৰ বিধায়ক। তথাপিও আমি তেখেতৰ সমষ্টিত কাম কৰি আছো আৰু নিশ্চয়কৈ কৰিম। তেখেতে যি আঠখন আঁচনিৰ এচ ডি আৰ এফৰ কথা কৈছে। তাৰে এখন স্কীমৰ চাৰি কোটি দহ লাখ টকা এপ্ৰোভ হৈছে আৰু বাকীখিনি যিহেতু এপ্ৰোভেল পোৱা নাই। মই আগৰ প্ৰশ্নৰ উত্তৰটো ক'লো যে এতিয়া অস্থায়ী কাম কৰাৰ সময়। মে'ৰ দহ-পোন্ধৰ তাৰিখৰ পৰা যেতিয়া পানী অহা

আৰম্ভ হ'ব তেতিয়া আমি অকল অস্থায়ী কাম কৰিম। অস্থায়ী কাম কৰাৰ কাৰণে যদি এই বছৰৰ কাম ক'ৰবাত সম্পূৰ্ণ নহ'ল, সেইটোও আমি বন্ধ কৰিম। মাননীয় অধ্যক্ষ মহোদয়, অস্থায়ী কাম কৰাৰ কাৰণে আমি Flood Drill ৰ টকা দিওঁ । মই সদনক জনাব বিচাৰিছো, আপোনালোকে এই বিষয়ে এবাৰ খবৰ ল'ব। আমি অতি কমেও পঞ্চাশ লাখ টকা প্ৰত্যেকখন জিলাৰ জলসম্পদ বিভাগলৈ দিওঁ Flood Drill শিতানত, যাতে সৰু সৰু শিতানত কাম কৰি ল'ব পাৰে। ক'ৰবাত Bamboo palasiding কৰাৰ, ক'ৰবাত বেগ পেলোৱা আৰু য'ত বানপানী বেছি হয় তাত এক কোটিৰ পৰা ডেৰ কোটি টকা কেৱল Flood Drill ৰ কাৰণে দিওঁ। আমাৰ maintance and repairing আছে আৰু আমি যোৱা দুটা বছৰে Centrally Flood Fighting Material কিনি আছো। যোৱাকালি আমাৰ প্ৰায় সোতৰ কোটি টকাৰ টেণ্ডাৰ হ'ল আৰু আমি সেইখিনি জিলাই জিলাই ৰাখিম। গতিকে আপোনালোকে চিন্তা কৰিব নালাগে। আমি যিমান পাৰো চেষ্টা কৰিম আৰু আপোনালোকেও যিমান পাৰে সহযোগিতা আগবঢ়াব। আমি আপোনালোকৰ লগত সঘনে যোগাযোগত থাকিম। মই এটা কথা ক'ব বিচাৰিছো যে মে'-জুনত যেতিয়া Flood Drill ৰ টকাখিনি যায়, আপোনালোকে আপোনালোকৰ জিলাৰ অভিযন্তাসকলক সুধি একেলগে কামখিনি কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু তেওঁ যাতে আমাৰ স্পৰ্শকাতৰ অঞ্চলসমূহ সাঙুৰি লয়। মই আৰু এটা কথা ক'ব বিচাৰিছো, আমাৰ আই নদী যাক চিৰাং আৰু বঙাইগাঁও জিলাৰ কাৰণে চকুলো বুলি ক'লেও ভুল নহ'ব। চিৰাং জিলাত ইতিমধ্যে এটা আঁচনি গ্ৰহণ কৰিছে। তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। বঙাইগাঁও জিলাৰ আই নদীৰ স্থায়ী কামৰ বাবে ১৪৪ কোটি টকাৰ Cost approval এটা জমা হৈছে। চিৰাং জিলাৰ Anti erosion works ৰ লগত continue কৰাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি কথাৰ উত্তৰ মই দিছো। তেখেতে মেম্বাৰচ আৱাৰচত তেখেতৰ সমষ্টিৰ বিষয়ে আনিছিল। আমি চিৰাং জিলাৰ আই নদী ১২৫ কোটি টকাৰ কাম ইতিমধ্যে আৰম্ভ কৰিছো। পুঁজি সাপেক্ষে মই সেইদিনাখন কৈছো যে মোৰ ঘৰৰ পিছফালৰ পাঁচ কিলোমিটাৰ মথাউৰি মই মন্ত্ৰী হৈও যোৱা দুবছৰ ধৰি বনাব পৰা নাই। যাৰ কাৰণে মোৰ ঘৰত এইবাৰো পানী সোমাইছে। এইকেইদিন দিগন্ত কলিতা ডাঙৰীয়া আৰু মই তামুলপুৰত চলি থকা মথাউৰি protection ৰ কাম চাবলৈ গৈছিলো। এদিন হাজোলৈও গৈছিলো। তেখেতেৰ সমষ্টিৰ কলাজন নদীৰ ১০ কিঃমিঃ দুয়োফালে মথাউৰিত পানী হয়। তেওঁ কয় যে এইটো কলাজন নদীৰ দুখ আৰু কলাজন নদীৰ দুখৰ সমভাগী মইও হ'ব লাগে। কিন্তু, পুঁজি সাপেক্ষেহে হ'ব পাৰো। গতিকে, যেতিয়া পুঁজি হ'ব তেতিয়া আপোনাৰ সমষ্টিৰ আৰু কাম কৰিম। ইতিমধ্যে ২১ কোটি টকাৰ কাম যোৱা দুটা বছৰত কৰিছো।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী)ঃ** FMBFB ৰ অলপ ..............interruptions.....

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। হৈছে আৰু ইমানখিনি উত্তৰ পালেই হ'ব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ, অভয়াপুৰী সম্পৰ্কে কি আছে আপোনাৰ?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মোৰ নিজৰ .....interruptions.....

**মাননীয় অধ্যক্ষঃ** এইটো অভয়াপুৰীৰ। উত্তৰ নাই ইয়াত।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ঠিকেই আছে, আমাৰ মন্ত্ৰী মহোদয়ে বিধান সভাত এটা প্ৰতিশ্ৰুতি দিছিল......interruptions.....

**মাননীয় অধ্যক্ষঃ** আপোনাৰ সমষ্টিৰ? specific কৈ দিয়ক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** হয়। ডৰিকা নদী বানপানীৰ পৰা ৰক্ষা কৰিবলৈ team এটা পঠাব আৰু গৱেষণাৰ ভিত্তিত এটা আঁচনি ল'ব। কিন্তু, এতিয়া দুবছৰ হৈ গ'ল। আজিলৈকে team গৈয়েই নাপালে। মই লগতে আৰু এটা কথা কৈ দিওঁ, যোৱা ২ অক্টোবৰ তাৰিখৰ দিনাই আমাৰ সমষ্টিৰ দিখৌ আৰু দিচাং নদীৰ গৰাখহনীয়া ৰোধ কৰিবলৈ ৭ টা আঁচনি দিছিলো। কিন্তু, তাৰ মাত্ৰ সৰু সৰু দুটা আঁচনিহে recommend কৰিছে ......interruptions....

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** দুটা যে দিছো, ধন্যবাদ কিয় নজনায় ......interruptions....

**মাননীয় অধ্যক্ষঃ** হ'ব ......interruptions.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ডৰিকা নদীৰটোও আপুনি কৰি দিয়ক কাৰণ ...interruptions.....

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, ডৰিকা নদীৰ ...interruptions.....

**মাননীয় অধ্যক্ষঃ** Please silent. মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মোৰ লগত অখিল গগৈৰ লগত ভাল সম্পৰ্ক .....interruptions..... অখিল গগৈ ডাঙৰীয়াৰ লগত মোৰ সম্পৰ্ক মধুৰ। আমাৰ কথা-বতৰা হৈয়েই থাকে। গতিকে, তেখেতৰ .....interruptions.....

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আজি কমলাক্ষ ডাঙৰীয়াই betray কৰিছে। Fashion Dress দিয়া নাই।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, ডৰিকা নদীৰ সমস্যা আছে। আমাৰ বিভাগৰ team তাত গৈছে। এই নদীৰ ক্ষেত্ৰত আমাৰ বিভাগৰ বিষয়াসকলে কৈছে যে তেওঁলোকে তাত মথাউৰি বনাব নোৱাৰে। তেওঁলোক তালৈ গৈছিল কিন্তু, আপোনাৰ লগত miscommunication হৈছে। এই বিষয়ে মই আপোনাৰ লগত ইতিমধ্যে কথা পাতিছো। কিন্তু, ভৱিষ্যতত আমি IIT বা তেনেকুৱা প্ৰতিষ্ঠানৰ যোগেৰে ডৰিকা নদীৰ বিষয়ে নিশ্চয়কৈ চিন্তা-চৰ্চা কৰিম। মই যি দুটা আঁচনিৰ বাবে recommendation দিলো, তাৰ বাবে ধন্যবাদ দিলে ভাল পাম।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** দুটাৰ বাবে ধন্যবাদ ধনাইছো। কিন্তু, ৭ টাৰ ভিতৰত আটাইতকৈ সৰু সৰু আঁচনি দুটা দিছে। বাকী ডাঙৰ আঁচনি কেইটা দিয়া নাই। মোৰ ওচৰৰ সমষ্টিত কিন্তু ৮ পৰা ১২ খনকৈ আঁচনি দিছে। ....interruptions.......

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। বাকীখিনি দিবলৈ চেষ্টা কৰিব। .....interruptions.....

**শ্ৰী পীযুষ হাজৰিকা,(মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** মোৰ গাঁৱৰ ঘৰত পানী সোমাইছে .....interruptions.....

**মাননীয় অধ্যক্ষঃ** হ'ব। প্ৰশ্ন নং ১৫১-ৰূপেশ গোৱালা...interruptions......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এইখিনিও কৰি দিব লাগে ...interruptions......

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)ঃ** অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো।। ইয়াত কোৱা হৈছে যে পশু চিকিৎসা কেন্দ্ৰসমূহত ঔষধ-পাতি যোগান ধৰা হয়। কিন্তু, বাস্তৱ ক্ষেত্ৰত পশু চিকিৎসা কেন্দ্ৰ সমূহত কোনো ধৰণৰ ঔষধ-পাতিৰ ব্যৱস্থা নাথাকে বা ডাক্তৰসকলে কয় যে তেওঁলোকৰ ওচৰত কোনো ধৰণৰ stock নাই। আৰু এটা গুৰুত্বপূৰ্ণ কথা যে যেতিয়া ডাক্তৰসকলে পশু পালকসকলৰ ওচৰত পশুধনৰ চিকিৎসাৰ বাবে যায়, তেতিয়া তেওঁলোকক যদি অতিৰিক্ত কিবা এটা নিদিয়ে, তেন্তে তেওঁলোকে visit কৰিবলৈ নাযায়। গতিকে, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। আমি যেতিয়া গ্ৰাম্য অৰ্থনীতি, কৃষি খণ্ড, পশুপালনৰ কথা পাতো, তেতিয়া এই পশুপালকসকলক যদি আমি এইবোৰ ক্ষেত্ৰত support কৰিব নোৱাৰো তেন্তে আমাৰ গ্ৰাম্য অৰ্থনীতিত নিশ্চয় বেয়া প্ৰভাৱ পৰিব। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে আৰু আমি যিমান পাৰো পশুপালকসকলক সহায় কৰাৰ বাবে যত্ন কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা,(কৃষি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ যিবিলাক জিলা পশু চিকিৎসালয় আছে, সেই জিলা পশু চিকিৎসালয়লৈ ঔষধবিলাক যোগান ধৰা হয় । জিলা পশু চিকিৎসালয়ে requirement দিয়ে, সেই অনুপাতে যোগান ধৰা হয় আৰু সেইবিলাক বিতৰণ কৰা হয়। চিকিৎসকৰ ক্ষেত্ৰত তেখেতে কৈছে যে চিকিৎসক বিলাকক কিবা নিদিলে তেওঁলোকে visit নকৰে, manpower ৰ shortage আছিল। আজি কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰীয়ে ১৬১ জন Veterinary Officer নিযুক্তি দিছে। ঠিক তেনেকৈ, VFA ৰো shortage আছিল, সেইখিনিও পূৰণ কৰিবলৈ চেষ্টা হৈছে। তেখেতে যিটো অভিযোগ আনিছে, সেইটো আমি অনুসন্ধান কৰিম আৰু তেনেকুৱা যদি কোনোবাই কৰে, তেন্তে আইন মতে যি ব্যৱস্থা ল'ব লাগে, আমি ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ১৫২- শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও)ঃ** হ'ব, উত্তৰটো দি দিছে। এই সন্দৰ্ভত মোৰ ক'বলগীয়া একো নাই। যি দিছে, সেইটো দায়সৰা উত্তৰ দিছে। কি কৈ থাকিম আৰু, কৈ একো লাভ নাই।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১৫৩- শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, যিহেতু ব্ৰহ্মপুত্ৰৰ ওপৰত অৰুণাচলত Dam বনোৱা হৈছে বুলি কৈছে, তাৰ ফলত আমাৰ ব্ৰহ্মপুত্ৰৰ উপ-নৈ সমূহৰ ওপৰতো প্ৰভাৱ পৰিব বুলি কৈছে। তেনে সময়ত, মাজে মাজে ব্ৰহ্মপুত্ৰৰ পানী বেলেগ নৈৰ লগত সংযোগ কৰা হ'ব বুলি যিখিনি কোৱা হয় তাৰ ফলত আমাৰ ইয়াৰ পাৰিপাৰ্শ্বিকতা আৰু জনজীৱনৰ ওপৰত যে ক্ষতি হ'ব, সেইটো নিশ্চিত। সেই গতিকে, এই ক্ষেত্ৰত যিকোনো এটা কাম কৰাৰ আগত যাতে চৰকাৰে গোটেই stake holder সকলৰ লগত আলোচনা কৰি লয় আৰু তেনে এটা ব্যৱস্থা কৰাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, এই গোটেই ঘটনাটোৰ ক্ষেত্ৰত ২০১২ চনৰ পৰা ৰাজ্য চৰকাৰৰ লগত কোনো communication নাই। এই

ক্ষেত্ৰত মোৰ হাতত যিখিনি তথ্য আছে, মই অকণমান কৈ দিওঁ- ১৯১৯ চনত মাদ্ৰাছ প্ৰেসিডেন্সীৰ মুখ্য অভিযন্তা চাৰ আথাৰ কটনে নদী সংযোগকৰণ ধাৰণাটোৰ প্ৰথমে অৱতাৰণা কৰিছিল। তাৰ পিছত, ১৯৬০ চনত তদানীন্তন ৰাজ্যিক মন্ত্ৰী মাননীয় কে.এল. ৰাওয়ে গংগা আৰু কাবেৰী নদী সংযোগৰ প্ৰস্তাৱ আগবঢ়াইছিল। ১৯৮২ চনত National Water Development Agency স্থাপন কৰা হয়। ২০০২ চনত ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে চৰকাৰক নদী সংযোগকৰণৰ এক পৰিকল্পনা ২০০৩ চনৰ ভিতৰত প্ৰস্তুত কৰি ২০১৬ চনৰ ভিতৰত কাৰ্য্যকৰী কৰিবলৈ নিৰ্দেশ দিছিল। এইটো মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাত হৈ ছিল। ২০০৩ চনত কেন্দ্ৰীয় চৰকাৰে এটা টাস্ক ফৰ্চ গঠন কৰে আৰু কিছু অগ্ৰগতি লাভ কৰিছিল। কিন্তু, অসম চৰকাৰে ২০০৮ চনত এখন চিঠি লিখিছিল যে Feasibility Report বা seriously analysis নকৰিলে এইটোৰ adverse effect হ'ব পাৰে, তাৰ কাৰণে কৰিব লাগে। অধ্যক্ষ ডাঙৰীয়া, ২০১২ চনতেই শেষ চিঠিখন কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিছিল, তাৰ পিছৰ পৰা কোনো ধৰণৰ communication হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ১৫৪- শ্ৰী যাদৱ স্বৰ্গীয়াৰী।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী যাদৱ স্বৰ্গীয়াৰী, (দুধনৈ)ঃ** অধ্যক্ষ মহোদয়, দুধনৈ সমষ্টিৰ দৰংগিৰী কলৰ বজাৰ এছিয়াৰ ভিতৰতে ডাঙৰ বজাৰ। এই বজাৰত সুদীৰ্ঘ দিনৰ পৰা ইয়াৰ কল খেতিয়ক সকলৰ সুবিধাৰ্থে এটা Cold Storage দৰকাৰ হোৱা হেতুকে ইয়াত বিভাগৰ পৰা কিবা সুবিধা আছে নে, বিভাগীয় মন্ত্ৰী মহোদয়ে জনাব নে?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Horticulture বিভাগৰ HMNEHত 50% subsidy ত Cold Storage দিয়াৰ ব্যৱস্থা আছে....interruption.....

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, (সোনাই)ঃ** এইটো ৯০% কৰি দিলে বহুত সুবিধা হ'ব। Society কৰি যদি ৯০% দিয়ে তেতিয়া হ'লে feasible হ'ব। নহ'লে feasible নহয় ...interruption.....

**মাননীয় অধ্যক্ষঃ** Please উত্তৰটো দিবলৈ দিয়ক।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)ঃ** দুধনৈ সমষ্টিৰ দৰংগিৰী কলৰ বজাৰখনৰ উন্নতি সাধন কৰিবৰ কাৰণে, আপোনালোকে জানে যে, চৰকাৰে ইতিমধ্যে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে আৰু .. interruptions ..

**মাননীয় অধ্যক্ষঃ** Question Hour over.

মই সভা স্থগিত প্ৰস্তাৱৰ ন'টিচ পাইছিলো। Admissibility ৰ ওপৰত ক'বলৈ দিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিছো। বিষয়টো যিহেতু গুৰুত্বপূৰ্ণ, সেই বিষয়ত আলোচনা কৰিবলৈ আপুনি সুযোগ দিব বুলি আশা কৰিছো। মহোদয়, আমি সকলোৱে যেতিয়া বিধান সভাৰ সদস্যৰূপে শপত গ্ৰহণ কৰিছিলো, তেতিয়া আমি কৈছিলো যে ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম আৰু গ্ৰহণ কৰিব ধৰা কৰ্তব্য শ্ৰদ্ধাপূৰ্বক নিৰ্বাহিন কৰিম। অৰ্থাৎ - I will bear true faith and arigence to the constitution of India as by Law established that I will awful the sovereignity and intigrity and

that I will faithfully discharge the duty upon which I'm about to enter. মহোদয়, ইয়াতে আমি প্ৰতিজ্ঞা ল'লো যে আমি গনতন্ত্ৰৰ সংবিধান ৰক্ষা কৰিম আৰু যদি সংবিধানৰ অপব্যাখ্যা বা সংবিধান বিপথে যায়, তেতিয়াহ'লে আমি মাত মাতিম। আমাৰ সংবিধান তৈয়াৰ কৰিছিল ড০ আম্বেদকাৰ ডাঙৰীয়াই। তেখেতে কৈছিল যে যদি মই সংবিধানৰ অপব্যৱহাৰ হোৱা দেখা পাওঁ তেন্তে মইয়ে প্ৰথমে ইয়াক জ্বলাই দিম। ঠিক তেনেকৈ তেখেতে কৈছিল যে সংবিধান যিমানেই ভাল নহওক কিয় যিসকলে ইয়াক কাৰ্য্যকৰী কৰি আছে, তেওঁলোক ভাল নহ'লে ই বেয়া প্ৰমানিত হ'ব। সংবিধান যিমানেই বেয়া নহওক কিয়, কাৰ্য্যকৰী কৰা সকল ভাল হ'লে ভাল প্ৰমানিত হ'ব। মহোদয়, এই কথাখিনি আনিবলগা হোৱাৰ কাৰণ হৈছে আপোনাক যিটো Rule 56 ত দিছো - তাত আমি কৈছো যে আমি এটা আলোচনা কৰিব বিচাৰিছো। সাংসদ ৰাহুল গান্ধী ডাঙৰীয়াক তাৎক্ষনিকভাৱে লোকসভাৰ সাংসদৰ পদ খাৰিছ কৰা হ'ল আৰু এই ক্ষেত্ৰত আমি ভাৱো সংবিধানত যিখিনি বিধি দিয়া আছে, সেইখিনি যদিহে খেলিমেলি হয়, তেতিয়াহ'লে ইয়াৰ interpretation দিব লাগে Supreme Court of India ই আৰু Supreme Court of India ৰ interpretation টো Law maker সকলেও সংবিধান সলনি হ'লে মানি ল'ব লাগে যেতিয়ালৈকে সেই বিধিখন ভাৰতৰ সংবিধান বা ভাৰতৰ law হয়। এইক্ষেত্ৰত আমি দেখা পালো যে ৭ ফেব্ৰৱাৰী তাৰিখে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱত কিছুমান প্ৰশ্ন শুধিছিল আমাৰ দলৰ নেতা ৰাহুল গান্ধী ডাঙৰীয়াই অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক সম্পৰ্কে। তেখেতে এটা কথা উল্লেখ কৰিছিল যে আমাৰ দেশৰ ৯৮ জন মানুহেই দেশৰ ৫৫ কোটি মানুহৰ সমান সম্পদৰ গৰাকী। ঠিক তেনেকৈ ১৪২ জন মানুহৰ সম্পত্তি ২৩ লাখ কোটি টকা আছিল ৮ বছৰ আগত আৰু এতিয়া সেইখিনি ৫৬ লাখ কোটি টকালৈ গৈছে। আমাৰ যিটো Directive Principle of State Policy ত আছে যে আমি আমাৰ সকলোৰে মাজত সম্পদৰ সমবিতৰণ হ'ব লাগে ইয়াৰ পৰিগ্ৰন্থি। সেইগতিকে সংবিধানৰ এনেকুৱা ধৰণৰ কিছুমান কথা আমাৰ চৰকাৰখনৰ কাৰ্য্যকালত হোৱা নাই এই কথাখিনি তেখেতে কৈছে।

দ্বিতীয়তে, তেখেতে লণ্ডনলৈ গৈছিল আৰু তাত কিছু বক্তৃতা দিছিল আৰু সেই বক্তৃতাৰ বিষয়টোলৈ কথাখিনি আহিছিল যে তেখেতে ভাৰত বিৰোধী বক্তৃতা দিছে। সেই বিষয়ত তেখেতে লোকসভাৰ অধ্যক্ষক সাক্ষাৎ কৰি কৈছিল যে সংসদত কথা কোৱাটো সকলো সাংসদৰ অধিকাৰ। গতিকে মই যাতে আত্মপক্ষৰ সমৰ্থণ কৰিব পাৰো সেইগতিকে মোক কিছু কথা ক'বলৈ দিয়ক। এই কথাখিনি কোৱাৰ পিছত তেখেতক সেই সুযোগ নিদিয়াকৈ ২০১৯ চনৰ এটা গোচৰৰ ভিত্তিত ৰাহুল গান্ধী ডাঙৰীয়াৰ সদনৰ পৰা সদস্যৰ পদ খাৰিছ কৰা হ'ল। এই কেচটো আছিল ২০১৯ চনত কোলাৰত দিয়া এটা ভাষণৰ বাবে। এখেতে তাত ভাষণত কেইজনমান ব্যক্তিৰ নাম উল্লেখ কৰিছিল। মই সেই নামকেইটা এতিয়া উল্লেখ নকৰো। ৰাহুল গান্ধী ডাঙৰীয়াই তেখেতসকলক চোৰ বুলি কৈছিল আৰু চোৰ বুলি কোৱাৰ কাৰণে এজন ব্যক্তি, যিজনৰ নাম উল্লেখ কৰা নাছিল তেখেতে ক'লে যে আমাৰ সম্প্ৰদায়টোক চোৰ বুলি কৈছে। সেইগতিকে এটা defamation case হ'ব লাগে। তাৰ পৰৱৰ্তী সময়ত ২০২১ চনত তেওঁ পুনৰ গুজৰাট হাইকোৰ্টত আৰ্জি দিলে যে কেচটোৰ শুনানি হ'ব নালাগে আৰু এই ফেব্ৰুৱাৰী ৭ তাৰিখৰ ৰাষ্ট্ৰপতি ডাঙৰীয়াৰ ধন্যবাদসূচক প্ৰস্তাৱৰ বক্তব্য আৰু তাৰ পৰৱৰ্তী সময়ত লণ্ডনত ৰখা তেখেতৰ বক্তব্যৰ পৰৱৰ্তী সময়ত তাৎক্ষনিকভাৱে কেচটো উঠাই লোৱা হ'ল ফেব্ৰুৱাৰী মাহত আৰু মাৰ্চ মাহত জাজমেন্ট দিয়া হ'ল।

মহোদয়, এই ক্ষেত্রত নিশ্চিতভাৱে ন্যায়পালিকাই ন্যায়পালিকাৰ কাম কৰিব লাগে। কিন্তু ন্যায়পালিকাই যদি ভুলধৰণে কাম কৰে তেতিয়াহ'লে তাত Supreme Court য়ে হস্তক্ষেপ কৰে। মই যদি ইয়াত ৰুলৰ কথালৈ যাওঁ Rule-56 ত আছে যে not more than one such motion, not more than one matter can be discussed in the same motion, the motion must not revive discussion, the matter discussed in the same session, the motion must not anticipate a matter which has been previously anoited for consideration, the motion must not deal with a matter on which a resolution couldnot be move, a motion shall not deal with any matter which is under abjudication by a Court of law, the motion shall not raise a question of privilege, that it must not relate to a matter which is not primarily the concern of the Government of State. মহোদয়, মই কৈছোৱেই যে আমি ভাৰতবৰ্ষ Union of State.সকলোৰে বাবে একে সংবিধান। সেইবাবে আমি সংবিধানখন যাতে ৰক্ষা হয় সেইটো আমাৰ সকলোৰে দায়িত্ব। অসম বিধানসভাত যেনেকৈ সৌ সিদিনা দেশৰ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে কিবাকিবি কোৱাত BBC ৰ বিৰুদ্ধে আমাৰ opposition ত এটা প্ৰস্তাৱ গৃহীত হ'ল। ঠিক তেনেকৈ আমাৰ দেশৰ সংবিধানখন ভালধৰণে যাতে সকলোৰে গ্ৰহণ কৰে তাৰবাবে আমি আলোচনাৰ যোগেদি এটা প্ৰস্তাৱ লোৱাটো বিচাৰোঁ। এইক্ষেত্ৰত constitutional validity of section 499 and 500 of the ITC, Section 199 of CRPC,I feel this Subramanian Swamy v.Uninion of India in 2016 by a 3 judge bench. ইয়াত উল্লেখ কৰিছিল যে Subramanian Swamy ৰ কেচটোত যে চোৰক চোৰ বুলি ক'লে সেইটো defamation নহয়। আমি সকলোৱে জানো যে যি দুজনমানৰ নাম কৈছে তেখেতসকলৰ আজি red corner notice, CBI আদি সকলোৱে বিচাৰি আছিলে। ভাৰতৰ পৰা তেওঁলোকে পলায়ন কৰিছে বেঙ্কৰ পইচা লুণ্ঠন কৰি। গতিকে তেওঁলোকে চোৰ কৰিছে যিহেতু তেওঁলোকৰ ক্ষেত্ৰত defamation আহিব নালাগিছিল।

ঠিক তেনেকৈ আন এটা কেচ আছিলে Khushboo v. Kanniammal case 2010 চনত, এই ক্ষেত্ৰতো কোৰ্টে কৈছিল যে there was no prima facie case of defamation. The Court held that there was neither any intent or part of the applaint Khushboo to cause harm to the reputation of complainance. More importantly the bench further reason that complainant could not be properly described as persons aggrieved within the meaning of section 199 of CRPC.যিজন মানুহে complain দিছে তেওঁৰ বিষয়ে যিহেতু উল্লেখ কৰা হোৱা নাই সেইগতিকে এইটো illegal বুলি Supreme Court য়ে ২০১০ চনত কৈছে - Can't constitute a readily identiful group of people, যিটো OBC বুলি কৈছে। Rahul Gandhi's remark was not directed at the complainant in this case. এইটো তেনেকুৱা এটা কথা। ঠিক তেনেকৈ Purnesh Modi ৰ যিটো case, এই ক্ষেত্ৰত Subramanian Swamy ৰ মই যিটো ক'লো para-172 আৰু Khushboo ৰ কেচটোৰ কথাখিনিও জড়িত হৈ থাকে। Khushboo ৰ কেচটোত কোৱা হৈছিল যে ques-

tion caused to the accused was made the subject of this complaint in this Surat case a having injured the reputation of the complainant who was not intended. Complain কৰা মানুহজনক তাত উল্লেখ কৰা হোৱাই নাই। ঠিক তেনেকৈ section 202 এটা আছে, যদি অন্য এখন দেশ বা ৰাজ্যত এটা কেচ হয়, অন্য এখন ৰাজ্যত সেইটো ল'বলগা হ'লে তাৰ local magistrate ৰ পৰা সেইখিনি paragraph 197 ত আছে, তেওঁ কৈছিল - The magistrate has also to keep in view language employed in section 202 CRPC which stipultes resident of the accused at a place beyond the area in which magistrate exercises his jurisdiction.This is not clear.এই ক্ষেত্ৰত ২০২ টো লোৱা হ'লনে নাই সেইটোও কৰা হোৱা নাই। ঠিক তেনেকৈ লোকসভাৰ secretariat য়ে যেতিয়া notification খন দিলে সেই ক্ষেত্ৰত Chief judicial magistrate's Court in Surat, তেওঁলোকে কিন্তু sentence টো দিলে যদিও তেওঁক এমাহৰ সময় দিছিল আৰু সেই এমাহৰ ভিতৰত apeal কৰাৰ সুযোগ আছিল। সেই সুযোগটো নিদিয়াৰ বিষয়ে Supreme Court য়ে যোৱাবছৰ সমাজবাদী party leader Ajam Khan ক উত্তৰ প্ৰদেশ চৰকাৰে যেতিয়া disqualify কৰিছিল সেই কেচত Supreme Court bench led by Chief justice of India Dy Chandrachur on November 9 last year was critical of the speed in which he was disqualified by the Assembly. ইমান speed ত কৰাৰ কাৰণে, judgement ঘোষণা হোৱাৰ এদিনৰ পাছতে Ajam Khan ক তেওঁলোকে disqualify কৰিছিল আৰু তেনেধৰণে আমাৰ ৰাহুল গান্ধী ডাঙৰীয়াকো কৰা হৈছে। সেইকাৰণে Supreme Court য়ে এনেকুৱা ধৰণৰ সিদ্ধান্তবিলাক critically লৈছে। Referring to some other cases where disqualification of law maker were done belatedly. The Bench said that you can't pick and choose people and favour granting of oppourtunity to Khan.তাতে এজন মন্ত্ৰী আছিল তেখেতৰ ৩ বছৰ কাৰাদণ্ড হৈছিল আৰু তেখেতৰ disqualification বহুদিনৰ পিছত কৰা হৈছিল। এমাহ, দুমাহ তেখেতক মন্ত্ৰী হৈ থাকিবলৈ দিলে। আগতে এজন গুজৰাটৰ মন্ত্ৰী যেতিয়া আমাৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী তাৰ মুখ্যমন্ত্ৰী আছিল তেতিয়া তেখেতক ৩ বছৰ মন্ত্ৰী সভাতে ৰাখিলে ১০ বছৰ জেইল হোৱাৰ পাছতো। গতিকে আমি যিটো কৈছো যে সংবিধানখন সকলোৰে বাবে হ'ব লাগে। ইয়াত কোৱা হৈছে যে এনেধৰণে কৰাৰ বাবে চুপ্ৰিম কোৰ্টে উদ্বেগ প্ৰকাশ কৰিছে । গতিকে প্ৰমাণ হয় যে যিখিনি কথা ৰাহুল গান্ধী ডাঙৰীয়াই কৈছিল এই কথাখিনিৰ পৰৱৰ্ত্তী সময়ত লণ্ডনত কোৱা বক্তব্যখিনি শুনাব বিচাৰিছিল জনগণক যাতে তেওঁৰ ওপৰত থকা সন্দেহ নাইকিয়া হয় । আৰু এইবিলাক সুযোগ নিদি সংবিধানৰ যিখিনি প্ৰভিজন সেইখিনি নষ্ট কৰা হৈছে চক্ৰান্তমূলকভাবে আৰু আমি যিহেতু ভাৰতৰ অংগৰাজ্য, আমি ভাৰতৰ সংবিধানক বিশ্বাস কৰো ,আমাৰ ৰাজ্যত যাতে এনেকুৱা নহয়,আলোচনাৰ যোগেদি আমি ভাৰতৰ ৰাষ্ট্ৰপতি মহোদয়লৈ এটা প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে যাতে আইনৰ চকুত সকলো সমান হ'ব পাৰে আৰু আমি সকলো বিৰোধী দলৰ বাবে সংবিধানৰ এটা গুৰুত্ব আছে । সংসদত বা বিধানসভাত চৰকাৰক আমি অনুসৰণ কৰাই নহয় আমি প্ৰতিক্ৰিয়া, প্ৰশ্ন আৰু ইয়াৰ সমিতি, সংসদৰ বাহিৰত, সংবাদ মাধ্যমত আমি নিৰিক্ষণ কৰিব লাগে আৰু চৰকাৰক সংবেদনশীল কৰি ৰাখিব লাগে । ই আমাৰ অধিকাৰ আৰু

ইয়াৰ দ্বাৰা আমাৰ সংবিধানখন সুৰক্ষিত হয়। সেই গতিকে আমাৰ সংবিধানত বিৰোধীক গুৰুত্বপূৰ্ণ ভূমিকা দিয়া হৈছে । কিন্তু যিখিনি কাম কৰা হৈছে যে বিৰোধীমুক্ত ভাৰত, কংগ্ৰেছমুক্ত ভাৰত ইয়াৰ যোগেদি সংবিধানৰ মূল স্পিৰিটটোকে ধ্বংস কৰিব বিচৰা হৈছে । সেই গতিকে আমি যিটো প্ৰস্তাৱ আনিছো , এই প্ৰস্তাৱটো আমাৰ সকলোৰে বাবে , বিধান সভাৰ মৰ্য্যদাৰ বাবে , সংবিধানৰ মৰ্য্যদাৰ বাবে আমাৰ সকলোৰে বাবে গুৰুত্বপূৰ্ণ আৰু যিখিনি কনডিশ্যন হ'ব লাগে আৰু গোটেইখিনি কনডিশ্যন ইয়াতে মেৰিট কৰিছে , এই কেচটোৰ জাজমেন্ট হৈছে , ইয়াৰ এপিল হোৱা নাই এতিয়ালৈকে আৰু আমি ইয়াৰ প্ৰস্তাৱ ল'ব পাৰো যিহেতু আমি সংবিধান ৰক্ষা কৰিব লাগিব বুলি প্ৰস্তাৱ লোৱাত কাৰো আপত্তি নাথাকিব নিশ্চয় শাসক পক্ষৰো নাথাকিব। তেনেকৈ আগতে আলোচনা হোৱা নাই । সেই গতিকে অধ্যক্ষ মহোদয় আপোনাৰ অনুমতি আশা কৰি আমাৰ বক্তব্য ৰাখিছো ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল চি এম ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পাৰ্টিৰ পৰা এডমিনিচিপ্লিটিৰ ওপৰত দুজনে কয় এনেকুৱা নিয়মতো হাউচত নাথাকে ।

**মাননীয় অধ্যক্ষ ঃ** মোৰ ইয়াত নোটিচ আছে, একেবাৰে চৰ্টকৈ কওক ।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মই এডমিনিচিপ্লিটিৰ গ্ৰহণযোগ্যতাৰ ওপৰতহে ক'ম অধ্যক্ষ মহোদয়। আজি ফাৰ্ষ্ট চেক্ৰেটেৰী মই আছিলো । অধ্যক্ষ মহোদয়, ৰাহুল গান্ধী ডাঙৰীয়াৰ সন্দৰ্ভত, খাৰিজ কৰা সম্পৰ্কত যিখিনি কথা আমাৰ দলপতিয়ে দাঙি ধৰিলে সেইখিনিৰ লগত মই একমত। মই কেৱল স্পেচিফিকেলী এডমিনিচিপ্লিটিৰ ওপৰত কিয় আজি আলোচনা কৰিব লাগে সেই কথাখিনি তথ্যসহকাৰে দাঙি ধৰিবলৈ চেষ্টা কৰিম । মাননীয় অধ্যক্ষ মহোদয়, ৰাহুল গান্ধী ডাঙৰীয়াৰ সাংসদ পদ অগণতান্ত্ৰিকভাৱে খাৰিজ কৰা সম্পৰ্কত দুটা চাইড আছে । এটা হ'ল আইনী দিশ আৰু এটা ৰাজনৈতিক দিশ । আইনী দিশটো অধ্যক্ষ মহোদয় আমি আইনগতভাৱে যুঁজিম। কিন্তু ৰাজনৈতিক দিশ যিটো আমি গণতন্ত্ৰক ধ্বংস কৰা বুলি আমি আনিছো সেই কথাখিনি কিহৰ আধাৰত আমি আলোচনা কৰিম । আমি ৰুলচ অফ প্ৰচিডিওৰ কনডাক্ট অফ বিজিনেছ- আচাম লেজিছলেটিভ এচেমব্লী - তাত যিটো মোশ্যন ফৰ এডজৰ্নমেন্ট অন এ মেটাৰ অফ পাৱলিক ইম্পোৰ্টেন্স আছে - ৫৭ ত স্পেচিফিকেলী লিখা আছে যে - Right to move the adjournment of the Assembly for the purpose of discussing a definite matter --এইটো আমি ডেফিনিট মেটাৰ আনিছো -- of urgent public importants গোটেই ভাৰতবৰ্ষত এটা হুলস্থূলীয়া পৰিবেশ সৃষ্টি হৈছে - shall be subject to the following restrictions namely not more than one such pushing shall be made at the same sitting , আমি এইবাৰ যি চিটিং কৰিছো তাত এই বিষয়ে কোনো আলোচনা হোৱা নাই । গতিকে ৫৭ (১) লেখা আছে যে not more than one such motion shall be made at the same sitting -দ্বিতীয়তে, দুই নম্বৰত লেখা আছে not more than one matter can be discussed on the same motion and the motion must be restricted to the spesific matter of recent occurence-এইটো অধ্যক্ষ মহোদয় ৰিচেন্ট অকাৰেন্স - এইটো ডেফিনিট urgent public imporance- গতিকে Rules of procedure and conduct of Business in Assam Legislative Assembly- যিটো প্ৰভিজন আছে - motion for the adjournment of the matter on public

importance---এইটো আলোচনা কৰিবলৈ দিব লাগে । ইয়াত স্পষ্টকৈ লিখা আছে আৰু সেই ৰুলটোয়ে আমি আজি আনিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি ৰুলচ আনিছো, ইয়াত বহিছো এই গোটেই কথাখিনি হ'ল আমাৰ সংবিধানৰ ভিত্তিত দি কনষ্টিটিউশ্যন অফ ইণ্ডিয়া । এই ডিচকোৱালিফিকেশ্যনৰ বাবে যিটো আলোচনা কৰিছো অধ্যক্ষ মহোদয়, তাত আমাৰ সংবিধানে কি কৈছে, সংবিধানৰ ১৪২ নং পেজত ১০৩ ত লিখা আছে ।

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ)ঃ** অধ্যক্ষ মহোদয়, একেখিনি কথাকে কৈ আছে , আমি বুজি পোৱা নাই নেকি ? বিৰোধী দলৰ দলপতিয়ে ইতিমধ্যে কৈছে ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, প্লিজ- বহক । --- আপুনি কওক ।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, তাত কনচটিটিউশ্যনে কি কৈছে- কনচটিটিউশ্যনৰ ১৪২ নং পেজত ১০৩ ত লিখা আছে ।-The decission of questions as to dis-qualification of member ইয়াত এক ত লিখা আছে-if any question arises as to whether an member of either house of Parliament has become subject to any of the disqualification motion mention in clause - 1 of article 102 the question shall be reffered for the decision of the president and his decision shall be final. ১০৩ ৰ ২ তলিখা আছে report giving any decision on such question the president shall obtained the opinion of the election commission and shall act according to such opinion. আমাৰ খৰখেদাকৈ যিটো খাৰিজ কৰাৰ ৰাজনৈতিক সিদ্ধান্ত ল'লে নিয়মমতে এই সংবিধানৰ ক্লজমতে-- মহামান্য ৰাষ্ট্ৰপতিয়ে এই গোটেই কথাখিনি নিৰ্বাচন আয়োগৰ লগত আলোচনা কৰিব লাগিছিল। আলোচনা কৰি লোকসভাৰ চেক্ৰেটেৰিয়েটত জনাব লাগিছিল। মহামান্য ৰাষ্ট্ৰপতিয়ে তাৰ পিচত সিদ্ধান্তটো ল'ব লাগিছিল। এই গোটেই পদ্ধতিটো ইমান খৰ খেদাকৈ কৰা হ'ল যিটো আমাৰ দলপতিয়ে কৈছে যে, ৰাহুল গান্ধী ডাঙৰীয়াক কণ্ঠৰোধ কৰিব লাগে, ৰাহুল গান্ধী ডাঙৰীয়াক কথা ক'ব দিব নালাগে । পাৰ্লিয়ামেন্টত আহিলে এনেকুৱা কটাক্ষ দিয়ে যেন ৰাইজে জানিব-- এই কথাখিনি মই ৰাখিলো অধ্যক্ষ মহোদয়, গতিকে এই কথাখিনি আমাক আলোচনাৰ কাৰণে দিব লাগে যিহেতু এইটো অতি গুৰুত্বপূৰ্ণ । এই খিনি কথা আমি নিয়ম অনুযায়ী আপোনাৰ ওচৰত ৰাখিলো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এডমিনিচিপ্লিটিৰ ওপৰত আপুনি ক'ব দিছে সেই কাৰণে আমি আপত্তি কৰা নাই কিন্তু আমাৰ বিধান সভাত it is a unpreceedented that we are expressing opinion on judicial verdict, So এইটো আনপ্ৰিচিডেন্টেড । কালিয়ে এ এল পিত ডিচিশ্যন হৈছে মই জানো যে হুলস্থূল হ'ব। কিন্তু এনেকৈ নহ'ব ....।

---হুলস্থূল ---

**মাননীয় অধ্যক্ষ ঃ** প্লিজ- প্লিজ-- শুনক । হুলস্থূল নকৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** বিৰোধী দলৰ দলপতিয়ে কৈ থাকোতে আমি মতা নাই । এতিয়া আপোনালোকে কিয় মাত দিছে, মোক ক'বলৈ দিয়ক।

হুলস্থূল --- বাদ -বিবাদ

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সদনত LOP য়ে কওঁতে আমি শুনি আছো। আমি মনে মনে আছোঁ, আমাৰ বিধায়ক সকলক বহিবলৈ দিছোঁ।

**...হুলস্থূল..**

**মাননীয় অধ্যক্ষ ঃ** বহক না, তেখেতক কবলৈ দিয়ক না। আগতে হুলস্থূল কৰিম বুলি সিদ্ধান্ত লৈছে মোৰ কব লগীয়া একো নাই। নাই যদি বহক। কবলৈ দিয়ক। কবলৈ নিদিলে সিদ্ধান্ত দি দিম। Leader of House য়ে কৈ আছে, এইখিনি শুনাৰ প্ৰজ্ঞা থাকিব লাগিব। শ্লোগান দিব নালাগে। poster show কৰিব নালাগে। আন্দোলন কৰিব নালাগে। আপোনালোকে বহক। হাউচৰ ভিতৰত পোস্তাৰ নচলে। নিজৰ নিজৰ আসন গ্ৰহণ কৰক।

এতিয়া কাৰ্য্যসূচী ২ নং লৈ যাওঁ। ড০ পৰমানন্দ ৰাজবংশী ডাঙৰীয়া। ৰিপোৰ্ট।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** অধ্যক্ষ মহোদয়, মই মঞ্জুৰী নং ২৬ উচ্চ শিক্ষা, ২৭ কলা আৰু সংস্কৃতি, ২৯ চিকিৎসা শিক্ষা, ৬৯ বিজ্ঞান, কাৰিকৰী আৰু বতৰ পৰিবৰ্তন, ৭১ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা, ৮০ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি সম্পৰ্কত অসম বিধান সভাৰ বিভাগীয়ভাৱে সম্বন্ধ থকা স্থায়ী সমিতি (শিক্ষা) বিত্তীয় বৰ্ষ ২০২৩-২৪ ৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীভূবন পেগু।

**শ্ৰীভূৱন পেগু, (মাজুলী) ঃ** Sir, I beg to present the Reports of the Departmentally Related Standing Committee on Work Departments, Assam Legislative Assembly for the year 2023-2024 as follows:

24th Report under Grant Nos.17,33,44 & 64 relating to Public Works Department. 25th Report under Grant Nos. 30 & 44 relating to Public Health Engineering Department. 25th Report under Grant Nos. 63 & 44 relating to Water Resources Department. 20th Report under under Grant Nos.6, 7, 41, 72 relating to Revenue & Disaster Management Department, 24th Report under Grant Nos. 49 & 44 relating to Irrigation Department. 24th Report under Grant Nos.31, 32,34,44 & 73 relating to Housing and Urban Affairs Department. 20th Report under Grant No.16 relating to Information, Public Relations, Printing & Stationery Department. Thank you.

**মাননীয় অধ্যক্ষ ঃ কাৰ্য্যসূচী নং - ২** এতিয়া শ্ৰীগোবিন্দ বসুমতাৰী ।

**Shri Gobinda Chandra Basumatari(Udalguri) : Hon'ble Spaker Sir, I beg to present the following Reports of the Departmentally Related Standing Committee on Development (A) Departments.**

**<u>The Reports are</u> :**

1. Twentieth Report of Exicise Department, Grant No. 8.

2.Twenty Fifth Report on Transport Department, Grant No.9.

3.Twentieth Report on General Administration Department Grant Nos. 12 & 21.

4. Twenty Fifth Report on Food and Civil Supplies Department Grant Nos. 37 & 46.

5.Twenty Fifth Report on Tribal Affairs (Plains) Department Grant No.38.

6.Twenty Fifth Report on Women Child and Development Department, Grant No.39.

7. Fist Report on Social Justice and Empowerment Department Grant No.40.

8. Twenty Fifth Environment and Forest Department, Grant No. 55.

9. Twenty Fifth Report on Industries and Commerce & Public Enterprise Department, Grant Nos. 58 & 60.

10. Twenty Fifth Report on Mines and Minerals Department, Grant No. 61.

11. Twenty Third Report on Power (Electricity), Department, Grant No. 62.

12. Twentieth Report on Sports & Youth Welfare Department, Grant No.74.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ২০২৩-২৪ বৰ্ষৰ বিভাগীয় ভাৰে সম্পৰ্কীত স্থায়ী সমিতি উন্নয়ন (খ) বিভাগৰ তলত উল্লেখিত প্ৰতিবেদন সমূহ যথাক্ৰমে ঃ

১) মঞ্জুৰী নং-৪৮ আৰু ৬৭ কৃষি উদ্যান শস্য বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

২) মঞ্জুৰী নং- ৫৬ আৰু ৫৭ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো

৩) মঞ্জুৰী নং- ৫৯ হস্ততাঁত, বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

৪) মঞ্জুৰী ন ং- ৫৪, মীন বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

৫) মঞ্জুৰী নং- ৫২ আৰু ৫৩ পশুপালন ও পশু চিকিৎসা বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত

দাখিল কৰিলো।

৬) মঞ্জুৰী নং- ২৯ স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

৭) মঞ্জুৰী নং- ৪৩, সমবায় বিভাগৰ ২৫ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

৮) মঞ্জুৰী নং -৩৬ শ্ৰম আৰু নিয়োগ বিভাগৰ ২০ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

৯) মঞ্জুৰী নং -৫১ ভূমি সংৰক্ষণ বিভাগৰ ২০ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

১০) মঞ্জুৰী নং- ১৪, ১৫, ১৮ আৰু ২০ গৃহ বিভাগৰ ২০ তম্ প্ৰতিবেদন মই সদনত দাখিল কৰিলো।

Hon'ble Speaker : The House is Adjourned for 15th Minutes.

**মাননীয় অধ্যক্ষ মহোদয়ে সদনৰ কামকাজ পুনৰ ১১-২৫ বজাৰ পৰা আৰম্ভ কৰে।**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ replyটো বাকী আছে। Adjournment Motion ৰ ওপৰত ।

**মাননীয় অধ্যক্ষ ঃ** ক'ব পাৰে ।

(বিৰোধীপক্ষৰ সকলো সদস্যই ঠিয় হৈ সদনত হুলস্থুল কৰে)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ replyটো হ'বই। ৰাতি দুই বজাত হ'লেও হ'ব। এইটো কোনেও ৰাখিব নোৱাৰে। ধৈৰ্য্য ৰাখিব লাগিব ৰাতি দুটাত হলেও reply হ'বই।

(বিৰোধীপক্ষৰ সকলো সদস্যই হাতত প্লে কাৰ্ড লৈ অধ্যক্ষ মহোদয়ৰ আসনৰ সন্মুখত ঠিয় হৈ সদনত হুলস্থুল কৰে)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ কোনো কথাই নুশুনো। reply দিবলৈ দিবই লাগিব। প্ৰধান মন্ত্ৰীৰ কথা ক'ব আৰু আমি ইয়াতে reply নিদিম, প্ৰধান মন্ত্ৰীৰ কথা ক'ব আৰু আমি ইয়াতে reply নিদিম, এনেকুৱা কথা হ'ব পাৰিব নেকি?

(বিৰোধীপক্ষৰ সকলো সদস্যই ঠিয় হৈ সদনত হুলস্থুল কৰে)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মোক replyদিবলৈ দিয়ক। অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰীৰ কথা ক'ব আৰু reply দিয়া নাযাব, এইটো হ'ব পাৰিব নেকি? এইটো নহ'ব।

(বিৰোধীপক্ষৰ সকলো সদস্যই ঠিয় হৈ সদনত হুলস্থুল কৰে)

**মাননীয় অধ্যক্ষ ঃ** বহক, মাননীয় সদস্য সকল বহক, আপোনালোক বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি LOP ৰ কথা শুনিছো। এতিয়া আমাক ইয়াত reply দিবলৈ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে admissibility ৰ ওপৰত কৈছে, মইটো ক'ব দিবই লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মইটো কমেই, এইটো কোনোৱে ৰাখিব নোৱাৰে। ৰাতি তিনিটা বজাত হওঁক, চাৰিটা বজাত হওঁক, পাঁচ বজাত হ'লেও মই reply দিমেই। মইটো উঠিয়েই নাযাওঁ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে admissibility ৰ ওপৰত ক'লে। হাউচত সকলোৱে কথা ক'ব পাৰিব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি আপোনাৰ চিটত যাওঁক, আপুনি যিটো ক'ব খোজে আপোনাৰ চিটত যাওঁক। চিটত গৈ কওঁক।

(সদনত হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান কাপুৰুষ হ'লে কেনেকৈ হ'ব?

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Please,অখিল গগৈ ডাঙৰীয়া আপুনি আপোনাৰ চিটত যাওঁক। চিটত গৈ বহক।

(বিৰোধীপক্ষৰ সকলো সদস্যই হাতত প্লে কাৰ্ড লৈ অধ্যক্ষ মহোদয়ৰ আসনৰ সন্মুখত ঠিয় হৈ slogan দি সদনত হুলস্থুল কৰে)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল, নিজৰ নিজৰ আসনলৈ যাওঁক। নিজৰ নিজৰ আসনলৈ যাওঁক। No slogan, No slogan, No slogan, এনেকৈ নহয়। অখিল গগৈ ডাঙৰীয়া, আপুনি এনেকুৰা কৰিব নোৱাৰে। আপোনাৰ আসনলৈ যাওঁক, অখিল গগৈ ডাঙৰীয়া আপোনাৰ আসনলৈ যাওঁক।

......(সদনত হুলস্থুল)........

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়াক দিনটোৰ কাৰণে Suspension কৰা হ'ল। অখিল গগৈক বাহিৰলৈ লৈ যাওঁক।

.......(সদনত হুলস্থুল)........

**মাননীয় অধ্যক্ষ ঃ** এইখন সদনত নিজৰ শালীনতা নিজে ৰক্ষা কৰিব লাগে। আনৰ ওচৰত আহি তেনেকুৰা ধৰণৰ ব্যৱহাৰ কৰিব নালাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই হাউচত এটা প্ৰস্তাৱ ৰাখিছো যে অখিল গগৈ আৰু কমলাক্ষ দে পুৰকায়স্থক for the rest of the House, expel কৰিব লাগে। ৫ তাৰিখলৈকে expel কৰিব লাগে।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** এইটো সদনৰ বাবে অত্যন্ত দুখজনক যদি সদনৰ কোনো নিয়ম নীতি পালন নকৰে, সন্মানীয় সদস্যসকলে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাউচখনো আন্দোলনত পৰিনত কৰি দিব। এই হাউচত কোনো decorum নাথাকিব। এইখনো আন্দোলনৰ পৰিবেশত যাব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে পুৰকায়স্থ আপুনি নিজৰ আসনলৈ যাওঁক।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে পুৰকায়স্থকো মই দিনটোৰ কাৰণে Suspension কৰিলো। সদনৰ নিয়ম মানি চলক। সদনৰ নিয়মটো মানি চলক।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** জাকিৰ হুছেইন তেখেতকো মই দিনটোৰ কাৰণে Suspension কৰিলো।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** The House adjourned for 20 minutes.

(মাননীয় অধ্যক্ষ মহোদয়ে সদনৰ কামকাজ ২০ মিনিটৰ বাবে স্থগিত ৰাখে)।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডিচএবিলিটিৰ ওপৰত মাননীয়

দলপতি ডাঙৰীয়াই কওঁক আমাৰ তাত কোনো আপত্তি নাই। কিন্তু আৰম্ভণিতে যিটো কথা ক'লে যে যোৱাকালি আমাৰ কংগ্ৰেছ লেজিছলেটিভ এচেম্বলীত তেওঁৰ গুপ্তচৰ কোনোবা আছে। তেওঁৰ কথাখিনি কি হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** সেইটো মই উইদ্ৰ কৰি ললো। মাননীয় অধ্যক্ষ মহোদয়, সদনত সন্মানীয় বিৰোধী দলপতি ডাঙৰীয়াই ৰাহুল গান্ধী ডাঙৰীয়াৰ ডিচকোৱালিফিকেশ্যন আৰু কনভিকশ্যনক লৈ আজি এটা সভা স্থগিত প্ৰস্তাৱ উল্লেখ কৰিছে। সভা স্থগিত প্ৰস্তাৱ কি ধৰণে এই সদনত আলোচনা হয় তাৰ বিষয়ে সম্পূৰ্ণ এটা বিধিবদ্ধ নিয়ম এই হাউচত দিয়া আছে। আমি যদি প্ৰথম হাউচৰ ৫৭ প্ৰভিজন চেপ্তাৰ ১২ লৈকে যাওঁ তেতিয়া হ'লে তাত প্ৰথম কোৱা হৈছে যে - যিকোনো বিষয়, The right to move the adjournment of the Assembly for the purpose of discussing a definite matter of urgent public importance shall be subject to the following restrictions.

Not more than one such motion shall be made at the same sitting.

Not more than one matter can be discussed on the same motion, the motion must not revive discussion on a matter which have been discussed.

The motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given.

The motion must not deal with a matter on which a resolution could not be moved.

The motion shall not deal with any matter which is under adjudication by a Court of Law having jurisdiction.

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত গোটেই কথাটো ক'ৰ পৰা আহিলে যে ভাৰতৰ লোকসভাৰ এগৰাকী সাংসদ ৰাহুল গান্ধী ডাঙৰীয়াই ২০১৯ চনত লোক সভাৰ নিৰ্ব্বাচন চলি থকাৰ সময়ত তেখেতে এটা বিশেষ জাতিক, যি জাতিটো অন্যান্য পিছপৰা জাতিৰ অন্তৰ্ভুক্ত, মই কোৰ্ট কৰিম, এডজেক্ট কথা কেইটা কোৰ্টত মই কোৰ্ট কৰিম। মই নিজৰ কথা একো নকওঁ। তাত কোৱা হৈছিল যে সব চোৰ এই কমিউনিটিৰ পৰাই কিয় আহে।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোৰ্টৰ চাইডটোতো আমি আলোচনা নকৰো বুলি কৈছিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই যোৱাই নাই।

...............সদনত হুলস্থুল..................

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি কথা ক'ব পাৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাদয়, তেতিয়া এই বক্তব্যৰ ওপৰত ক্ষুণ্ণ হৈ মই আগতেই কৈছো যে যিটো কমিউনিটি তাৰ মই নাম ল'ব খোজা নাই। খালী sufficient to say that community belongs to other backward class আৰু অসমতো যথেষ্ট OBC ৰ মানুহ আছে। আনকি আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াও OBC সম্প্ৰদায়ৰ

মানুহ। মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া কোৰ্টত মই যথেষ্ট সন্মান সহকাৰে কৈছো যে আমাৰ এই হাউচত এটা পৰম্পৰা আছে যে এল ও পি য়ে কথা ক'লে আমি নুঠো আৰু আমি কোনেও উঠা নাছিলো। মাননীয় বিধায়ক শ্ৰী দিগন্ত কলিতা উঠোতেও মই বহাই দিছিলো। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া এই ক'লাৰৰ ইলেকশ্যন মিটিঙত ৰাহুল গান্ধী whether I don't know what is the context but he has clearly said that why allegations comes only against the title or the community of this particular community or the particular title. Then agreed by that I am just giving the back ground মই কোনো কমেণ্ট কৰা নাই।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কোনো কমিউনিটিৰ কথা উল্লেখ কৰা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহাদয়, agreed by that Purnesh Modi has file an application before the Chief judicial Magistrate Surat, Court, we all know we respect judiciary we do not criticise a judicial verdict. What High Court has withdrawn, how High Court has pass order. Normally this Augst House do not discussed. Because otherwise every thing we have to discuss from tomorrow. Now and that Court is not of Assam also. We do not have any jurisdiction. Now, Surat Court after hearing both the parties and in presence of Shri Rahul Gandhi announced a verdict that he has been imprisoned for two years in presence Shri Rahul Gandhi pronounced a verdict that he has been imprisoned for two years দুবছৰৰ কাৰণে তেখেতক কাৰাদণ্ড বিহা হ'ল, মাননীয় অধ্যক্ষ মহোদয়, Now, the Leader of the Opposition যিটো বক্তব্য হ'ল হাউচত যিটো adjournment motion সুধিলে Are you disagree the judgment , yes we may be disagreed with the judgment . Now, what the judge has done, the judge has said that you have been enlarged on bail and you have one month to appeal. Now, judge was feared and before pronouncement of the judgment, judge জনে ৰাহুল গান্ধীক সুধিছিলে তুমি apology render কৰিবা নেকি, He has said, I am not going to render the apology, neither he has said that my allegation is only against two or three individual, he has not said any thing, neither he has put any thing of records, the learned judge after hearing both the parties after giving detailed opportunity to Rahul Gandhi he has passed a judgment. It may be right , it may be wrong. This is for the High Court and Session Court now to decide, tomorrow it may have the judgment could have been set aside or judgment can be up hold. Now, it is house, are you going to discuss a judgment passed by a court in Gujarat. So the was my first objection that whether we can discuss that issue

that judgment render by a court in Surat can be discussed in Assam Assembly because this court is not only from Assam অসমৰ কোৰ্ট নহয় and it is not an ex parte order.The order has been passed after hearing the both the parties. Now, Hon'ble Speaker Sir, let us come to the disqualification. This has a history মই আপোনালোকক যদি ক'ব যাঁও এইটো এটা এনেকুৰা দুখ লগা ইতিহাস যিটো ইতিহাস শুনিলে আপোনাৰো মন সেমেকি উঠিব। Our representatives of the peoples Act, Section 83 and Section 84, the representatives of the peoples Act Section 83 has said that anybody convicted for two and more years will be disqualified for the prison term of two years and six years more that means সেই ব্যক্তিজন আঠ-দহ বছৰ ডিচকোৱালিফাইড হ'ব এতিয়া মাননীয় অধ্যক্ষ মহোদয়, ঘূৰি আহক 2013 চনলৈ although eight representatives of people act has 83, there was a provision also 84 কি কৈছিল যে কোনোবা এজন যদি বিধায়ক convicted হয় বা কোনোবা এজন বিধায়ক যদি শাস্তিৰ সন্মুখীন হয় যদি সেই তিনি মাহলৈকে শাস্তিটো পোৱাৰ পিছত membership নাযায় that was the law the representative of people of act 84 তাৰ পিছত কি হ'ল in 2013 Hon'ble Justice A K
Patnayak আৰু এজন জাষ্টিচ মই নামটো exactly মই আপোনালোকক ক'ব পাৰিম Justice AK Patnayak and another judge, they given a verdict 10th July, 2013কেচটো কি আছিল that was a famous case of Lily Thomas Vs Union of India with Lok Prahari that was the case , in that case the Court has given a judgement that section 84 is unconstitutional. The Supreme Court of India has said that, if there is anybody who has been convicted disqualification will happen at once disqualification with immediate effect , this is the judgement of Justice Patnayak and another brother judges in 2013 Lily Thomas Vs Union of India with Lok Prahari এতিয়া মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ উচ্চতম ন্যায়ালয় Justice PatNayak আৰু এজন তেওঁৰ brother judge য়ে দিয়া judgement যিটো judgement ত ক'লে যে section 84 of representatives of people act ultra virus unconstitutional অসাংবিধানিক anybody who will be convicted for more than two years will be disqualified at once. এই judgement টো দিছিল Justice Patnayak আৰু এজন Judge মই নামটো চাই আপোনাক জনাম। এই judgement টো দিয়াৰ পিছত rule of the land judgement কি হ'ল যেযদি convicted হয় conviction ৰ পিছত there is no question of giving notice যিটো Leader of the Opposition ক'লে যে Election Commission notice দিব লাগিব।Election Commission য়ে শুনিব লাগিব the court says who is that court Supreme Court of this Nation has said that disqualification will happen at once with immediate effect that is the language সেই সময়ত মাননীয় অধ্যক্ষ মহোদয়, কি

হ'ল to be Failed to that UPA government at that of the point of time Shree Kopil shibal who was the union of the Law Minister he moved that bill on 30 August in Rajya Sabha saying that no, it will Not had effect of immediate effect. He will get the time to appeal তেওঁ ভোট দিব নোৱাৰিব, দৰমহা ল'ব নোৱাৰিব but he will continue to be member of parliament or member of the Assembly. Now who has move the bill this bill was moved by Shree Kopil Sibal the then Law Minister of this nation. Why he move the bill because he wants to distinguish the judgement rendered by the Supreme Court in 10th July 2013. 10th July 2013 ত কি ক'লে যেCourt য়ে যদি Judgement দিয়ে লগে লগে disqualify হ'ব। এতিয়া ভাৰতবৰ্ষত মাননীয় অধ্যক্ষ মহোদয়, We are govern by the rule of law no body question Supreme Court judgement. If we are offended the Supreme Court judgement file a review petition. Now what has been done the Government of India has file a review petition also. That bench has dismiss the review pitition also. ক'লে no the membership will seized to exist from the immediate effect তাৰমানে judgement টো জনাৰ পিছত স্পীকাৰৰ কোনো অৰ্ডাৰ নালাগে, স্পীকাৰে কাকো সুধিব নালাগে। দুবছৰৰ ওপৰত যদি জাৰ্জমেণ্ট হৈছে he will be disqualify at once. Now what happened review was file, review was dismissed by that court after the hearing open court, normally Supreme Court ৰ নিয়ম review pitition Chamber ত শুনে but beacause this was a serious matter justice Patnayak and his colleague decided to hear in the court. Open court ত লগে লগে তেওঁৰ review টো dissmiss কৰি দিলে। Now that state is over. যেতিয়া review টো কৰিলে তাৰ পিছত dismissed কৰিলে, ৩০ আগষ্টত কপিল ছিবাল ডাঙৰীয়াই ৰাজ্যসভাত বিল আনিলে যে he will not be disqualified but he will not draw salary and he will not vote in case there is a voting. ইমানখিনিলৈকে যোৱাৰ পিছত ৩০ আগষ্টত বিলখন চলি থাকোতে ২৪ চেপ্তেম্বৰ U.P. Govt. got an ordinance। কেবিনেটত ordinance pass কৰিলে, ৰাষ্ট্ৰপতি প্ৰনৱ মুখাৰ্জী ডাঙৰীয়ালৈ কেবিনেটৰ পৰা পঠাই দিলে। মনমোহন সিং আছিল প্ৰধানমন্ত্ৰী। মনমোহন সিং ডাঙৰীয়াই প্ৰনৱ মুখাৰ্জী ডাঙৰীয়ালৈকে ordinance খন চহী কৰিবলৈ দি প্ৰধানমন্ত্ৰী মনমোহন সিং ডাঙৰীয়াই আমেৰিকালৈ যাত্ৰ কৰিলে।

ইয়াৰ পিছত ordinance ত লিখা আছিল যে with immediate effect membership টো cancel নহ'ব, তেওঁ ভোট দিব নোৱাৰিব, দৰমহা ল'ব নোৱাৰিব, কিন্তু তেওঁ এজন সংসদ সদস্য হৈ থাকিব পাৰিব। আজি যদি সেই ordinance খন পাছ হ'লহেঁতেন, ৰাহুল গান্ধী ডাঙৰীয়া দুই বছৰ জেল হোৱাৰ পিছতো তেওঁ সংসদৰ সদস্য হৈ থাকিব পাৰিলেহেঁতেন।

Now, what happened on 28 September, Rahul Gandhi call for a press conference আৰু ৰাহুল গান্ধীয়ে press conference ত সম্পূৰ্ণ মানুহৰ সন্মুখতে ordinance খন ফালি পেলালে আৰু ক'লে যে My party does not support this

ordinance.

এতিয়া বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই, he definately belongs to the congress । সেই সময়তে অজয় মাকেন ডাঙৰীয়াই parallely এখন press conference দি আছিল in support of the ordinance। তেতিয়া press য়ে অজয় মাকেনক সুধিলে যে you are in support of the ordinance, but, hundred meter away Rahul Gandhi tear off the ordinance।

গতিকে মই ভাৱো, দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ কাৰণে ৰাহুল গান্ধী তেওঁৰ সৰ্বোচ্চ নেতা। ৰাহুল গান্ধী ডাঙৰীয়াই আধ্যাদেশখন ফালি পেলালে আৰু কলে যে Congress party believe in Supreme Court, কংগ্ৰেছ পাৰ্টিয়ে বিচাৰে that membership should go at once. Justice A.K. Patnaik & Justice S.J. Mukhopadhaya was in the Bench মনমোহন সিং ডাঙৰীয়া আমেৰিকাত আছিল। (মই record ৰ সৈতে কৈছো)।

মনমোহন সিং ডাঙৰীয়া issued a press release যে মই ঘুৰি যাম, ঘুৰি গৈ এই ক্ষেত্ৰত সিদ্ধান্ত ল'ম। গতিকে এই মূহুৰ্তত এই debate টো চলিব নালাগে। ড° মনমোহন সিং ঘুৰি আহিল, ২ অক্টোৱৰত কেবিনেট পাতিলে, কেবিনেটত ড° মনমোহন সিং ডাঙৰীয়াৰ অধ্যক্ষতাত এই বিলখন withdraw কৰি ল'লে আৰু ordinance খনো withdraw কৰি ল'লে।

তাৰমানে, law of the land is now what, যে দুই বছৰ বা তাৰ ওপৰত যদি জেল হয়, সাংসদৰ সদস্য পদ তৎকালীনভাৱে নোহোৱা হ'ব। এই judgement টো nullify কৰাৰ কাৰণে there was a move by Dr. Manmohan Singh but that move was opposed by the very leader for whom today we are fighting. যেতিয়া ৰাহুল গান্ধীয়ে বিচাৰে সাংসদৰ সদস্য পদ তৎকালীনভাৱে নোহোৱা হৈ যাব লাগে, তেতিয়া কংগ্ৰেছৰ বাকী সদস্যসকলে কিয় ইয়াৰ বিৰোধীতা কৰি আছে। Are we opposing Rahul Gandhi, are we saying that he is no longer our leader. This is a Press Conference on 28th September where Rahul Gandhi has said that the Membership should cease to exist at once আৰু নিজৰ চৰকাৰৰ ordinance মানুহে দেখাকৈ ফালি পেলালে for whom today we are fighting. Rahul Gandhi himself said that Membership should cease to exist at once. তেখেতে নিজে বিচাৰে। Today there is a development, Lakhsadeep MP, he was disqualified at once, now, Supreme Court has stayed his order. Speaker has restored his Membership. It is a development of today কালি যদি Rahul Gandhi's sentense is stayed by High Court and Supreme Court, Speaker will take the decision আজি ৰাহুল গান্ধীয়ে নিজে বিচৰা আইন এখনক কংগ্ৰেছৰ বিধায়নী পক্ষই বিৰোধীতা কৰে। মই সেই কাৰণে ACLP ৰ কথাটো আনিছিলো, which I have withdrawn now. আজি কোনোবা এজন মানুহে আপোনাক কব পাৰে যে ইয়াৰ বিৰোধীতা কৰক but was is the public statement of Rahul Gandhi, he is your leader. ড০ মনমোহন সিংৰ দৰে যাক আমি সকলো অসমৰ সাংসদ হিচাপে সন্মান কৰো, মই আগতেও সদনত কৈছো he is a non-controvercial figure ড॰ মনমোহন সিঙে অনা ordinance খন ৰাহুল গান্ধী tear it off in front of full Delhi Media. In five min-

utes, Ajay Makan has said that whatever is the view of Rahul Gandhi is the view of Indian National Congress. এতিয়া মই কিয় ACLP ৰ কথাটো আনিছিলো। ৰাহুল গান্ধীয়ে ordinance ৰ বিৰোধীতা কৰাৰ কাৰণে ACLP য়ে তেওঁক সুধিছিলে নে নাই। মোৰ কাৰণে সেইটো ডাঙৰ কথা নহয়, but Rahul Gandhi য়ে public statement ত বিৰোধীতা কৰাৰ কাৰণে Congress got the authority to ask. মই ভাল পাম যে কংগ্ৰেছৰ democracy আহি গ'ল। কিন্তু আজিৰ দিনত ৰাহুল গান্ধীৰ public statement কি যে যদি সাংসদক কোনোবা কাৰণত আইনে convict কৰে দুই বছৰ আৰু দুই বছৰৰ ওপৰত then his Membership should cease to exist at once. আজি প্ৰধানমন্ত্ৰীৰ কথা কৈছে, ৰাজনীতিৰ কথা কৈছে, এইটো নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বনোৱা নিয়ম নহয়, এই লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বনোৱা নিয়ম নহয়, This is a judgement by Justice A.K. Patnaik and Justice S.J. Mukhopadhaya passed on 10th July, 2013.মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আপুনি কওক will you allow this Assembly to discuss a judgement passed by the Supreme Court of India, will you adjourn this House to discuss or criticise a judgement passed by the Supreme Court of India ? এতিয়া বহুত মানুহে কৈছে Karma hits back on Rahul Gandhi. মই তাত একো ক'বলৈ নাযাও but public Statement is Rahul Gandhi supported the Judgement and he himself ask his party to withdraw the ordinance. আজি ক'লা কাপোৰ পিন্ধি আমি কাক প্ৰতিবাদ কৰি আছো। Are we challanging the Indian Judiciary. আজি Indian Judiciary ক যদি আমি এনেকৈ বিৰোধীতা কৰো, CIB য়ে এৰেষ্ট কৰা নাই, ED য়ে এৰেষ্ট কৰা নাই, This judgement has been passed by a Court in Surat. Can we wear black dress and protest against judgement of the Court? আমাৰ সদনৰ অৱস্থা কি হ'ব, Indian Praliament ৰ কি অৱস্থা হ'ব, কালি যদি মোৰ ওপৰত কোনোবা court তে conviction দিয়ে, Will the BJP MLA wear a black dress and demonstrate? No. We will go to the High Court, we will go to the Supreme Court, we will go to the Session Court. We will never defy judiciary. This trend is not good for Indian Democracy. আজি যিসকলে কৈছে, আমি democracy ৰক্ষা কৰো What do you want? Do you want to criticise Justice Patnaik? Do you want to criticise Justice Mukkhopadhaya or do you want to criticise Justice H. S. Verma of Surat High Court. Now, he may be wrong entirely, there is a judicial process laid down to go to the Session Court. You can go to High Court, you can go to Supreme Court. আজি আমাৰ কাৰণে দুখৰ দিন কেনেকুৱা যে Leader of the Opposition, who is in an Constitutional position তেওঁৰ ঘৰৰ পৰা যদি কলা কাপোৰ পিন্ধি বিধানসভালৈকে procession হয়, to protest agianst he judgement of a Court of Law.

মাননীয় অধ্যক্ষ মহোদয়, মই আশা কৰিম এই কামটো আমি কৰিব নালাগে, সেইজন ৰাহুল গান্ধীয়ে হওক বা যিয়েই নহওঁক কিয় individual is not above law, individual

is subject to a court. কালি ধৰি ললো in a different circumstance কালি যদি Supreme Court তে judgement stay কৰে, একে বিৰোধী দলৰ দলপতিয়ে ক'ব judiciary ভাল বুলি So Judiciary is double aged sword. Sometime you will get judgement in favour, sometime you will get a judgement in favour sometimes we will get a judgment against. Because we will get a judgment against, will we protest? will we come for a adjornment motion? Will we do this kind of things ? ইয়াত যি আমি হুলস্থুল কৰিলো কাৰ কাৰণে কৰিলো। মোৰ যদি মুখেৰে কিবা শব্দ ওলাইছো মইটো ভাল কথা কৈছিলো যে যেতিয়া বিৰোধী দলপতিৰ ঘৰৰ পৰা প্ৰছেশ্বন আহিছে defeniately as a CM I will activate my sources যে এইটো কিয় হ'ল। এনেকুৱা কেতিয়াও হোৱা নাই বিধান সভাত। ৭৫ বছৰ আমি অতিক্ৰম কৰিলো । আমি অমৃৎ মহোৎসৱ উদ্‌যাপন কৰিলো। এই অমৃৎ মহোৎসৱৰ ৭৫ বছৰীয়া অসম বিধান সভাৰ গৌৰৱময় যাত্ৰাত কেতিয়াবা আমি ন্যায়িক ৰায়দানক কেতিয়াবা আমি সমালোচনা কৰিছো নেকি ? And that judicial verdict is also not within the jurisdiction of Caurt of Assam . It has come from the Caurt of Gujrat. আমাৰ কোনো লিংক নাই । আজি মই সকলো বাদ দিছো যে ঠিক আছে অ' বি চি সম্প্ৰদায়ৰ কথা কোৱা নাই। Let me not go into the married but on substance can we opposed what has been laid down by Supreme Caurt? আৰু এই অৰডিনেঞ্চ খন যদি ফালি পেলোৱা ন'হলেহেতেন প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াই টেবুলত অৰডিনেঞ্চ পৰি আছিলে He would have signed and disqualification would not happen today to Rahul Gandhi. আজি আপোনালোকে সিদ্ধান্ত ল'য় আৰু আপোনালোকে লোৱা সিদ্ধান্তৰ কাৰণে প্ৰধান মন্ত্ৰীক আপোনালোকে দোষী সজাব । You will take a decision, you will tear of the ordinance, you will invite disqualification by yourself and you will critisized Prim e Minister, Modi for that. মই সেই কাৰণে অত্যন্ত বিনম্ৰতাৰে সৈতে অনুৰোধ কৰিম We have political deferences, we have our leaders that is a party forum. But Rahul Gandhi has nothing to do it the state of Asam as he might be leader of Congress party. But how Assam Assembly is involved with this. আজি অখিতল গগৈ ডাঙৰীয়াৰ কি হ'ল মই বুজি এ নাপালো । ৰাহুল গান্ধী তেওঁৰ নেতা নেকি ? তেওঁ যদি যদি কংগ্ৰেছত যোগদান কৰিছে মোৰ ক'বলগীয়া একো নাই । কোনো কথা নাই বতৰা নাই হুলস্থুল। এই বিধান সভাখনতো জপিওৱা ঠাই নহয় । আজি এটা সভাস্থগিত প্ৰস্তাৱ আনিছে বিৰোধী দলপতিয়ে it has been seconded by the Deputy Leader of the Opposition. Leader of of the House has right to reply. তাৰ পিছত অধ্যক্ষৰ মন্তব্য আহিব You may not right the judgment you oppose it. কিন্তু কথা ক'ব নিদিয়া এইটো পৰম্পৰা কৰ পৰা আহিল । এইটো হাউচত চৰকাৰী পক্ষক বিৰোধীয়ে ক'ব নিদিয়ে । বিৰোধীয়ে চৰকাৰী পক্ষক কথা ক'ব যদি নিদিয়া হয় সেইটো কেনেকৈ হ'ব পাৰে । আমিটো উত্তৰ দিব লাগিব । আপোনালোকে যদি কালি প্ৰশ্ন শুধিলে বা বিৰোধী দলপতিয়ে প্ৰশ্ন শুধিলে আমি আমাৰ মানুহক লগাই দিলো যে হুলস্থুল কৰ উত্তৰ নিদিওঁ। এইটো হ'ব নোৱাৰে । Assembly must run for the interest of

the opposition. we will come later. আমিটো নাহিলে হৈ যাব আপুনি হুলস্থুলৰ মাজত কাটমোচন পাছ কৰি দিয়ক, হুলস্থুলৰ মাজত প্ৰশ্ন কৰি দিয়ক, মইটো ঘৰৰ পৰা ইয়াত আহিবই নালাগে। অধ্যক্ষ মহোদয় মই আপোনাক অত্যন্ত বিনম্ৰতাৰে সৈতে অনুৰোধ কৰিম Lear of Opposition has raise this মই একো ক'বলগীয়া নাই কিন্তু এই বিষয়টো উচ্চতম ন্যায়ালয়ৰ ৰায় । চুপ্ৰীম কৰ্টে কৈছে যে- disqualification will happens at once. গতিকে মই দেৱব্ৰত শইকীয়াৰ লগত সুৰ মিলায় কৈছো যে ভাৰতৰ সাংবিধানিক ৰক্ষা কৰাৰ কাৰণে উচ্চতম ন্যায়ালয়ৰ কোনো ৰায়ৰ ওপৰত এই সদনত আমি আলোচনা কৰিব নালাগে unless it is involeve with the State policy. We will not discuss anything. আজি আমাৰ সদনত যদি উচ্চতম ন্যায়ালয়ৰ judgement and the judgement was actually supported by Rahul Gandhi in 2013, we sould not discuss it here. So my request is that this adjorment motion can not be admitted and if Hon'ble Speaker admit it motion then it will send a bad preceedence because both the orders of the Surat Caurt is also a judicial order and two thousand order also a judicial order. We can not discuss the order of Judiciary in this Assembly unless something is related to the life or lifeline of the people of Assam. মই এইখিনিকৈ কৈ সভা স্থগিত প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী পক্ষৰ পৰা যি সভা স্থগিত প্ৰস্তাৱ অনা হৈছিল আৰু ইয়াৰ গ্ৰহণযোগ্যতাৰ ওপৰতআমাৰ দলপতিয়ে যি প্ৰস্তাৱ আনিছিল মই তা ৰ সমৰ্থন কৰিছিলো আৰু সদনৰ দলপতিয়ে এই প্ৰস্তাৱটোৰ গ্ৰহণযোগ্যতাৰ ওপৰত তেখেতৰ বক্তব্য চৰকাৰী পক্ষৰ হৈ দিলে ।

উক্ত সময়চোৱাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক বিৰোধী সকলক উদ্দেশ্য কৰি দুই এটা কথা কোৱাৰ বাবে সদনত এই হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল আৰু সেই সময়ত আমাৰ দলৰ তিনিজন সদস্যক সদনৰ পৰা বহিষ্কাৰ কৰিলে। মই আশা কৰো আপুনি এই বিষয়টো বিবেচনা কৰি চাব। দ্বিতীয়তে, আমি আৰম্ভণিতে গ্ৰহণযোগ্যতাৰ ওপৰত বক্তব্য ৰাখোতে কৈছিলো যে এই ৰায়টোৰ ওপৰত দুটা পক্ষৰ ধাৰণা আছে। এটা হ'ল আইনী কথাখিনিৰ বাবে আমি আইন মতে যুজিম তাত আমি মাত নামাতো। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যত আইনী কথাও কৈছে।

সেই অৰডিনেঞ্চ খনৰ ওপৰত ৰাহুল গান্ধী ডাঙৰীয়ায়ে বিৰোধীতা কৰা কথাটো হয় কিন্তু তেখেতে ভবা নাছিল যে এনেকুৱা ষড়যন্ত্ৰৰ বলী হৈ তেখেত মানহানী গোচৰত অভিযুক্ত হ'ব । কিহৰ বাবে তেখেতক এনেধৰণৰ ষড়যন্ত্ৰৰ বলী কৰা হ'ল মাননীয় অধ্যক্ষ মহোদয়? আচলতে এইখিনি কথা মই সদনত ক'ব বিচৰা নাছিলো ।

ৰাহু গান্ধী ডাঙৰীয়াৰ বক্তব্যৰ মূল কথাখিনি ঠিকেই আছিল । কিন্তু কোনো গুৰুত্বপুৰ্ণ অপৰাধ যেনে হত্যা আদিৰ লগত জড়িত সকলৰ বিৰূদ্ধে দুবছৰ কাৰদণ্ডটো গ্ৰহণযোগ্য। কিন্তু তেওঁ কোনো জাতিক উদ্দেশ্য কৰি কোনা নাছিল, কেৱল কিইজনমান মানুহক উদেশ্য কৰিহে কথাখিনি কৈছিল । আমাৰ এই বিধান সভাতেই অনেক জনে বিভিন্ন জাতি জনগোষ্ঠীক লৈ বহু আপত্তি জনক কোৱাৰ উদাহৰণ আছে আৰু সেই বিলাক এতিয়া ইয়াত আলোচনা কৰিব বিচৰা নাই । অধ্যক্ষ মহোদয়, তেখেতে কথাখিনি কৈছিল কৰ্ণাটকত গোচৰটো উঠালে গুজৰাটৰ চুৰাটত

চুৰাটৰ কেচ কৰা জনে পাছত উচ্চ ন্যায়ালয়ত গৈ কেচটো পেণ্ডিং ৰখাৰ বাবে কলে । তাৰ পিছত ৰাহুল গান্ধী ডাঙৰীয়াই সদনত এটা বক্তৃতা দিওঁতে সেইটো পুনৰ ৰিভিউ কৰাৰ বাবে কলে। এই বিলাক হ''ল আইনগত কথা। এই আইনী কথা বিলাকত আমি আইগত ভাবে যুজিম। কিন্তু আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি আলোচনা কৰিবলৈ গৈ সদনত যি কথা ক'লে মই ভাবো এইটো ঠিক হোৱা নাই । আৰু সেইবাবে তেখেতে ৰাহুল গান্ধীক উদেশ্য কৰি কোৱা কথাখিনি আমি সম্পুৰ্ণৰূপে নৎসাত কৰিছো । তেখেতে কোনো জাতি বা জনগোষ্ঠীক লৈ কোনো কথা কোৱা নাছিল । তেখেতে যিটো স্পীৰিটত কথাখিনি কৈছিল সেইটো স্পীৰিটতে ষড়যন্ত্ৰৰ বলী কৰিলে । তাতে ষড়যন্ত্ৰী সোমাই আছিল ।

মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো দিলো আপুনি যি সিদ্ধান্ত লয় ল'ব । আমাৰ বিৰোধী দলৰ উপ-দলপতি জনাইছে যে ৰাহুল গান্ধীয়ে এনেকুৱা হ'ব বুলি জনা নাছিল তেখেতৰ সমস্যাটো এইটোৱে যে তেখেত এজন অপৰিপক্ক ৰাজনীতিবিদ।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Please Please.

**শ্ৰীৰকিবুল হুছেইন(চামগুৰি) ঃ** ৰাহুল গান্ধীৰ আগত কোন আছিল, পাছত কোন আছিল, সেইখিনি আলোচনা হওঁক, আমি ক'ম।

(সদনত হুলস্থুল)

**শ্ৰীৰকিবুল হুছেইন(চামগুৰি) ঃ** এইটো এটা ষড়যন্ত্ৰ মূলক কথা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মোক ক'বলৈ দিয়ক এতিয়া।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) নাজিৰা ঃ** চাৰ, অলপ ক'ম নেকি? দুটামান technical point.

**মাননীয় অধ্যক্ষ ঃ** নালাগে। কথাটো একেই। সকলোৱে বুজি পাইছে। শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়া আৰু তেখেতৰ সহযোগী স্বাক্ষৰিত যিটো সভাস্থাগিত প্ৰস্তাৱ পাইছিলো, সেই প্ৰস্তাৱৰ ইতিমধ্যে ইয়াৰ admisibility ৰ ওপৰত বক্তব্য ৰাখিলে আৰু leader of the house য়েও ইয়াৰ ওপৰত বক্তব্য ৰাখিলে। এতিয়া যিটো বিষয়ৰ ওপৰত adjourament motion টো আনিছিল, এই বিষয়টো চৌদিশে চাই মই সেইটো admit কৰা নাই কাৰণটো হ'ল যে, যিটো বিষয়ত কথা পাতি আছে আমাৰ বিধান সভাৰ যিটো পৰিসীমা, সেই পৰিসীমা এটা বিধায়িনী প্ৰক্ৰিয়া যিটো কোৰ্টত হয়, সেইটোৰ ওপৰত আমি একো বিচাৰ কৰিব নেৱাৰো। মই অধ্যক্ষ হিচাপে কোনো judgement দিব নোৱাৰো আৰু আমাৰ rule মতেও তেনেকুৱা ধৰণৰ কোৰ্টৰ বিষয়ৰ ওপৰত বা য'ত এইটো এটা judgement কিন্তু judiciary প্ৰক্ৰিয়া চলি থকাৰ ওপৰতো বিধান সভাৰ মজিয়াত আলোচনা কৰাতো অনুচিত। তেনেকুৱাও বিষয়বোৰ আছে। এটা হ'ল disqualification ৰ ক্ষেত্ৰত Parliament ৰ যিটো ভূমিকা, এই ভূমিকাৰ ওপৰতো বিধান সভাত আমি আলোচনা কৰাতো উচিত নহয়। কাৰণ ৰাজ্য সভা, লোক সভা আৰু কোৰ্ট এইসমূহ এটা সংবিধানে দিয়া অধিকাৰ আছে, তেওঁলোকৰ মানে Autonomy. গতিকে তেওঁলোকে তেওঁলোকৰ তৰফৰ পৰা যিকোনো এটা ৰায়, যিকোনো এটা সিদ্ধান্ত তাত ল'ব পাৰে। ইয়াত অন্যই হস্তক্ষেপ কৰিব নোৱাৰে। গতিকে সেই বিষয়টো চৰ্চা কৰাৰ লগে লগে আমি যিমানেই যি বিষয়ৰ ওপৰত কথাটো পাতিবলৈ নাযাও কিয়, বিষয়টো কোৰ্টৰ ওপৰতে আহি থাকিব আৰু লোকসভাৰ Secretariate ৰ সিদ্ধান্তৰ ওপৰতে আহি থাকিব। তেতিয়া তেওঁলোকৰ সিদ্ধান্তৰ ওপৰত আমি সমালোচনা, পৰ্য্যালোচনা সেইটো চলিব যিটো আমাৰ বিধান সভাৰ কাৰণে উচিত নহয়।

**শ্ৰীভৰত নৰহ(নাওবৈচা) ঃ** চাৰ, ৰাহুল গান্ধীৰ বিৰুদ্ধে যিবিলাক পক্ষপাতমূলক বক্তব্য ৰাখিছে আৰু তেওঁ immature বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো বেলেগ কথা।

(সদনত হুলস্থুল)

ক'লে আৰু leader of the house য়ে ক'লে যে, এপ্ৰিলত আছে, এইটো actualy not under adjudication of any court.কাৰণ Trial Court এ তেওঁক শাস্তি দিছে এতিয়ালৈকে আপীল কৰা নাই। সেই কাৰণে matter টো Subjudice হোৱাই নাই, যিটো কথা মাননীয় মন্ত্ৰী মহোদয়ে কিতাপৰ পৰা কৈ গ'ল। দ্বিতীয় কথা, No case pending,

(সদনত হুলস্থুল)

**শ্ৰীদেৱব্ৰত শইকীয়া, ( বিৰোধী দলৰ দলপতি) ঃ** যিজন লক্ষ্যদ্বীপৰ MLA/ NCP ৰ, তেখেতক আজি তিনি চাৰিমাহ আগতে তেখেতৰ যিটো Trial Court ৰ শাস্তি আছিল, সেইটো with-draw কৰা হ'ল, তাৰ পিছতো তিনিমাহ ধৰি Speaker Office ৰ পৰা তেখেতৰ notice টো উলিয়াই দিয়া নাই। তেতিয়া কৈ থকা হৈছে যে President ৰ পৰা permission ল'ব লাগে আৰু যিটো schedule10 ত Speaker of right আছে যে কাকো সুধিব নালাগে, President of India Election Comission সেইটো only matter of defection সকলো ক্ষেত্ৰত নহয়।

**মাননীয় অধ্যক্ষ ঃ** সেই কাৰণে মই কৈছো এই বিষয়ত আলোচনা কৰি ইয়াৰ ওপৰত মন্তব্য দিব নোৱাৰো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ২০১৩ চনৰ judgement ৰ কথা কৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ৰ ওপৰত মই অগ্ৰাহ্যহে কৰিছো।

(সদনত হুলস্থুল)

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদন পৰিত্যাগ কৰিছো।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, BBC ৰ কথাটো ইয়াত কেনেকৈ আলোচনা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এইটো অন্য বিষয়।

(সদনত হুলস্থুল)

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** আমি আনুষ্ঠানিকভাৱে সদন কক্ষ ত্যাগ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অভিনন্দন বাৰ্তা। অসমী আইৰ সুযোগ্যা সন্তান, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বক্সাৰ শ্ৰীমতী লভলীনা বৰগোঁহাই ডাঙৰীয়ানীয়ে শেহতীয়াকৈ অনুষ্ঠিত হোৱা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ ৭৫ কেজি শাখাত অষ্ট্ৰেলিয়াৰ কেইটলিন এন পাৰ্কাৰক পৰাস্ত কৰি সোণৰ পদক বিজয়েৰে দেশ তথা ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিলে। এই বিজয়ে কৃতি বক্সাৰগৰাকীক বিশ্বৰ আগশাৰীৰ বক্সাৰসকলৰ ভিতৰত অন্যতম বুলি পুনৰবাৰ প্ৰতীয়মান কৰিলে। এইগৰাকী সুযোগ্যা খেলুৱৈৰ পাৰদৰ্শিতাক লৈ সমগ্ৰ দেশ আজি গৌৰৱান্বিত। অসম বিধান সভাই লাভলীনা বৰগোঁহাইলৈ তেখেতৰ শেহতীয়া ঐতিহাসিক বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰাৰ লগতে খেলুৱৈগৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। অসম বিধান সভাৰ প্ৰধান সচিবে এই বাৰ্তাটো শ্ৰীমতী লাভলীনা বৰগোঁহাইলৈ প্ৰেৰণ কৰিব।

**শ্ৰীবিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ কাৰণে এইটো অতি গৌৰৱৰ মূহুৰ্ত। অসমবাসী ৰাইজৰ বাবে আমাৰ প্ৰত্যেকজন ক্ৰীড়াৰ লগত জড়িত ব্যক্তিৰ বাবে, খেলুৱৈৰ বাবে, লাভলীনা বৰগোঁহাইয়ে বিশ্ব বক্সিং প্ৰতিযোগিতাত সোণৰ পদক পোৱা কথাটো আৰু তাৰ লগত ইয়াৰ পূৰ্বে অলিম্পিকত ব্ৰঞ্জ মেডেল পোৱাৰ পাছত তেওঁৰ যি ক্ৰীড়াৰ

ধাৰাবাহিকতা ৰক্ষা কৰিলে, ইয়াৰ জৰিয়তে উঠি অহা হাজাৰ হাজাৰ লাখ লাখ ক্ৰীড়াৰ অনুৰাগী ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব। ট'কিঅ অলিম্পিকত ব্ৰঞ্জ মেডেল পোৱাৰ পাছত লাভলীনা বৰগোঁহাইয়ে কিছু পৰিমাণে মাজৰ সময়ছোৱাত ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাছিল। শাৰীৰিক অসুস্থতাৰ বাবে লাভলীনা বৰগোঁহাই য়ে কমন ৱেল্‌থ গেম্‌ছৰ সময়ত কিছু অসুবিধাত পৰিছিল। মই এইখিনিতে এটা কথা মনত পৰিছে আৰু আজি ক'ব বিচাৰিছো, যেতিয়া কমন ৱেল্‌থ গেম্‌ছত লাভলীনা বৰগোঁহাইয়ে পদক পোৱা নাছিল, সেই সময়ত তেওঁক এজন সাংবিদিকে প্ৰশ্ন কৰিছিল যে, কমন ৱেল্‌থ গেইম্‌ছত আপুনি প্ৰাইজ নাপালে, গতিকে এইটোৱে আপোনাৰ জীৱনত প্ৰভাৱ পেলাব নেকি? আৰু লাভলীনা বৰগোঁহাইয়ে তেতিয়া সাংবাদিকজনক কৈছিল যে কমন ৱেল্‌থ গেইম্‌ছত মই ৬৯ কেজি শাখাত খেলিছো আৰু ভৱিষ্যতে অলিম্পিক হওঁক, বা World championship হওঁক, তাত মই ৭৫ কেজি শাখাত খেলিম। গতিকে এই খেলটোৱে, কমন ৱেল্‌থৰ ৰিজাল্টটোৱে ভৱিষ্যতে ক্ৰীড়াৰ ক্ষেত্ৰত, অলিম্পিকত ক্ষেত্ৰত মোক প্ৰভাৱ নেপেলাই। কিন্তু দুৰ্ভাগ্যৰ বিষয়, সেই সময়ত সাংবাদিকজনে বাকী সকলো কথা নাইকিয়া কৰি কেৱল মাত্ৰ এই প্ৰতিযোগিতাৰ ফলাফলে ভৱিষ্যতে অলিম্পিকত প্ৰভাৱ নেপেলাই বুলি যেনেধৰণে ট্ৰল কৰিলে, যেনেদৰে ক্ৰীড়াবিদ গৰাকীক negative message ৰ জৰিয়তে হতাশাৰ মাজলৈ ঠেলি দিবলৈ যত্ন কৰিছিল, আমাৰ সমাজখনৰ কাৰণে এটা প্ৰচণ্ড প্ৰত্যাহ্বান দেখুৱাই লাভলীনা বৰগোঁহাইয়ে পুণৰ আহি ৭৫ কেজি শাখাত বিশ্ব মহিলা বক্সিং প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত ভাৱে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অভিনন্দন জনাওঁ। কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লাভলীনা বৰগোঁহাইক যেনেদৰে অনুপ্ৰাণিত কৰিছে, এনেদৰে অনুপ্ৰাণিত কৰা উদাহৰণ ভাৰতবৰ্ষত বহুত কম আছে। লাভলীনা বৰগোঁহাইয়ে অলিম্পিকত পদক লাভ কৰাৰ পিছত তেওঁৰ নামত ইতিমধ্যে সৰুপথাৰ সমষ্টিৰ বৰপথাৰত এখন লাভলীনা বৰগোঁহাই স্পৰ্ট'চ কমপ্লেক্স ঘোষণা কৰিছে। তাত বাৰ কোটি টকা দিয়াৰ পিছত আৰু পুনৰ পোন্ধৰ কোটি টকা দি ধুনীয়াকৈ কৰা হৈছে। আমি ইতিমধ্যে বৰপথাৰত লাভলীনা বৰগোঁহাই বক্সিং একাডেমী প্ৰশিক্ষণ আৰম্ভ কৰিছো আৰু লাভলীনা বৰগোঁহাই বক্সিং একাডেমীৰ জৰিয়তে আমি আহি থকা দিনত আৰু খেলুৱৈৰ সৃষ্টি কৰিব পাৰিম বুলি আশা কৰিছো। মই অলপ ক'ব বিচাৰিছো কাৰণ মোৰ কথাখিনিয়ে খেলৰ লগত জড়িত ব্যক্তিসকলক উৎসাহিত কৰিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লাভলীনা বৰগোঁহাইক প্ৰশিক্ষণৰ বাবে ব্যৱস্থা কৰি দিছে। প্ৰত্যেক মাহে অসম চৰকাৰৰ ফালৰ পৰা তেখেতৰ বাবে এটা ভাল পুঁজি যোগান ধৰিছে যাতে লাভলীনা বৰগোঁহাইয়ে অহা অলিম্পিকলৈ নিজক প্ৰস্তুত কৰিব পাৰে। তাৰ লগতে তেওঁক ডি এচ পিৰ চাকৰিও দিছে। মই আশা কৰিম যে ক্ৰীড়াৰ পাৰদৰ্শিতাকো তেওঁৰ কৰ্ম দক্ষতাৰ পাৰদৰ্শিতা হিচাপে বিবেচনা কৰি তেখেতৰ পদোন্নতিৰ ক্ষেত্ৰতো চৰকাৰে বিবেচনা কৰিব। মই পুনৰ অসমবাসীৰ হৈ সৰুপথাৰ সমষ্টিৰ হৈ লাভলীনা বৰগোঁহাইক অভিনন্দন জনাইছো আৰু এনে এটা শুভ কথা আলোচনা হোৱাৰ সময়ত বিৰোধী দলৰ সদস্য সকলে অংশ গ্ৰহণ কৰাৰ পৰিৱৰ্তে ওলাই যোৱাৰ কথাটো দুৰ্ভাগ্যজনক বুলি অনুভৱ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা( মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিশ্বজিৎ ফুকন ডাঙৰীয়াৰ কথাৰ লগত সংগতি ৰাখি তিনিটা শব্দ ক'ব খুজিছো। আজি অসম বিধান সভাই সৰ্বসন্মতি ক্ৰমে লাভলীনা বৰগোঁহাইক বিশ্ব বক্সিংত অসমৰ কাৰণে স্বৰ্ণ পদক অৰ্জন কৰাৰ বাবে ধন্যবাদ জনাইছো।

যদি আমি অকনমান ঘূৰি চাওঁ তেতিয়া আমি দেখিম যে লাভলীনা বৰগোঁহাইয়ে অসমৰ বাবে প্ৰথম অলিম্পিকৰ পদক পায় আৰু ৱৰ্ল্ড কাপ চেম্পিয়নশ্বিপত স্বৰ্ণ পদক পোৱা অসমৰ প্ৰথমগৰাকী ব্যক্তি। মই এটা কথা ক'বৰ কাৰণে মাত্ৰ ঠিয় হৈছো। লাভলীনা বৰগোঁহাইয়ে অলিম্পিকত গোল্ড মেডেল পালে। নিশ্চিতভাৱে এজন খেলুৱৈৰ Ups and down দুয়োটাই থাকে। আমি জাতিটোৱে কৃতজ্ঞতা জনাওঁ যেতিয়া তেওঁ Ups থাকে আৰু পদক লয় আৰু সেই মূহুৰ্তটোৰ কাৰণে আমি তেখেতক অভিনন্দন জনাওঁ। কিন্তু এইটো কথা কেতিয়াও লিখা নাথাকে যে এজন খেলুৱৈয়ে এবাৰ কোনোবা এটা ৰেকৰ্ড ভঙাৰ পিছত পিছৰ খেলখনতো তেওঁ একেই ফলাফল কৰিব। কৃতজ্ঞ জাতিয়ে সেই মূহুৰ্ত্তটোৰ বাবে অভিনন্দন জনায় আৰু সেই মূহুৰ্ত্তটো আমাৰ পৰা কোনেও কাঢ়ি লৈ যাব নোৱাৰে। আজি অলিম্পিকিৰ অসমৰ প্ৰথম পদক বিজয়ী হিচাপে লাভলীনা বৰগোঁহাইৰ নাম ইতিহাসে ৰেকৰ্ড কৰি ল'লে। তেওঁক যদি অলপ মৰম যাঁচিছো, অকনমান সন্মান যাঁচিছো সেইখিনি সেই মূহুৰ্ত্তটোৰ বাবে। যি মূহুৰ্ত্তত লাভলীনা বৰগোঁহাইয়ে কমন ৱেল্থ গেমছত পদক নাপালে, সেই সময়ত অসমৰ একাংশ সামাজিক মাধ্যমেই হওঁক বা মিডিয়াই হওঁক, তেওঁৰ অলিম্পিকৰ যিটো কৃতিত্ব সেইটো একেবাৰে নোহোৱা কৰি তেওঁক কাঠগড়াত ঠিয় কৰাই দিলে। আমাৰ জাতিটোৰ যদি এনেকুৱা এটা ব্যৱস্থা থাকে ইয়াত মানুহে পদক ল'বলৈ ভয় কৰিব। কাৰণ আজি যদি মই পদক লৈছো কালি মই হয়তো হাৰিবও পাৰো। খেল হৈছে হৰা আৰু জিকাৰ। খেল জিকাৰ সময়ত যেতিয়া আমি কৃতজ্ঞতা দিম আৰু খেল হৰাৰ সময়ত আমি সমালোচনাৰে ভৰাই পেলাম তেতিয়া অসমত মানুহে খেল নেখেলিবই। কাৰণ তেওঁলোকে ভাৱিব যে সদায়তো মই জিকি থাকিব নোৱাৰো। লাভলীনা বৰগোঁহাইয়ে অহাকালিও যাতে অলিম্পিকত মেডেল পায়, তাৰ বাবে মা-কামাখ্যা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যেন আৰ্শীবাদ কৰে তাৰ বাবে কামনা কৰিলো। কিন্তু যদি কিবা কাৰণত নাপায়, তেতিয়া ক'ব যে আমি জানিছিলো যে তেওঁ বেয়া হৈ গৈছে। মই সকলোৱে কথা কোৱা নাই কিন্তু আমাৰ জাতিৰ একাংশ লোকৰ যি যি চৰিত্ৰ, সেই চৰিত্ৰই আমাৰ জাতিটোৰ ল'ৰা-ছোৱালীক আগুৱাই যোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব। অসমৰ ৰাইজক অনুৰোধ জনাম যে খেল এনেকুৱা যে তেণ্ডুলকাৰে কোনোবা এটা দিনত ডাব'ল চেঞ্চুৰী মাৰিব, কোনোবাদিনাখন এটা অ'ভাৰতে ছয়টা চিক্স মাৰিব আৰু পৰৱৰ্তী অ'ভাৰত হয়তো তেওঁ শূন্যও মাৰিব পাৰে। ছয়টা বলত ছয়টা চিক্সাৰ মৰা জীৱনত হয়তো এবাৰ হয়। গতিকে আমি আৰ্শীবাদ দিব লাগে যে লাভলীনা বৰগোঁহাই আৰু হিমা দাসে যাতে আমাৰ কাৰণে কৃতিত্ব কঢ়িয়াই আনে। কিন্তু কৰ'বাত যদি বিফলতা আহে আৰু বিফলতাত যদি আমি একেবাৰে এনেকুৱা কৰি দিওঁ যে সফল হোৱাটো তাইৰ ভুলহে আছিল। তেতিয়া মানুহে সফলতালৈ ভয় কৰিব। সেইকাৰণে মই সদনৰ জৰিয়তে অসমৰ জনসাধাৰণক আহ্বান জনাম যে লাভলীনা বৰগোঁহাই আৰু হিমা দাসে আমাক যিমান গৌৰাৱান্বিত কৰিলে তাতকৈ এটা জীৱনত আৰু বেছি তেওঁলোকৰ পৰা আশা কৰিব নালাগে। তেখেতসকলে অসমীয়া জাতিক বহু ওপৰলৈ লৈ গ'ল। এতিয়া আমাৰ কাম হৈছে নতুন লাভলীনা বৰগোঁহাই আৰু হিমা দাসৰ সৃষ্টি কৰা। তেওঁলোকক সকলো সময়তে যদি স্ক্ৰুটিনি কৰি থকা যায়, সমালোচনা কৰি থকা যায় যে চৰকাৰে টকা আদি দি বেয়া কৰিলে, এনেধৰণৰ কথা-বতৰাই গোটেই পৰিৱেশটো প্ৰতিকুল কৰে। অলিম্পিকৰ মেডেল পোৱা ৰাজ্য এখনৰ বাসিন্দা হ'বলৈ আমাৰ মনটো অলিম্পিক পৰ্য্যায়লৈ যাব লাগিব, আমাৰ মনটো সেই পৰ্য্যায়লৈ যাব লাগিব। নহ'লে আমি অলিম্পিক বঁটা বিজয়ী এজনক আমাৰ মাটিত ধাৰণ কৰিব নোৱাৰিম। আমি অসমত ৰত্নগৰ্ভা হ'ব লাগিব। অৰ্থাৎ অসমেও এইধৰণৰ চিন্তাধাৰা আগুৱাই লৈ যাব লাগিব। যাতে আমাৰ

অসম মাতৃ ৰত্নগৰ্ভা মাতৃ হ'ব পাৰে। সেইবাবে মই আজি সদনক অনুৰোধ কৰিম যে আমি লাভলীনা বৰগোঁহাইক ধন্যবাদ জনাইছো আজিৰ মূহুৰ্ত্তটোৰ বাবে। অহাকালি কিবা এখন খেলত যদি তেখেত হাৰি যায়, তেখেতক সমালোচনা কৰাৰ আমাৰ অধিকাৰ নাই। কাৰণ সেই মূহুৰ্ত্তত She brought laurel to this country, she brought laurel to this state. সেইকাৰণে স্পৰ্টচ নীতি অনুসৰি আমি লাভলীনা বৰগোঁহাই লৈ আৰু এটা পঞ্চাশ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছো আৰু মই কৃতজ্ঞ অসমীয়া জাতিৰ হৈ, অসম বিধান সভাৰ মজিয়াৰ পৰা লাভলীনা বৰগোঁহাইক বহুত বহুত অভিনন্দন জনাইছো। মই কোনো জমা খৰচত নচলো। অহাকালি তাইৰ ফলাফল কি হ'ব, সেইটো লৈ মই কনচাৰ্ণ নহয়। মই একমাত্ৰ ভগৱানৰ পৰা আশীৰ্বাদ বিচাৰিম যে সদায় যাতে তেওঁ ভাল প্ৰদৰ্শন কৰে। কিন্তু আমি কেতিয়াওঁ অহাবাৰ কি হ'ব বুলি স্ক্ৰুটিনি নকৰো। কাৰণ লাভলীনা বৰগোঁহাইৰ যেতিয়া এই ঘটনাবোৰ হ'ল, মই প্ৰত্যেক তিনিদিনৰ মূৰে মূৰে তেওঁক ফোন কৰিছিলো আৰু I have seen her mental agony. এইবাৰ বিশ্ব কাপত খেলিবলৈ যোৱাৰ আগ মূহুৰ্ত্তত মই তেওঁক ফোন কৰিছিলো আৰু কথা পাতিছো। I have seen her mental agony. খেলিবলৈ ভয় কৰে, কাৰণ হাৰিলে হয়তো অসমত সমালোচনা কৰে। ছোৱালী দুজনীৰ বৰ্তমান মানসিকতাটো এনেকুৱা হৈছে যে হাৰিলে আমি অসমত যাব নোৱাৰো, মুখ উলিয়াব নোৱাৰো। এইটো এটা কৃতজ্ঞ জাতিৰ কথা নহয়। সেইকাৰণে মই ভাৱো যে কোনো অসমীয়াই আজিলৈকে অৰ্জন কৰিব নোৱাৰা কাম তেওঁলোকে কৰি দেখুৱালে। আমি কলমেৰে লিখি বা ৰাজনীতি কৰিও এইখিনি অৰ্জন কৰিব পৰা নাই। অসমত কিবা হয়তো কৰিছো, কিন্তু বিশ্ব বৰ সভাত অসমৰ নাম লৈ যাবলৈ মই ও পৰা নাই আৰু কোনেও পৰা নাই। মই কাকো তুলনা কৰিব বিচৰা নাই কিন্তু যিটো লাভলীনা বৰগোঁহাইয়ে কৰিলে, ভূপেন হাজৰিকা দেৱ বা দুই-এজনৰ বাহিৰে কোনো অসমীয়াই কৰিব পৰা নাই। অন্তঃত আমি ৰাজনীতি কৰা বা সংবাদিকতা কৰা বা আমি যিখিনি আছো, আমি কোনেও অসমক ইমান দূৰলৈ লৈ যাব পৰা নাই। গতিকে মই কৃতজ্ঞ অসমীয়া জাতিৰ হৈ, লাভলীনা বৰগোঁহাইক বহুত বহুত অভিনন্দন জনাইছো আৰু মই অসমীয়া জাতিক আহ্বান জনাম যে তাইৰ অহা খেলত কি হ'ব, সেইটো আমি স্ক্ৰুটিনাইচ কৰিব নালাগে। আমি যদি লাভলীনা বৰগোঁহাইক সঁচাকৈ ভাল পাওঁ তেন্তে ঘৰত চাকি-বন্তি জ্বলাই তাইৰ কাৰণে সদায় প্ৰৰ্থনা কৰিম যাতে অহাবাৰো অলিম্পিকত ভাল প্ৰদৰ্শন কৰিব পাৰে। ধন্যবাদ।

**माननीय অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া আমাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৭৯ আৰু ১৮০ তম প্ৰতিবেদন দুখন দাখিল কৰিবৰ বাবে মই ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক অনুৰোধ জনালো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা(পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "ৰাজহুৱা হিচাপ সমূহ"ৰ সমিতিৰ সভাপতি শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াৰ হৈ মই অসম বিধান সভাৰ "ৰাজহুৱা হিচাপ সমূহ"ৰ সমিতিৰ ১৭৯ আৰু ১৮০ তম প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া "দ্যা আসাম ইলেকট্ৰিচিটি কণ্ট্ৰ'ল (ইমাৰজেঞ্চি পাৱাৰচ্) (ৰিপিলিং) বিল, ২০২৩" খন মাননীয়া মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোচা ডাঙৰীয়ানীক সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা(শক্তিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ সন্মতি সপক্ষে "দ্যা আসাম ইলেকট্ৰিচিটি কণ্ট্ৰ'ল (ইমাৰজেঞ্চি পাৱাৰচ্) (ৰিপিলিং) বিল, ২০২৩" খন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো উত্থাপন কৰাত সদনৰ সন্মতি আছে নে?

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক, ‘হয়’
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, ‘নহয়’
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে।
বিধেয়কখন উত্থাপন হ’ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া Cut Motion.

Cut Motion ত আমাৰ priority হিচাপত আলোচনা কৰিবলৈ Grant No.57- পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (গ্ৰামোন্নয়ণ), Grant No. 39- নাৰী আৰু শিশু কল্যাণ আৰু Grant No. 65-পৰ্যটন, এই তিনিটা লোৱা হৈছিল। প্ৰথমতে, Grant No.57ত মই পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী ডাঙৰীয়াক প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ২০২৪ চনৰ ৩১ মাৰ্চত শেষ হ’বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক ‘পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ (গ্ৰামোন্নয়ণ)’ শিতানৰ প্ৰশাসনৰ অৰ্থে ৮৭৩৬৮৭.৪৫ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** Grant No.57ত প্ৰথমে শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ কৰ্তন প্ৰস্তাৱ আছিল। তেখেতসকল এতিয়া সদনত অনুপস্থিত। দ্বিতীয়তে, হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলৰ কৰ্তন প্ৰস্তাৱ আছিল। তেখেতসকলক মই move কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীআমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাফিজ বছিৰ আহমেদ কাছিমী নেতৃত্বাধীন আমাৰ দলৰ বিধায়ক সকলে প্ৰস্তাৱ কৰিব খোজো যে- ২০২৩-২৪ চনৰ বাজেটৰ ২য় খণ্ডৰ ১০ অংশৰ ১০০-১২৫ পৃষ্ঠাত থকা ‘পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ (গ্ৰামোন্নয়ণ)’ শিতানৰ ৫৭ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৮৭৩৬৮৭.৪৫ লাখ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ ৮৭৩৬৮৭.৪৫ লাখ টকা, এটকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** তৃতীয়তে, শ্ৰীমনোৰঞ্জন তালুকদাৰৰ কৰ্তন প্ৰস্তাৱ আছিল। তেওঁ অনুপস্থিত। চতুৰ্থতে, শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ কৰ্তন প্ৰস্তাৱ আছিল। তেখেতো অনুপস্থিত। Next , শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ কৰ্তন প্ৰস্তাৱ আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** চাৰ, একেলগে বক্তব্য ৰাখিম নে কেৱল move কৰিম?

**মাননীয় অধ্যক্ষঃ** প্ৰথমে আপুনি move কৰি লওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Hon’ble Speaker Sir, I move that the Grant moved by the Hon’ble Minister, P&RD be reduced to Rs. 1.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া Grant No.57ৰ কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনা। শ্ৰীনিজানুৰ ৰহমান। তেখেত অনুপস্থিত। Next , শ্ৰী সুজাম উদ্দিন লস্কৰ। আপোনাক ৭ মিনিট সময় দিয়া আছে।

**শ্ৰী সুজাম উদ্দিন লস্কৰ, (কাটলিছেড়া)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলে আনা পঞ্চায়েত

ও গ্রাম উন্নয়ন বিভাগের উপর কর্তন প্রস্তাবে আমাকে বলার সুযোগ দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ জানাই। মাননীয় অধ্যক্ষ মহোদয়, সমগ্র আসাম সহ হাইলাকান্দি জেলায় পিএমজিএসওয়াইর একটি ঘর বানানোর জন্য একজন হিতাধিকারিকে ১ লক্ষ ৩০ হাজার টাকা প্রদান করা হয়। যা একজন গরীব মানুষের পক্ষে একটি পাকা ঘর বানানো সম্ভব নয়। তার মুখ্য কারন হচ্ছে সামগ্রিক দাম। যা সরকারি ও বাজার মূল্যের মধ্যে রাতদিন তফাৎ। এদিকে সরকারের কোন নজর নেই। তার দরুন সরকারি কাজের গুণগত মান অনেক কম হচ্ছে। সরকার শুধু পরিমানের দিকে নজর দিচ্ছে কিন্তু গুণের দিকে নয়। সামগ্রির দাম হাইলাকান্দি জেলায় ২০১৮-১৯র পর থেকে সরকারি কাজের সামগ্রী দামের কোন পরিবর্তন করা হয়নি। যা এখানে বাজার মূল্য অনেক দূর চড়ে গেছে। MGNREGA ক্ষেত্রে যেমন একটি ইটের বাজার মূল্য ১৪ টাকা ডিস্ট্রিক্ট রেট ১১ টাকা এবং সিকিউর রেট ৭ টাকা। একই ভাবে এমএস রড বাজার মূল্য ৮০০০ টাকা ডিস্ট্রিক্ট রেট ৬৩০০ টাকা এবং সিকিউর রেট ৪৭২০ টাকা। সিমেন্ট বাজার মূল্য ৫০০ টাকা, ডিস্ট্রিক্ট রেট ৪৫০ টাকা এবং সিকিউর রেট ৪২৫ টাকা। যার জন্য সরকারি কাজে অনেক বাধা হচ্ছে। এদিকে সরকারের কোন নজর নেই।

মাননীয় উপাধ্যক্ষ মহোদয়, প্রধানমন্ত্রী আবাস যোজনার অধীনে ২০২২-২৩ অর্থ বর্ষে প্রকৃত হিতাধিকারির বহু নাম বাদ পরেছে। বিগত ২০১৮-১৯ এ যে লিস্ট আছে তার মধ্যে সমগ্র জেলায় প্রত্যেক গ্রাম পঞ্চায়েতে গড়ে ৫০ শতাংশ নাম বাদ পরেছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমার জেলায় মোট ৬২টি গাঁওপঞ্চায়েত। এর মধ্যে মাত্র ২২ জন সেক্রেটারি। যেখানে কর্মচারির অভাবে গ্রামের কোন উন্নয়ন হচ্ছে না। বিশেষ করে হাইলাকান্দি জেলায় ৫টি ডেভেলপমেন্ট ব্লক আছে। প্রত্যেক ব্লকে কর্মচারির অভাব। দক্ষিণ হাইলাকান্দিতে একটি ডেভেলপমেন্ট ব্লক আছে। যেখানে ৯টি গাঁও পঞ্চায়েত আছে। কিন্তু ৪জন জিআরএস, ৪ জন কম্পিউটার এসিসটেন্ট আছে। এভাবে প্রত্যেক গাঁও পঞ্চায়েতে কাজের কোন সুবিধা নেই। বিগত যে MGNREGA ২০২০-২২, ২০২১-২২ এ কোন ফান্ড দেওয়া হয়নি। বর্তমানে একটি নিয়ম করে দেওয়া হয়েছে যে প্রত্যেক গাঁও পঞ্চায়েতে ২০টির উপর স্কিম নেওয়া যাবেনা। ২০টি পর্যন্ত কাজ চলবে। কিন্তু প্রত্যেক পুরনো গাঁও পঞ্চায়েতে দেখা যায় পুরনো কাজ চলছে নতুন কোন কাজ নেওয়া হচ্ছে না। যার দরুন কাজ সম্পূর্ণ হওয়ার পরও সম্পূর্ণ পেমেন্ট না হলেও নতুন কাজ দেওয়া যায়না। এই বর্তমান যে সিস্টেম তারজন্য বর্তমানে MGNREGA গ্রাম অঞ্চলে কোন কাজ হচ্ছে না। তাই উপাধ্যক্ষ মহোদয়ের মাধ্যমে অনুরোধ রাখছি যে কিভাবে এই পুরনো মেটেরিয়েল্সর প্যামেন্ট দেওয়া যায়। বিশেষ করে যে দামের কথা বলা হয়েছে, যেখানে সরকারের যে সিকিউর রেট আছে তার চেয়ে বাজার মুল্য দ্বিগুন। রডের ৪৫০০ টাকা সিকিউর রেট, সেটা বাজার মূল্য ৮০০০ টাকা। আজ প্রধান মন্ত্রী আবাস যোজনার কাজ হচ্ছে না। কারন হচ্ছে বাজার মূল্য। গরীব মানুষেরা ঘরের কাজ সম্পূর্ণ করবে যেখানে জিনিষের মূল্য দ্বিগুন। সরকার তার অর্ধেক টাকা দিচ্ছে। তাই আমি অনুরোধ রাখছি যে নতুন সিকিউর রেটকে বর্তমান বাজার মুল্যের দরে নেওয়া। যাতে প্রধান মন্ত্রী আবাসের কাজ সম্পূর্ণ হয়। আমার হাইলাকান্দি জেলায় ৫টি ব্লকের মধ্যে কাটলিছেড়া, দক্ষিণ হাইলাকান্দি, লালা এই ৩টি ব্লকের মধ্যে বহু ফরেস্ট এরিয়া আছে যেখানে হাজার হাজার প্রধানমন্ত্রী আবাসের কাজ হচ্ছে না। আমার সমষ্টিতে প্রায় ৪০ হাজার জনসাধারণ জনজাতি,উপজাতি যারা পাহাড়ি জঙ্গল এলাকায় থাকে। তাদের প্রধানমন্ত্রী আবাসের কোন কাজ হচ্ছে না। সেংসন আছে বর্তমানে যে ঘরগুলো বাদ পরেছে আমি উপাধ্যক্ষের মাধ্যমে মন্ত্রী

মহোদয়কে অনুরোধ করছি যে রি সার্ভে করে এই গরীব মানুষদের কি ভাবে অর্ন্তভুক্ত করা যায় তার জন্য অনুরোধ রাখছি। বিশেষ করে কর্মচারি যে আমাদের ২০০৯-১০ ইংরেজিতে জিআরএস, কম্পিউটার এসিসট্যান্ট বহু কন্ট্রেকচুয়েল নেওয়া হয়েছিল। কিন্তু ওদের স্থায়ী হয়নি। যার জন্য ওদের যে মাশুল দেওয়া হচ্ছে সেটা কিভাবে বর্ধিত করা যায় আর কর্মচারি বাড়ানো সম্ভব হয়। আমাদের প্রত্যেকটি গাঁও পঞ্চায়েতে যেভাবে কাজ চলছে বিগত ২,৩ বছর থেকে যে জব কার্ডের হোক, মেটেরিয়েলসর কাজ হোক দেখতে পাওয়া যায়না। আমি শুনেছি বর্তমানে কিছু ফান্ড দেওয়া হয়েছে। আমাদের লালা ডেভেলপমেন্ট ব্লক যেখানে ১৮টি গাঁও পঞ্চায়েতে মাত্র মেটেরিয়েল্সর ৬ লক্ষ টাকা গিয়েছে। আজ যদি আমরা গ্রাম অঞ্চলে যাই তাহলে সেংশন এপ্রোভ স্কিম সাইন বোর্ড দেখলে দেখা যায় ৪০ লক্ষ, ৩০ লক্ষ, ৫০ লক্ষ দেওয়া আছে। কিন্তু কোন কাজ নেই ।

**মাননীয় উপাধ্যক্ষ** ঃ- মাননীয় সদস্য আপনালোকর দলর ৪৮ মিনিট আছে। কিন্তু দলর মতে যে লিস্ট দিছে আপনার ৭ মিনিট। আপুনি আরু কেই মিনিট কব?

**শ্রী সুজাম উদ্দিন লস্কর, (কাটলিছেড়া)ঃ**--আমি আর ১-২ মিনিট বলব। বিশেষ আমি আপনার মাধ্যমে অনুরোধ রাখছি যে আমার জেলা অনেক পিছিয়ে পরা জেলা। দক্ষিণ হাইলাকান্দি ডেভেলেপমেন্ট ব্লক আমার রাজ্যের মধ্যে যো রিপোর্টে আছে এটি একটি বেকোয়ার্ড ব্লক। সেখানে একজন কম্পিউটার এসিসট্যান্ট কোন কাজ করে না বলদাবলদি গাঁও পাঞ্চায়েতে। আমি মন্ত্রী মহোদয়ের সঙ্গে দেখা করে ৮ মাস হয়ে গেছে নোট দিয়েছি। কমিশনারের সঙ্গে দেখা করেছি কিন্তু আজ পর্যন্ত উনি সিওর কথা শুনেন না। ডিসির কথা শুনেন না। বিডিওর কথা শুনেন না। এটি অনেক লজ্জার বিষয়। এই কম্পিউটার এসিসট্যান্টের উপরে আজ পর্যন্ত কোন একশন হয়নি। তাই আজ আমি অনুরোধ রাখছি উপাধ্যক্ষ মহোদয়ের মাধ্যমে যে এই কম্পিউটার এসিসট্যান্টের চাকুরি থেকে বরখাস্থ করা হোক। যে কোন কাজ করে না তার জন্য প্রধান মন্ত্রী আবাসের বহু ক্ষতি হয়েছে ওই গাঁও পঞ্চায়েতে । আর আরেকটি কথা আমি বলতে চাই ২০১৮-১৯ ইংরেজিতে আমার জেলায় ২টি এসওপিডির ল্যাট্রিনের কাজ হয়েছিল আলগাপুর সমষ্টিতে ১টি আর কাটলিছেড়াতে ১টি । আমি যোগাযোগ করেছি কমিশনার অফিশে প্রায় ৮ ,১০ দিন গিয়েছি। আজ ২০১৮-১৯ এর কাজ ১০০ শতাংশ সম্পূর্ণ। কিন্তু আজ ২০২২-২৩ চলছে একটি টাকাও কোন ফান্ড দেওয়া হয়নি। যার জন্য আমি বারবার যোগাযোগও করেছি। আমি আপনার মাধ্যমে এই কথাটি তুলে ধরলাম। এই বলে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্রী মৃনাল শইকীয়া।

**শ্রী মৃনাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্রামোন্নয়ণ বিভাগৰ গ্রান্ট নং- ৯৭ত বিৰোধীয়ে যি কর্তন প্রস্তাৱ আনিছে তাক বিৰোধীতা কৰি মই মোৰ বক্তব্য ৰাখিব খুজিছো। মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্রামোন্নয়ন প্রথম ভাৰতবর্ষত প্রৱর্তন হৈছিল ৰাজস্থানৰ ৰাজুৱান নামৰ জিলাত আৰু অসমত এই ব্যৱস্থা প্রৱর্তন হৈছিল ১৯৯৬ চনত। অসমত প্রথম পঞ্চায়তৰ নির্বাচন হৈছিলে ১৯৯৬ চনত। যদিও পঞ্চায়তী ৰাজ ব্যৱস্থা অসমত প্রৱর্তন হৈছিল ১৯৯৬ চনৰ পৰা, আমি পঞ্চায়তৰ কাম-কাজ ২০১৪ চনৰ পাছতহে অসমৰ গাঁওবিলাকত দেখিবলৈ পাইছো। আমাৰ এটা কথা আছে যে soul of India lives in villages, ভাৰতবর্ষৰ আত্মা গাঁৱঁত বাস কৰে। ভাৰতবর্ষৰ প্রায় ৭৫ ৰ পৰা ৮০ শতাংশ লোক গাঁৱঁত বাস কৰে আৰু তেওঁলোকৰ উন্নয়নৰ বাবে এই পঞ্চায়তীৰাজ ব্যৱস্থা অসমত প্রৱর্তন হৈছিল। এতিয়া আমি

গাঁওবিলাকত গ'লে দেখা পাঁও কিধৰণে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত সুন্দৰ সুন্দৰ ঘৰবিলাক হ'ব ধৰিছে, ঘৰে-ঘৰে শৌচালয়বিলাক হ'ব ধৰিছে, কিদৰে আমাৰ গাৱঁবিলাক open defecation free গাঁও হ'ব ধৰিছে। আগতে যেতিয়া আমি বিধায়ক হৈছিলো তেতিয়া আমি প্ৰত্যেকখন গাঁৱত গ'লে খুটা চাৰিটামান দেখো, সুধিলে কয় যে এইটো ইন্দিৰা আৱাস যোজনাৰ আৱন্টিত ঘৰ। তেওঁলোকৰ আগতে থকা ঘৰটো নোহোৱা হ'ল আৰু নতুন ঘৰটোও নহ'ল। কিন্তু এতিয়া DBT ৰ যোগেদি direct টকাটো হিতাধিকাৰীৰ একাউন্টত দিয়া হয়, যাৰবাবে প্ৰতিটো ঘৰ সুন্দৰভাৱে গঢ়ি উঠে। মোৰ সমষ্টিতে বাগান অঞ্চলত আমি ৮ টা গৃহৰ এটা cluster কৰিছো। সেইসমূহ দেখিলেই ভাল লাগে। তাত পানীৰ ব্যৱস্থা হৈছে, bathroom ৰ ব্যৱস্থা হৈছে আৰু দেখিলে টাউনৰ এখন কলনিৰ নিচিনা লাগে। আমাৰ চৰকাৰৰ দিনত এইখিনি কাম হ'বলৈ ওলাইছে। সেইকাৰণে এই বিভাগটোৰ কাৰণে আমাক বেছি পইছা লাগে। আমি দেখা পাঁও যে চহৰৰ কাৰণে ১০০ কোটি, ২০০ কোটি ধাৰ্য্য কৰা হৈছে আৰু তাত যিবিলাক সৰু সৰু ৰাস্তা থাকে ৩-৪ ফুটৰ ৰাস্তা সেইসমূহো চহৰ নগৰত পকা হৈ উঠে। কিন্তু গাঁওবিলাকত কিছুমান এনেকুৱা ৰাস্তা থাকে যিবিলাক ৩-৪ ফুটৰ, যিবিলাক ৰাস্তা গড়কাপ্তানি বিভাগে ঢুকি নাপায় আৰু পঞ্চায়তৰ যিবিলাক পুঁজি আহে, তাৰপৰাও খৰছ কৰিবলৈ দিগদাৰ হয় কিয়নো এই পুঁজিবিলাক tide আৰু untide দুটা ভাগত বিভক্ত হয়। সেইকাৰণে মই ভাৱো যে বিবিলাক গ্ৰাম্য পথ আছে, পথটো হয়তো সৰু ৫০ মিটাৰ, ১০০ মিটাৰ বা ২০০ মিটাৰ হ'ব পাৰে কিন্তু মানুহৰ জনবসতি বহুত আৰু যিটো গড়কাপ্তানি বিভাগে ঢুকি নাপায়। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিম যাতে গ্ৰাম্য উপপথবিলাক বনাবৰ কাৰণে য'ত গাঁওবাসীৰ আত্মা লুকাই থাকে, সেইবিলাক বনাবৰ কাৰণে যাতে পুঁজি আবন্টিত হয় আৰু পঞ্চায়তৰ ফালৰ পৰা যাতে সেই পথসমূহ বনোৱাৰ ব্যৱস্থা কৰা হয়।

ইয়াৰ লগতে যিটো আমাৰ ভাৰত বা সমগ্ৰ পৃথিৱীতে যিটো গ্ৰাম্য পৰ্য্যটন, আমাৰ যি Panchayat and Rural Ministry আছে, তেওঁলোকে এই গ্ৰাম্য পৰ্য্যটন বিভাগটোক সামৰি ল'ব লাগে আৰু তাৰবাবে এটা বেলেগ ধৰণে ফাণ্ডৰ ব্যৱস্থা কৰিব লাগে। যিবিলাক গাঁও আছে, তাত যাতে আলহী ঘৰৰ কাৰণে সেই বিভাগৰ পৰা পইচা দিয়া হয় আৰু সেই আলহী ঘৰৰ জড়িয়তে আমি গাঁওবিলাকক অৰ্থনৈতিকভাৱে উন্নয়ন কৰিব পাৰিম।

আন এটা ডাঙৰ সমস্যা দেখা যায় যে গাঁওবিলাকত, টাউনবিলাকত যিহেতু Municipality Board বা Municipality Corporation থাকে, যি টাউনত থকা দোকানী সমূহকে হওক বা বাসকৰা লোক সকলকে হওক এটা মুঠিত গণ্ডিৰ ভিতৰত ৰাখি তাৰ specific সমস্যাসমূহ সমাধান কৰে। কিন্তু গাঁওবিলাকত আজিকালি এটা sub urban area কিছুমান develop হৈছে চাৰিআলি, তিনিআলি আদিত, যিবিলাক টাউনো নহয়, গাঁৱো নহয়। কিন্তু ক'ভিড কালত দেখা গ'ল যে তেনেকুৱা বহু চাৰিআলি, তিনিআলি develop হৈ ডাঙৰ ডাঙৰ বজাৰৰ সৃষ্টি হৈছে। তাত garbage waste management য়ে হওক বা তেনেকুৱা ধৰণৰ তেওঁলোকক কোনোবা tax ৰ যোগেদি বান্ধাৰ ব্যৱস্থাই হওক, তেওঁলোকক কিছুমান আইনী প্ৰক্ৰিয়াৰ মাজেৰে বান্ধোনে হওক, সেইবিলাক নথকাৰ কাৰণে বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হৈছে। যাৰ কাৰণে হয়তো সেই গাঁৱৰ পৰা আত্মাটোও গুছি যাব। যিধৰণে গুৱাহাটীত আজি এজাক বৰষুণ হ'লেই বানপানী হয় ঠিক তেনেদৰে সেই অঞ্চলসমূহতো সেইধৰণে হ'বলৈ গৈ আছে। আজি আমাৰ গাৱঁবিলাকৰ যিটো সৌন্দৰ্য্য সেই বিলাক নষ্ট হোৱাৰ কাৰণ হৈছে, দোকানীবিলাকৰ মাজত কোনো আইন নাই যে সেই জাৱৰ জোঁথৰ বিলাক ক'ত পেলাব,

তেওঁলোকৰ tax ৰ কোনো ব্যৱস্থা নাই, কোনে সেইখিনি মেনেজ কৰিব তাৰো ব্যৱস্থা নাই। এই যিবিলাক sub urban area থাকে, সেইবিলাকত এটা Sub Urban Body থাকিব লাগে আৰু দোকানীবিলাককো accountable কৰিব লাগে। তাৰ ভিতৰত কিছুমান এনেকুৱা location থাকে, তিনিআলি চাৰিআলি থাকে যাৰ স্থানবোৰ সৰু হ'ব লাগে।

এই চাহ বাগানৰ যিবিলাক অঞ্চল থাকে সেইবিলাকত একোখনকৈ নাগৰিক সংস্থা থাকিব লাগে । আৰু তেওলোকক একাউন্টেবল কৰিব লাগে । এই অঞ্চলবিলাকৰ ভিতৰত কিছুমান চাৰি আলি বা তিনি আলি থাকে সেইবোৰ ঠাই সৰু হয় কিন্তু তাৰ জিওগ্ৰাফিকেল ইর্ম্পটেন্সটো বহু বেছি । মই আপোনালোকক এটা উদাহৰণ দিও - কাজিৰঙাৰ কেন্দ্ৰ বিন্দু কহৰা চাৰিআলি । এই কহৰা চাৰিআলি আৰ্ন্তজাতিক পৰ্যটন কেন্দ্ৰবিন্দু । কিন্তু এই কহৰা চাৰিআলিৰ যিটো অৱস্থা তাত এখন নাগৰিক সংস্থা নথকা বাবে তাৰ মেনেজমেন্ট ব্যৱস্থাটো তেনেই শোচনীয় । তাৗলে গ'লে আচলতে আমি নিজেই লাজ পাওঁ । তাৗলে দেশ বিদেশৰ পৰা পৰ্যটক আহে কিন্তু তেওলোক আহি এটা ধাৰণা লৈ যাব যে কাজিৰঙাৰ কেন্দ্ৰবিন্দুটোৰে যদি এনেকুৱা হয় তেন্তে অন্য স্থানবোৰ কেনেকুৱা হ'ব । উপাধ্যক্ষ মহোদয়, মই ফটো কেইখন মান আনিছো । আপোনালৈ প্ৰেৰণ কৰিম । ইয়াত লিখা আছে আই লাভ কাজিৰঙা - এইটো চেলফী পইণ্ট বনাইছে । ইয়াত আপোনালোকে দেখিছে যে এটা ইউৰিনেল আছে - সেইটো এজন মানুহে ব্যবহাৰ কৰি আছে আৰু সেইখিনি ঠাই জাঁবৰ জোঁথৰেৰে ভৰি আছে আৰু এইটো কহৰা চাৰিআলিৰ দৃশ্য । এই টো দৃশ্যত গড় এটা দেখিবলৈ পাইছো যাক লৈ আমি খুব গৰ্ব কৰো । যাক দেখুৱাই আমি পৰ্যটকৰ পৰা টকা লৈ আছো । এই গড়টোলৈ চাওঁক লগতে কাজিৰঙাৰ মেইন গেইটখনৰো দুৰবস্থা চাওঁক । লগতে ক'হৰা থানাখনৰ সন্মুখৰ জাৱৰ জোঁথৰবিলাক চাওঁক । এইটো মই টুইটাৰতো দিছিল। এইটো আমাৰ পশ্চিম কাজিৰঙা গাওঁ পঞ্চায়তত পৰে । যদি গাওঁ পঞ্চায়তৰ ক্ষমতা থাকিলহেতেন পৰ্য্যাপ্ত পুঁজি থাকিলহেঁতেন আৰু এই দোকান পোহাৰবিলাক আইনৰ গণ্ডীলৈ অনাৰ ব্যৱস্থা থাকিলহেতেন তেন্তে আজি এই পৰিস্থিতি হ'বলৈ নাপায় । ফৰেষ্ট বিভাগে চাফা নকৰে ট্যুৰিজিম বুলি আৰু ট্যুৰিজিম বিভাগে চাফা নকৰে পঞ্চায়ত এৰিয়া বুলি । গাওঁ পঞ্চায়তে চাফা নকৰে কাৰণ তাত কোনো ডিভাইচ নাই । গতিকে আমাৰ যিটো স্বাভিমান তাৰ অৱস্থাটো এনেকুৱা হৈছে উপাধ্যক্ষ মহোদয়, এইটো অটোনোমাচ কাউন্সিলত নপৰে কিন্তু বজাৰ কৰিবলৈ কাৰ্বি মহিলাসকল তাৗলে আহে । গতিকে এই বিধান সভাৰ মজিয়াতে মই অনুৰোধ কৰিম যে এই দোকান পোহাৰখিনি নতুনকৈ বনাব লাগে যাতে দেখিবলৈ সুন্দৰ হয় । লগতে আৰ্ন্তজাতিক মানদণ্ড কাজিৰঙাৰ লগতে ঠাইখনৰ বৃদ্ধি হয তাত তেনেধৰণৰ এটা মাৰ্কেট কমপ্লেক্স কৰিব লাগে । কাৰণ তাত দেশী বিদেশী ট্যুৰিষ্টসকলে বজাৰ কৰিবলৈ তাত আহে । তাত বহিবলৈ ঠাই নাই , ভাল চাহৰ দোকান নাই , এটা টয়লেট নাই। গতিকে সেই ব্যৱস্থাখিনি তাত পঞ্চায়ত এণ্ড ৰুৰেল ডেভল'পমেন্ট বিভাগে ল'ব লাগে । যিবিলাক চাহ বাগান এৰিয়া আছে, টাউনো নহয় গাওঁ নহয় সেইবিলাক এৰিয়াত পঞ্চায়ত এণ্ড ৰুৰেল ডেভ'ল'পমেন্ট বিভাগক আমি অথোৰিটি দি, পুঁজি দি আমি এইখিনি মেনেজমেন্ট কৰিব লাগে । নহ'লে যিটো কোৱা হয় যে গাওঁত আমাৰ আত্মা থাকে, সেইটো কিন্তু নোহোৱা হ'ব । আমাৰ গাঁও যিটো ফাণ্ড আহে যিটো টাইড আৰু আনটাইড ফাণ্ড । টাইড ফাণ্ডটো অকল চেনিটেশ্যনত খৰছ কৰিব লাগে । তাৰ বাবে এনেকুৱা হৈছে যে স্কুলবিলাকত টয়লেট দিবলৈ ঠাই নাই, সেইবাবে এখন স্কুলতে দুই- তিনিটা টয়লেট হৈছেগৈ। য'ত প্ৰয়োজন নাই তাতো বনাব লগা হৈছেগৈ । এখন ফিল্ডতে দুই - তিনিটা আননেচেচেৰী টয়লেট বনাই আমি ফাণ্ডটো ব্যৱহাৰ কৰিছো আৰু সেই

গোটেই এৰিয়াটো আমি বেয়া কৰি পেলাইছো। য'ত আমাৰ প্ৰয়োজন তাত আমি কাম কৰা নাই । গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীৰ কৰ্ত্তণ প্ৰস্তাৱটো মই বিৰোধিতা কৰি অধিক ফাণ্ড যোগানেৰে আমাৰ এই বিভাগটো অধিক শক্তিশালি কৰিবলৈ মই অনুৰোধ জনাইছো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীবিশ্বজিৎ ফুকণ ।

**শ্ৰীবিশ্বজিৎ ফুকন(সৰুপথাৰ)ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, এইবাৰ আমাৰ বাজেটৰ যিটো মঞ্জুৰী নং - ৫৭ পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মঞ্জুৰী আহিছিল , এই মঞ্জুৰীৰ বিৰুদ্ধে আমি কেইবাটাও কৰ্ত্তণ প্ৰস্তাৱ দেখিছো । এই কৰ্ত্তন প্ৰস্তাৱ মই তীব্ৰভাবে বিৰোধিতা কৰিছো । কাৰণ মহত্মা গান্ধীৰ যিটো গ্ৰাম স্বৰাজ সপোন আৰু দিনদয়াল উপাধ্যায় যি অন্তঃদয়া সপোন এই সপোন বাস্তৱত ৰূপায়ণ কৰাৰ বাবে পুঁজি প্ৰদানৰ বিপৰীতে টকা কৰ্ত্তন কৰিব বিচৰাটো মই ভাবো দৰিদ্ৰ গণদেৰতাক উপহাস কৰাৰ দৰে ঘটনা হৈছে । প্ৰস্তাৰটো এনেদৰে উপস্থাপন কৰিব বিচৰা হৈছে উপাধ্যক্ষ মহোদয় যে সমুদায় ধন কৰ্ত্তন কৰি এক টকালৈ এই বাজেটৰ ধন হ্ৰাস কৰিব বিচৰা হৈছে । উপাধ্যক্ষ মহোদয় , প্ৰায় বাইশতকৈও অধিক গাঁও পঞ্চায়ত আছে, আঞ্চলিক পঞ্চায়ত আছে, ইয়াৰ কৰ্মচাৰী আৰু নিৰ্বাচিত প্ৰতিনিধিৰ সংখ্যা যদি আমি চাওঁ ই পয়ত্ৰিশ হাজাৰৰ ক'ম নহয় । প্ৰস্তাৱটো উত্থাপন কৰাৰ আগতে এইটো কথা ভবাটো প্ৰয়োজন আছিল যে , কৰ্মচাৰীৰ দৰমহাৰ পৰা আৰম্ভ কৰি বাজেটত যিখিনি টকা দিয়া হৈছে তাক বিৰোধিতা কৰি গ্ৰামোন্নয়ণ বিভাগৰ গতিশীলতাক ৰুদ্ধ কৰিব বিচৰা হৈছে। এই পবিত্ৰ বিধান সভালৈ আমাক যিসকলে ভোট প্ৰদান কৰি পঠিয়াইছে তেওলোকক প্ৰতাৰণা কৰা ঘটনাৰ দৰে হৈছে । মাননীয় উপাধ্যক্ষ মহোদয় আমি যদি যোৱাবছৰৰ বাজেট চাওঁ - যোৱা বছৰ আমাৰ অৰিজিনেল বাজেট আছিল ৫,৭৪০ কোটি টকা । তাৰ পিছত প্ৰথম চাপ্লিমেন্টৰী বাজেট যেতিয়া আহিছে প্ৰায় ২,৬৫৪ কোটি টকা ধৰা হৈছিল । দ্বিতীয় চাপ্লিমেন্টৰী বাজেটত ৬,০২৫ কোটি টকা ধৰা হৈছিল আৰু তৃতীয় চাপ্লিমেন্টৰী বাজেটত আমি কেইদিনমান আগতে যি বাজেট পাচ কৰিছো তাত প্ৰায় ২,৭৩৭ [কোটি টকা ধাৰ্য্য কৰা হ'ল । সৰ্বমুঠ- যোৱা বিধান সভাৰ বিত্তীয় বৰ্যত ১৭, ১৭৮ কোটি টকা অসম চৰকাৰে গ্ৰামোন্নয়নত খৰছ কৰিছে ই অসমৰ ইতিহাসত এটা অদ্ভুতপূৰ্ব্ব ঘটনা। যি গ্ৰামোঞ্চলত অসমৰ আশী শতাংশতকৈ অধিক লোকে বাস কৰে এই জনসাধাৰণৰ কাৰণে ইমান টকা খৰছ কৰা বাবে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় , বিত্ত মন্ত্ৰী মহোদয়া আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো । আমি এই পুঁজিটো ক'ত খৰছ কৰো , কেনেকৈ খৰছ কৰো এইবিলাকৰ মাজলৈ নোযোৱাকৈ আমি বাজেটৰ বিৰোধিতা কৰিবলৈ আমি যদি কৰ্ত্তন প্ৰস্তাৱ আনো তেতিয়াহ'লে মই ভাবো শুদ্ধ নহ'ব । পূৰ্ব্বতে কেঁচা ঘৰৰ যি সংজ্ঞা আছিল তাৰ ফলত অসমত বহু লাখ লোকে প্ৰধানমন্ত্ৰীৰ আৱাসগৃহৰ ঘৰ পোৱা নাছিল । অসমৰ মাননীয় মুখ্যমন্ত্ৰী গতিশীল মুখ্যমন্ত্ৰী তেখেতৰ বলিষ্ঠ নেতৃত্বত কেঁচা ঘৰৰ যিটো সংজ্ঞা সেইটো কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্ময়ন বিভাগে সলনি কৰি দিলে। তাৰ ফলস্বৰূপে অসমৰ প্ৰায় আঠ লাখতকৈ অধিক পৰিয়াল উপকৃত হ'ল আৰু নতুনকৈ আমি আঠ লাখ প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ লাভ কৰিবলৈ সক্ষম হ'লো । প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰৰ বাবে যি টকা আহে তাৰ জৰিয়তে আমি কেনেদৰে এটা পৰিয়ালক উপকৃত কৰিছো সেই কথাটো কিছু আলোচনা কৰাৰ প্ৰয়োজন আছে । আমি প্ৰথম পৰ্য্যায়ত ৩২,৫০০ টকা পৰিয়ালটোৰ একাউন্টত দিওঁ । সেই কামখিনি যেতিয়া কৰে তাৰ পিচত ৪৮,৫০০ টকা দ্বিতীয় কিস্তিত দিয়া হয় । দুয়োটা দিয়াৰ পিচত দ্বিতীয় কিস্তি দিয়াৰ সময়ত পচানব্বৈ কৰ্মদিনৰ কৰ্মদিন সংযোগ কৰি অতিৰিক্তভাবে ২১,৭৫৫ টকা দিয়া হয় । তাৰ পিচত এই দুখীয়া

পৰিয়ালটোক স্বচ্ছ ভাৰত আঁচনিৰ অধীনত এটা শৌচালয় যোগান ধৰা হয় । জলজীৱন মিছনৰ অধীনত বিশুদ্ধ খোৱা পানী ব্যৱস্থা কৰা হয়, সৌভাগ্য আঁচনিৰ অধীনত তেওঁলোকক বিজুলী যোগান ধৰা হয় আৰু উজ্জলা আঁচনিৰ জৰিয়তে গেছৰ যোগান ধৰো। যাৰ জৰিয়তে এটা পৰিয়ালক এটা ঘৰ, শৌচালয়, পানী, বিজুলী আৰু ৰন্ধন গেছ এই সকলোখিনি যোগান ধৰি সেই পৰিয়ালটোক আগবঢ়ায় লৈ যোৱা হয়। গ্ৰামোন্নয়ন বিভাগৰ MGNREGAত প্ৰচুৰ পৰিমাানে পইচা আহে, পইচা খৰচ কৰা হয়। প্ৰায় আঢ়ৈ হাজাৰ কোটি টকা এটা বছৰত MGNREGA আঁচনিৰ অধীনত যদি খৰচ হয় আমাৰ বিগত সময়ৰ অভিজ্ঞতাৰ পৰা কব পাৰো, যে ২০২১-২২ ত ২৫০০ কোটি টকা MGNREGA আঁচনিৰ অধীনত খৰচ কৰা হৈছে। MGNREGA আঁচনিৰ অধীনত ২৫০০ কোটি টকা এবছৰত খৰচ কৰা হলে আমি কব পাৰো যে আমি ৫ বছৰৰ কাৰ্য্যকালত ১২৫০০ কোটি টকা বা তাতোকৈ অধিক টকা আমি MGNREGAৰ অধীনত খৰচ কৰিব পাৰো। ১২৫০০ কোটি বা ১৩ হাজাৰ কোটি টকা যেতিয়া খৰচ কৰিম গ্ৰাম্যাঞ্চলৰ উন্নয়নৰ বাবে তেতিয়া আমাৰ চাৰ্কোলাৰ অনুসৰি ইয়াৰ ১৫ শতাংশ পইচা আমি rural connectivity ত খৰচ কৰিব পাৰো। তাৰমানে ৫ বছৰত কেৱল পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে আমি ২ হাজাৰ কোটি টকা গাঁৱৰ বাট-পথ সমূহৰ উন্নয়নৰ বাবে খৰচ কৰিব পাৰোঁ। গাঁৱত ২ হাজাৰ কোটি টকা খৰচ কৰি ৫ টা বছৰত যদি আমি গাঁৱৰ পথ সমূহৰ উন্নতিকৰণ কৰো তেতিয়া হলে আমাৰ গাঁৱৰ যি ৰাস্তাৰ সমস্যা, এই সমস্যা সমধান হোৱাৰ দিশত আগবাঢ়ি যাব। গতিকে তাৰ লগত আমাৰ পঞ্চদশ বিত্তীয় বৰ্ষৰ পইচাবিলাক আহে, পঞ্চদশ বিত্তীয় বৰ্ষৰ পইচাৰ আমি ২৫ শতাংশ পইচা rural connectivity বা ৰাস্তাত খৰচ কৰিব পাৰোঁ। গতিকে গ্ৰামোন্নয়ন বিভাগটোক সঠিক ৰূপেলৈ যাবলৈ হলে কিছু প্ৰশিক্ষণৰ প্ৰয়োজন আছে। এই বিভাগটোৰ কিছু কৰ্মচাৰী, বিশেষকৈ অভিযন্তা, জি পি চি, জি আৰ এছ যি সকল আছে তেওঁলোকক অধিক কৰ্মদক্ষ কৰি তোলাৰ প্ৰয়োজন। শেহেতীয়া ভাৱে MMS (Mobile Monitoring System)ৰ জৰিয়তে MGNREGA আঁচনি যি সকল শ্ৰমিক, সেই শ্ৰমিক সকলৰ attendence ৰ ব্যৱস্থা কৰা হৈছে। মই এই পবিত্ৰ সদনৰ মাজেৰে অসমৰ MGNREGAৰ শ্ৰমিক সকলক অনুৰোধ জনাওঁ যে, MGNREGA আঁচনিৰ শ্ৰমিক সকলক যি পইচা দিয়া হয়, সেই পইচাৰ বিপৰীতে তেওঁলোকে যি কাম কৰিব লাগে, বহু ক্ষেত্ৰত আমি সমস্যাৰ সন্মূখীন হওঁ। MGNREGAৰ শ্ৰমিক জন আহে, পইচা নিশ্চিত বুলি ধৰি লোৱাৰ পিছত তেওঁলোকে যিখিনি কাম কৰিব লাগে দিনটোত ৪ ঘন্টা, সেই কাম নকৰে। নকৰাৰ ফলত কাম খিনি থাকি যায়। তেওঁলোকে বহি থাকে , কাম কমকৈ কৰে। যিয়ে আমাৰ উন্নয়নত ৰোহিত কৰিব। সেই কাৰণে MMS (Mobile Monitoring System)ৰ জৰিয়তে ২০ জনতকৈ অধিক শ্ৰমিকে যেতিয়া কাম কৰিব তেওঁলোকৰ attendence আহোঁতেও লোৱা হ'ব, যাওঁতেও লোৱা হ'ব আৰু তাৰ পিছত সেই অঞ্চলৰ কামটো যাতে সঠিকভাৱে ৰূপায়িত হয়, তাৰ কাৰণে কাম কৰা হ'ব। তাৰ কাৰণে বিভাগটোক অতি গতিশীল, অধিক কাৰ্য্যক্ষম কৰি তোলাৰ প্ৰয়োজন। মই লগতে এই সময়ত এটা অনুৰোধ জনাওঁ যে MGNREGA আঁচনিৰ অধীনত এটা এটা পঞ্চায়তত মাত্ৰ ২০ টা কাম কৰিবলৈ permission দিয়া আছে। কিন্তু ২০ টা কাম কৰিলে সেই পঞ্চায়তত যদি ১ হাজাৰ জৱকাৰ্ড আছে, সেই Job Card Holder সকলক আমি ১০০ দিনৰ কৰ্মদিন দিয়াতো সম্ভৱ নহয়। গতিকে আজিয়ে এই বিধান সভাত এটা অনুৰোধ জনাও যে ২০ maximum on-going কামৰ যি লিষ্ট আছে ইয়াত ৫০ বা ৬০ টা লৈ আগবঢ়াব লাগে, অন্যথা গাঁৱৰ অঞ্চলত আমি যি পইচা খৰচ কৰিব লগীয়া আছে এই পইচা আমি খৰচ কৰিব নোৱাৰিম। তাৰ লগতে পঞ্চায়ত

আৰু গ্ৰামোন্নয়ন বিভাগৰ এটা অভিলাসী আঁচনি, ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ স্বপ্নৰ আঁচনি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এটা বলিষ্ঠ পদক্ষেপ অমৃত সৰোবৰ। ৩ হাজাৰ অমৃত সৰোবৰ খাণ্ডি উলিয়াৰ যি প্ৰয়াস, এই প্ৰয়াসৰ জৰিয়তে ৩ কোটি কিউবিক মিটাৰ জল সঞ্চায়নৰ ব্যৱস্থা হ'ব। যি সময়ত আমি খৰাং পৰিস্থিতিৰ মুখামুখি হৈছো, যি সময়ত আমাৰ পানীৰ সমস্যা হৈছে সেই সময়ত একে লগে ৩ হাজাৰ হেক্টৰ মাটিত পুখুৰী খাণ্ডি জল সঞ্চয়নৰ বাবে যি আঁচনি লৈছে, এই আঁচনিয়ে আমাৰ পৰিৱেশ সুৰক্ষিত কৰিব। প্ৰত্যেক আঁচনিৰ বাবে ২৪৯০৭৩ টকাকৈ ধাৰ্য্য কৰা হৈছে। এই পইচাৰ ভিতৰত ১১৮০৮২০ টকা মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰামীণ বিকাশ যোজনাৰ জৰিয়তে দিয়া হৈছে। যাৰ জৰিয়তে পুখুৰীৰ মাটি খণ্ডাৰ কামটো input subsidyৰ শ্ৰমিকৰ পৰিবৰ্তে আমি মেচিন লগাই খাণ্ডিব পৰা হৈছোঁ। তাৰ লগতে পুখুৰীটোত মাছ পুহিবৰ বাবে মীন বিভাগৰ পৰা এক লাখ ২০ হাজাৰ টকা আমি input subsidy পাম। এই input subsidy পোৱাৰ পিছত অন্যান্য খিনিৰ কাৰণে boundary wall, solar light, গছ ৰোৱা ইত্যাদিৰ কাৰণে আৰু কিছু টকা ধাৰ্য্য কৰা হৈছে। যাৰ জৰিয়তে অমৃত সৰোবৰ আঁচনিৰ জৰিয়তে আমি ৩ হাজাৰ অমৃত সৰোবৰত ১০ জনকৈ ব্যক্তিক যদি সংস্থাপিত কৰিব পাৰো, তাত মহিলা আত্মাসহায়ক গোট সমূহক সংস্থাপিত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে, মই আৰু এটা অনুৰোধ কৰিম, যে মহিলা আত্মসহায়ক গোটৰ লগতে তাত যাতে Cooperative Society সমূহকো মাছ পালন কৰিবৰ কাৰণে সুবিধা দিয়ে আৰু ইয়াৰ জৰিয়তে প্ৰায় ১৫০ কোটি টকাৰ মাছ উৎপাদন কৰা লক্ষ্য যি চৰকাৰে স্থিৰ কৰি লৈছে, এই লক্ষ্যৰ জৰিয়তে আহি থকা দিন বোৰত অসমত বাহিৰৰ পৰা মাছ আহি থকাৰ যিটো প্ৰক্ৰিয়া এই প্ৰক্ৰিয়াক বহুখিনি বাধা দিব পাৰিম আৰু আমাৰ অৰ্থনৈতিক ব্যৱস্থা শক্তিশালী কৰিব পাৰিম। input subsidy আঁচনিৰ জৰিয়তে ২৬০ permissible work আছে। ২৬০ টা কাম আমি কৰিব পাৰোঁ। কিন্তু বিভাগটোৱে শক্তিশালী ভাৱে স্থিতি নোলোৱাৰ বাবে এই ২৬০ টা পৰিবৰ্তে ৮ টা বা ১০ টা কাম কৰিয়ে আমি বিভাগটোৰ কাম- কাজখিনি সীমাবদ্ধ কৰি ৰাখিছোঁ। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম permissible work বিলাক যেনেকৈ আগবঢ়ায় নিব পাৰি তাৰ কাৰণে বিভাগীয় বিষয়া কৰ্মচাৰী সকলক কিছু প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন। আজি যদি যায়, মোৰ নিজৰ সমষ্টিৰ কথা কম। মই মোৰ সমষ্টিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰী, নিৰ্বাচিত প্ৰতিনিধি লগত লগ হৈ ইমান ধুনীয়াকৈ গ্ৰামীণ মহিলা বজাৰ কৰিছোঁ, যি গ্ৰামীণ মহিলা সাপ্তাহিক বজাৰ কৰিছো, অসমৰ ভিতৰত প্ৰথমখন মহিলা বজাৰ। তাত প্ৰায় ৫০ লাখ টকাত আমি কৰিছোঁ। এইখন যোৱা পৰহি মই উদ্বোধন কৰি আহিছোঁ ৫০ লাখ টকাৰে নিৰ্মাণ কৰা গৃহ। এনেধৰণে গ্ৰাম্যবজাৰৰ জৰিয়তে পুঁজিযোগান MGNREGAত ব্যৱস্থা আছে। আমি সমগ্ৰ অসমৰ কিছু পৰিৱেশ আৰু পৰিস্থিতি সলনি কৰিব পাৰো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ হ'ল ৰাজ্যখনৰ ৮০ শতাংশ লোকক সামৰি ল'ব পৰা এটা বিভাগ। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ হ'ল দীনদয়াল উপাধ্যায়, অন্তোদয়া যি অন্তিম জন ব্যক্তিৰ উদয় কৰিব পৰাকৈ অন্তিম জন দুখীয়া ব্যক্তিক উৎভাসিত কৰিব পৰাকৈ আগবাঢ়ি লৈ যাব পৰা এটা বিভাগ। এই বিভাগক সকলো প্ৰকাৰে, সৰ্বাংগীনভাৱে আগবঢ়াই লৈ যাব পৰাটোৱে গ্ৰাম্যাঞ্চলৰ জনসাধৰণক আগবঢ়ায় লৈ যোৱা হিচাবে আৰু এনেক্ষেত্ৰত কৰ্তন প্ৰস্তাৱ ১ টকালৈ হ্ৰাস কৰি জনবিৰোধী এটা স্থিতি লোৱা বুলি মই অভিযোগ কৰি মোৰ বক্তব্য সামৰিছোঁ, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য নিজানুৰ ৰহমান। তেখেত অনুপস্থিত। সেইবাবে এতিয়া নিজামুদ্দিন চৌধুৰী। আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্রী নিজাম উদ্দিন চৌধুরি, (আলগাপুর)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমার দলে আনা পঞ্চায়েত ও গ্রাম উন্নয়ন বিভাগের উপর কর্তন প্রস্তাবের উপর আমাকে বলার সুযোগ দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, প্রধান মন্ত্রী আবাস যোজনার হিতাধিকারী বাছাইএর জন্য ২০১৮ সনে যে সার্ভে করা হয়েছিল সেই সময় সঠিক সার্ভে না হওয়ার জন্য অনেক মানুষ হিতাধিকারি তালিকা থেকে বঞ্চিত হয়েছিলেন। সেই মানুষদের নাম পুনরায় অন্তর্ভুক্ত করার জন্য সরকার কি কোন পদক্ষেপ গ্রহন করবে? তাই আপনার মাধ্যমে বিভাগীয় মন্ত্রী মহোদয়ের কাছে জানতে চাই। উপাধ্যক্ষ মহোদয়, আমরা সকলেই জানি যে এনআরসির প্রক্রিয়া চলার সময় অনেক মানুষ ফিঙার প্রিন্ট দিয়েছিল এবং সেইসব মানুষের নাম প্রধানমন্ত্রী আবাস যোজনার ওয়েটিং লিস্টেও ছিল কিন্তু এদের অনেকের আধার কার্ড নেই সেই কারনে ঘর পাওয়া থেকে বঞ্চিত হয়েছে। সেইসব মানুষদের ঘর পাইয়ে দিতে সরকার কি কোন পদক্ষেপ গ্রহন করবে? তাই উপাধ্যক্ষ মহোদয় আপানার মাধ্যমে মন্ত্রী মহোদয়ের কাছ থেকে জানতে চাই। উপাধ্যক্ষ মহোদয়, আরেকটি বিষয় হচ্ছে প্রধান মন্ত্রী আবাস যোজনা যেসব কাজ হয় সেই সব কাজের কিস্তি সময়মত না পাওয়ার জন্য সেইসব কাজ পূরণ করা অসম্ভব। সেইগুলো কিস্তি সরকার যদি সময়মত না দেয় সেগুলো ঘর কখন পুরণ করা যায়না। তাই আমি আপনার মাধ্যমে মন্ত্রী মহোদয়ের থেকে জানতে চাই যে সেইগুলো ঘরের কিস্তির টাকা সময়মত দেওয়া হবে কি? আরোও উপাধ্যক্ষ মহোদয়, যে MGNREGA যেগুলো রাস্তা সেই রাস্তার দেখা যায় প্রতিটি ব্লকে শ'শ রাস্তা আছে কিন্তু সেই রাস্তার যেগুলো মেটেরিয়েলস আছে মাটির কাজ করার পর সেগুলো বন্ধ থাকে। কিন্তু অনগয়িং শ'শ রাস্তা আছে সেই রাস্তাগুলো কাজ না হওয়ার জন্য। পঞ্চায়েত বিভাগ অতি গুরুত্বপূর্ণ বিভাগ। সেই বিভাগের সঙে আমরা গ্রামের প্রত্যেক ধনী গরীব সবাই জড়িত থাকি। এই রাস্তার কাজ প্রতিটি ব্লকে গেলে দেখা যায় ৩০০-৪০০ রাস্তা আছে, কিন্তু এই রাস্তাগুলোর ৬০ শতাংশ কাজ করে সেই কাজ বন্ধ করে রাখা আছে। তাই সেগুলো কাজ সম্পূর্ণ করার জন্য আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি অথবা যেগুলো কাজ সম্পূর্ণ হয়নি যাতে বন্ধ করা হয়। কারণ অনেক টাকা সেগুলো থেকে আত্মসাৎ করা হয়েছে। করার পর দেখা গিয়েছে যেদি এনকুয়ারি হয় ধরা পরবে, তাই কিছুটা বাকি রেখে অনগয়িং রাখা হয়। আরও যদি আমরা দেখি প্রত্যেকটি ব্লকে আমরা সরকারি যে পঞ্চায়েত কর্মচারি আছেন তাদের মধ্যে যে ঠিকাদার আছেন একজন ঠিকাদার কমপক্ষে ৩টি ৪টি জিপির চার্জে আছেন। তাই চালানো অনেক কষ্ট। সময়মত ঠিকাদার পাওয়া যায়না। সেই পর্যাপ্ত কর্মচারি দেওয়া হয় সেটাও আমি সরকারকে অনুরোধ করছি। অধ্যক্ষ মহোদয়, আমাদের গ্রামের যেগুলো রাস্তা এই রাস্তাগুলো পঞ্চায়েতের মাধ্যমে যদি হয়না, তাহলে বিকল্প কোন ব্যবস্থা নেই। কারন আমাদের বিধায়কের তহবিল থেকেও সেগুলো দেওয়া যায়না। তাই পঞ্চায়েতের রাস্তাগুলোর উপর যাতে মন্ত্রী মহোদয় গুরুত্ব দেন। আজ দেখা যায় যেগুলো জব কার্ডের ১০০ দিনের টাকা দেওয়ার কথা ছিল কিন্তু ১জন জব কার্ডধারী ২০ দিনও পায়না। তার উপরও মন্ত্রী মহোদয়ও যাতে ধ্যান দেন। আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী সুশান্ত বৰগোহাই।

**শ্ৰী সুশান্ত বৰগোহাঁই, (ডিমৌ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই দুটামান কথা ক'ব বিচাৰিছো। আমাৰ সমগ্ৰ অসমৰ প্ৰায় ৮০ শতাংশ লোক গ্ৰাম্যাঞ্চলত বসবাস কৰোঁ। গাওঁ পঞ্চায়তে আমাৰ স্বায়ত্বশাসিত পৰিষদ বাদ

দি প্ৰায় সমগ্ৰ গাওঁ বিলাকত উন্নয়নৰ পৰিকল্পনা কৰে। কেনেধৰণে গাওঁ বিলাকৰ সমস্যা সমূহ গাওঁ পঞ্চায়তৰ যোগেদি আতৰাব পৰা যায় তাৰো গাওঁ সভা বিলাকত উত্থাপন কৰা হয়। কিন্তু দেখা পোৱা যায় যে, গাওঁ সভা বিলাকত যিমানখিনি সমস্যা উত্থাপন কৰা হয় তাৰে প্ৰায় ১০ শতাংশ সমস্যা কাৰ্য্য পৰিকল্পনা বনোৱা হয়। আমাৰ যিটো নিৰ্বাচিত পঞ্চায়তৰ ব্যৱস্থা যিটো আমাৰ তিনিখলপীয়া ব্যৱস্থা বুলি কওঁ তাতে গাওঁ পঞ্চায়ত আৰু জিলা পৰিষদৰ লোকেহে কিছু সিদ্ধান্ত লয়। আঞ্চলিক পঞ্চায়ত ৰ সদস্য সমূহে সিদ্ধান্তৰ ক্ষেত্ৰত বা উন্নয়নৰ ক্ষেত্ৰত বিশেষ একো কৰা দেখা নাযায়। সেইবাবে মই মাননীয় মন্ত্ৰী মহোদয়ক এই কথা-বাৰ্তা লৈ  চিন্তা-চৰ্চা কৰিবলগীয়া আছে বুলি মই ভাবো। ভৰিষ্যতে আমাৰ আঞ্চলিক পঞ্চায়তৰ প্ৰয়োজন আছে নে নাই সেইটো বিবেচনা কৰাৰ প্ৰয়োজন আছে বুলি মই ভাবো। গাওঁ পঞ্চায়তৰ সচিব আৰু নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগত একেলগে মিলি যেতিয়ালৈকে কাম বিলাক নকৰিব তেতিয়ালৈকে গাওঁ বিলাকৰ উন্নয়নৰ ছবিখন দেখা পোৱা নাযাব। আমাৰ কিছুমান পঞ্চায়তত  এজন সচিবে ২ খন ৩ খন গাওঁ পঞ্চায়ত চলাব লগীয়া হৈ আছে। যিটোৰ পৰা আমাৰ বহুত অসুবিধাৰ সৃষ্টি হৈ আছে। আমাৰ ভিতৰুৱা গাওঁ বিলাকতো নেটৰ যোগাযোগ হ'ব লাগে। সেই যোগাযোগ বিলাক কেতিয়াবা নাথাকে। এই ক্ষেত্ৰত আমাৰ দেখা পোৱা যায় যে, আমাৰ যিখিনি কাম প্ৰকৃততে কৰিব লাগে সেই কাম বিলাক হৈ নুঠে। সচিবজনে কেতিয়াবা ইমান দূৰৰ পৰা আহিব লাগে কিন্তু তেখেতৰ হাতত ২ টা ৩ টা পঞ্চায়ত থকাৰ কাৰণে তেখেতে আহি নাপায় আৰু সেই কাৰণে পঞ্চায়তৰ কাম বিলাক বন্ধ হৈ থকা দেখা পোৱা যায়।  আজি মোৰ সমষ্টিতে দেখা পোৱা গৈছিল যে,  যিটো আধাৰ কাৰ্ড লিংকেজ হ'ব লাগে সেইটো হ'লেহে পঞ্চায়তৰ যিটো নিয়ম মতে জৱকাৰ্ড পায় । সেই লিংকেজটো নোহোৱাৰ  ফলত বহুত মানুহ কাম কৰিব পৰা নাছিল বা অসুবিধা হৈছিল। কেইবাবাৰো উপাযুক্ত ডাঙৰীয়াৰ লগত আলোচনা কৰাৰ পিছতো এই অসুবিধাৰ সন্মুখীন হৈ আছে। এই বিলাক ক্ষেত্ৰত ভালকৈ পৰিকল্পনা কৰাৰ প্ৰয়োজন আছে। আমাৰ বাগানৰ পাত তোলা  কাম-কাজ বিলাক বন্ধ হয় জানুৱাৰী, ফেব্ৰুৱাৰী আৰু ডিচেম্বৰ মাহত। সেই সময়ত তাত MGNREGA ৰ কাম বেছি হয়। Action plan ত আমি ভাল দৰে নোসোমোৱাৰ কাৰণে জৱকাৰ্ডত enrolment  আছে কিন্তু কামবিলাক হোৱা দেখা পোৱা নাযায়। সেই কাৰণে বিশেষকৈ আমাৰ যিবিলাক বাগান অঞ্চল আছে সেই  বাগান অঞ্চল বিলাকত এই সময়ছোৱাত যিহেতু খৰালি হৈ থাকে,  এই সময়ছোৱাত যাতে আমাৰ বাগানৰ যিবিলাক লাইন আছে বা বাগানৰ যিবিলাক নলা আছে, বা য'ত আমাৰ শ্ৰমিক সকল বাস কৰে, সেই অঞ্চলটোৰ কাৰণে special drive  কৰাৰ এটা প্ৰয়োজন আছে বুলি মই অনুভৱ কৰো। এতিয়া এটা কথা মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে আমাৰ পঞ্চায়ত বিলাকত যেতিয়া full strength আমাৰ কৰ্মচাৰী নাথাকিব তেতিয়ালৈকে  পঞ্চায়ত বিলাকে যেনে ধৰণে আমি কামৰ পৰিকল্পনা কৰো বা আগবাঢ়ি যাব বিচাৰো তেনেধৰণে আগবঢ়াত কিছু অসুবিধা হয়। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আমাৰ প্ৰত্যেকটো পঞ্চায়তত full strength থাকিব লাগে। প্ৰত্যেকটো পঞ্চায়তত এজন এজন সচিব হ'ব লাগে যাতে এজন সচিবে দুখন দুখন পঞ্চায়ত ত যাবলগীয়া নহয়। কাৰণ এতিয়া কিছু এনেকুৱা সচিব আছে, যে বহু দূৰত বদলি হৈ আহিছে। তেওঁলোকে বদলি হৈ অহাৰ পিছতো এই ভিতৰুৱা পঞ্চায়তখনলৈ যোৱা অসুবিধা বা কিবা কাৰণত তেওঁ নাযায়, যদি নাযায় তাত কেনেধৰণে কি ব্যৱস্থা কৰিব পৰা যায় তাৰো চিন্তা চৰ্চ্চা কৰাৰ সময় আহিছে বুলি মই ভাবো। এটা কথা আজি মই এই সদনত আমাৰ মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে বহুতে কৈ থাকে যে আমাৰ জৱকাৰ্ডৰ যোগেদি

যিখিনি সময়ত আমাৰ খেতি বাতি নহয় এই সময়খিনিত কেনেধৰণে আমি জৱকাৰ্ডৰ যোগেদি নিজৰপঞ্চায়তৰ উন্নয়নৰ কথা বিলাক জড়িত হ'ব পাৰো বা ঘৰতে থাকি আমি কেনেধৰণে জৱকাৰ্ডৰ আমাৰ যিটো উৰ্পাজন সেই উপাৰ্জনেৰে আমাৰ পৰিয়ালটো কেনেকৈ চলাব পাৰো। কিন্তু কেতিয়াবা কেতিয়াবা দেখা যায়, জৱকাৰ্ড পোৱাৰ পিছতো কেতিয়াবা তিনি মাহলৈকে আমাৰ শ্ৰমিকৰ পইচাবিলাক জৱকাৰ্ড হল্ডাৰৰ একাউন্টত নোসোমায়। যেতিয়া একাউন্টত নোসোমায় এই ব্যৱস্থা বিলাক আমি কেনেধৰণে সমাধান কৰিব পাৰো তাৰো চিন্তা চৰ্চা কৰিব লাগে বুলি মই ভাবো। এটা কথা আমি দেখিছো যে আমাৰ যিবিলাক গাঁৱৰ ভিতৰুৱা ৰাষ্টা কিছুমান এনেকুৱা ৰাস্তা আছে, যিবিলাক ৰাস্তা ১৫০ মিঃ ২০০ মিঃ বা ৪শ মিঃ। এই ৰাস্তা বিলাক PWD ৰ যোগেদি বনোৱাটো সম্ভৱ নহয়। এই ৰাস্তা বিলাকত ডাঙৰ ডাঙৰ গাড়ীও অহা যোৱা নকৰে। কিন্তু এই ৰাস্তা বিলাক আমি যেতিয়া materials দিব পাৰিম বা এই ৰাস্তা বিলাকত যেতিয়া আমি pavers block দিব পাৰিম, যিটো ব্যৱস্থা আছে। কিন্তু আমাৰ কেতিয়াবা manbase আৰু materials ৰ ratio proportion কেতিয়াবা ভালকৈ নোহোৱাৰ কাৰণে বা বিভাগীয় ভাবে ভালকৈ নকৰাৰ কাৰণে কেতিয়াবা আমি এনেকুৱা বহুত ৰাস্তা ল'বলৈ সুবিধা নাপাওঁ বা ল'ব নোৱাৰো। এই ক্ষেত্ৰত কেনেধৰণে আগবাঢ়িব পৰা যায় এই কথা বিলাকো আমি বিভাগীয় ভাবে চিন্তা চৰ্চা কৰাৰ প্ৰয়োজন আছে বুলি মই ভাবিছো। এটা কথা মই নিশ্চিত ভাবে ক'ব পাৰো যে আজি গ্ৰামোন্নয়ন বিভাগে যিমান দ্ৰুত ভাবে উন্নয়ন বিলাক সাধন কৰিব, সিমানেই আমি কিছুক্ষেত্ৰত আগবাঢ়ি যাম। কাৰণ উপৰোক্ত বক্তা এজনে কৈছে যে আমি শেষৰজন মানুহৰ অন্ত্যোদয় যিটো আমাৰ শেষৰজন দুখীয়া মানুহক সহায় কৰা একমাত্ৰ চৰকাৰী আঁচনিৰ অৰ্ন্তভূক্ত কৰা এটা ব্যৱস্থা হ'ল আমাৰ এই গ্ৰামোন্নয়ন বিভাগ। এই গ্ৰামোন্নয়ন বিভাগৰ বহুখিনি কাম আছে। বহু খিনি কামৰ ভিতৰত আমি কিছুমান কাম এনেকুৱা দেখিছো, যিবিলাক কামৰ যোগেদি আমি ইচ্ছা কৰো কামবোৰ কৰিবলৈ, কিন্তু ক'ৰবাত নহয় ক'ৰবাত পৰিকল্পনাৰ অভাৱত আমাৰ অসুবিধা হৈ পৰিছে। মাজতে আমাৰ waiting list ৰ যিবিলাক ঘৰ আছিল, সেই waiting list ৰ ঘৰে এতিয়া আমাৰ যথেষ্টখিনি সমস্যাত পৰিছে। কাৰণ এই waiting list খনৰ কি হ'ব বা কি নহয়, এই কথাটো যদি আমাক ভালদৰে বিভাগীয় ভাবে জনাই দিয়ে, তেতিয়া হলে আমি যি সকল অতি দুখীয়া মানুহ কিন্তু waiting list ত আছে, তেখেত সকলে ভাবিছে ঘৰ পামনে নাপাম। সেই মানুহখিনিয়ে ঘৰ কেতিয়া পাব বা কেনেধৰণে পাব সেই কথা বিলাক জনাবলৈ পালেও আমি কিছু তেখেত সকলক সকাহ দিব পাৰিম। কাৰণ এই waiting list ত এনেকুৱা কিছুমান মানুহৰ নামো সোমাই আছে, যিবিলাক সচাঁকৈয়ে ঘৰ পাব লগীয়া। কিন্তু কিহৰ কাৰণে waiting list ত সোমালে আজিলৈকে পঞ্চায়তৰ প্ৰেচিডেন্ট সকলেও ভালদৰে নাজানে, সচিব সকলেও ভালকৈ নাজানে বা BDO সকলক কলেওঁ তাৰ উত্তৰটো এতিয়ালৈকে পোৱা হোৱা নাই। কিন্তু তাৰ মাজতে মাননীয় মন্ত্ৰী মহোদয় আৰু মুখ্য মন্ত্ৰী মহোদয়ে এটা মুখ্যমন্ত্ৰীৰ আৱাস গৃহৰ এটা কথা কৈছে। য'ত তেনেকুৱা ধৰণৰ মানুহক দিব পৰা যায়। কিন্তু আমাৰ জিলা বিলাকত বা আমাৰ এটা এটা সমষ্টিত প্ৰায় ৭শ ৮ শ মানুহৰ waiting list ত নাম সোমাই আছে। সেই ৭শ ৮ শ মানুহৰ কি হ'ব? সেই সকলৰ কি হ'ব এতিয়ালৈকে তেখেত সকলক আমি কোনো উত্তৰ দিব পৰা নাই। এটা কথা মাননীয় উপাধ্যক্ষ মহোদয়ৰ যোগেদি জনাব বিচাৰিছো যে আজি কিছুমান অঞ্চলত এনেকুৱা হৈছে যে অসম গ্ৰামীণ বিকাশ বেংক আছে। সেই বেংকটোত আধাৰ কাৰ্ডখনত যিটো নাম আছে আৰু জৱকাৰ্ডত যিটো নাম আছে, দুয়োটা নামৰ মাজত মিল নথকাৰ কাৰণে কেতিয়াবা বেংকে আধাৰ কাৰ্ডখন বদলি কৰিব কৈছে। আধাৰ

কাৰ্ডখন বেংকৰ মতে বদলি কৰিব লগাতকৈ যিখন আধাৰ কাৰ্ডত নাম আছে সেই নামটো যদি বেংকৰ একাউন্টত তেওঁলোকে শুদ্ধ কৰি লয় তেতিয়া হলে সুবিধা হয়। গোটেই সমগ্র বক'তা অঞ্চলত য'ত প্রায় ৩৫ হাজাৰ মান মানুহ আছে, তাত একমাত্র এটাই বেংক আছে। যিটো বেংক নহলে তাত কামৰ অসুবিধা হয়। সেই কাৰণে তাৰ বাবে কি বিকল্প ব্যৱস্থা কৰিব পৰা যায় তাৰো এটা চিন্তা চৰ্চ্চা বিভাগীয় কৰ্তৃপক্ষ সকলে কৰে তেতিয়া দুখীয়া মানুহৰ যথেষ্টখিনি সকাহ হ'ব। মই আৰু বিশেষ নকওঁ কিন্তু এটা কথা কৈছো এই গ্রামোন্নয়ন বিভাগলৈ এটা গতিশীলতা আহিছে, আৰু এই বিভাগটোৱে গাওঁ পঞ্চায়ত বিলাক আৰু যদি শক্তিশালী কৰিব পাৰে বা গাঁও পঞ্চায়তখন সম্পূৰ্ণ যদি হৈ যায় গোটেই যিখিনি থাকিব লাগে, সকলোখিনি যাতে থাকে। তেতিয়া আৰু অধিক গতিশীলতা পাব বুলি মই আশা কৰিছো আৰু এই কৰ্তন প্রস্তাৱৰ বিৰোধিতা কৰি মই মোৰ দুআষাৰ ইমানতে সমাপ্ত কৰিছো। ধন্যবাদ

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ এতিয়া মাননীয় সদস্য শ্রী দিগন্ত কলিতা।

**শ্রী দিগন্ত কলিতা, (কমলপুৰ)** ঃ ধন্যবাদ উপাধ্যক্ষ মহোদয়। কাটমোশ্যনৰ বিৰুদ্ধে যি বক্তব্য আমি বিশেষকৈ আজি ইয়াত কৰ্তন প্রস্তাৱৰ সপক্ষে ইয়াত বক্তব্য ৰাখিব বিচাৰিছো। আপোনালোকে সকলোৱে জানে ৭৩ Amendment Act ১৯৯২ আৰু অসমৰ পঞ্চায়ত আইন ১৯৯৪ ৰ মতে তিনি তৰপীয়া পঞ্চায়ত আমাৰ আছে। সকলোৱে জ্ঞাত আৰু আমি এইখিনিও জ্ঞাত যে আমাৰ অসমত ৮৬ শতাংশ লোক গাঁৰত বাস কৰে। বিশেষকৈ এই গ্রামোন্নয়ন বিভাগ নহ'লে আমি কেতিয়াও এই উন্নয়ন কৰা সম্ভৱ ন'হব। পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ অৰ্থনৈতিক এই উন্নয়নৰ মুল চাবি কাঠিটোই হ'ল এই বিভাগটো। ইয়াৰ উপৰিও ৩৫ লাখ মানুহ দুখীয়া পৰিয়ালৰ লোক এই অঞ্চলত বসবাস কৰে। এই দুখীয়া পৰিয়ালৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্রত পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগ প্রত্যক্ষভাবে জড়িত। এই বিভাগৰ অধীনত বহুত উন্নয়নৰ কাম হাতত লোৱা হৈছে। আজি নহয় বিগত বছৰ ধৰি এই উন্নয়নৰ কাম চলি আছে আৰু আমি যদি সহজ ভাষাত ক'বলৈ যাওঁ গ্রামোন্নয়ন বিভাগ নহ'লে, আমি কেতিয়াও গাঁৱৰ অঞ্চল বিলাক আমি চলিব নোৱাৰো যেনেকৈ হস্পিতাল নহলে, এই অঞ্চল বিলাক চলিব নোৱাৰো, গ্রামোন্নয়ন বিভাগটো আমাৰ এটা মুখ্য বিভাগ। আপোনালোকে শুনি ভাল পাব যে এই আঁচনিত ২০২১-২০২২ ত ২২২০ কোটি এনৰেগাৰ যোগেদি লাভ কৰিবলৈ সক্ষম হৈছিল আৰু এম জি এনৰেগা এটা এনেকুৱা আঁচনি য'ত সকলো ধৰণৰ ব্যৱস্থা সোমাই আছে। গাঁৱত পুখুৰী সম্পূৰ্ণ কৰা, গাৱৰ কৃষি বান্ধ নিৰ্মানৰ ক্ষেত্রত আৰু কেতিয়াবা কেতিয়াবা বানপানীৰ সময়টো এই গ্রামোন্নয়ন বিভাগৰ এম জি এনৰেগাৰ জৰিয়তে আমি বান্ধ দি দুখীয়া ৰাইজক এই বিভাগটোৰ পৰা এই দুখীয়া পৰিয়ালক বিপদৰ পৰা মুক্ত কৰাৰ কিছু উদাহৰণ আছে। তাৰ উপৰিও অংগনাবাদী চেন্টাৰ বিলাক আপোনালোকে জানে, যোৱাবাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই লগতে আমাৰ বিভাগীয় মন্ত্রী বিশেষকৈ অংগনাবাদী চেন্টাৰ, স্কুল বিলাকত বিশেষ প্রাধান্য দিছিল। আৰু মই ভাবো সকলোৱে সমষ্টিয়ে সমষ্টিযে এই বিভাগৰ স্কুল আৰু অংগনাবাড়ী চেন্টাৰক প্রাধান্য দিছে। তাৰ উপৰিও আমি আপোনালোকক ক'ব লাগিব যে এই বিভাগত paver block ৰ যোগেদি প্রায় ২৬ শ কিঃ মিঃ কাম সম্পুৰ্ণ হৈছে। অৱশ্যে এতিয়াও গাঁৱত বহু অঞ্চলত সৰু সৰু ৰাস্তাঘাট বিলাক এতিয়াওঁ সম্পূৰ্ণ কৰিবলৈ বহুত বাকী আছে। আমি এই আঁচনি বিলাকৰ জৰিয়তে আমি এই বিলাক কৰাৰ কাৰণে সিদ্ধান্ত লৈছো। পি এম জি এচ ৰাইৰ ঘৰ সকলোৱে জানে। এটা সময়ত কংগ্রেছৰ দিনত ইন্দিৰা আৱাস যোজনা বুলি স্বীকৃতি পাইছিল। কিন্তু আমৰ চৰকাৰখন ক্ষমতালৈ আহিল, ব্যক্তিগত নাম প্রত্যাহাৰ কৰি প্রধান মন্ত্রীৰ

আৱাস যোজনা গ্ৰাম্য হিচাপে ঘৰ দিবলৈ সক্ষম হৈছিল।` তাতোকৈ শুনি ভাল পাব অসমত এইবাৰ ২২ মাহত ৫ লাখ ঘৰ সম্পূৰ্ণ কৰিছে এইটো এটা ঐতিহাসিক সিদ্ধান্ত হৈছে। আজি আমাৰ ৰঞ্জিৎ দাস ডাঙৰীয়াই মুখ্যমন্ত্ৰী মহোদয়ক অভিনন্দন জ্ঞাপন কৰিছে আৰু ফেচবুকত তেখেতে এইটো কথাওঁ লিখিছে, আৰু আমি বিচাৰিছো যে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ ২০১১ ত যিখিনি নাম waiting list ত বাকী আছে সেইখিনিও সম্পূৰ্ণ হোৱাৰ দিশে গৈ আছে। আমাৰ উপৰোক্ত বিধায়কসকলে গ্ৰামোন্নয়ন বিভাগত কি কি অসুবিধা আছে, কথাখিনি বিতংভাৱে জনাইছে। মই সেই কথাবিলাক দুবাৰ ক'ব বিছৰা নাই। আমি অকনমান গুণগানেই গাব বিচাৰিছো। আজি বিৰোধীয়ে এই প্ৰস্তাৱ কৰ্তনৰ কথা কয়, আকৌ বিৰোধীয়ে কয় আমাৰ গাঁৱত সমস্যাৰ অভাৱ আছে। সিদ্ধান্ত ল'ব লাগে যে আপোনালোকে কৰ্তন প্ৰস্তাৱ কৰি কি বাৰ্তা দিব বিচাৰিছে। মই ভাবো যে কৰ্তন প্ৰস্তাৱ ইয়াত কেতিয়াও নাখাটে। বৰঞ্চ ১৭ হাজাৰ কোটি কিয়, ২৫ হাজাৰ, ৫০ হাজাৰ কোটি টকা দিলেও ইয়াত এই আমাৰ সমস্যা বিলাক আমি সমাধান কৰিব নোৱাৰো। আজি এই সদনত আমি আমাৰ বিভাগীয় মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। যোৱা বাৰ যেতিয়া আমাৰ বন্ধন বেংকৰ পইচা ঘূৰাই দিব লগা হৈছিল সমগ্ৰ অঞ্চল বিলাকত, সমষ্টি বিলাকত বিধায়ক সকলৰ যোগেদি বা ইয়াত পজিশ্যন আৰু অপজিশ্যন দুইটা দলৰ বিধায়কৰ যোগেদি আমি গাঁওসভা পাতি একেবাৰে ট্ৰান্সফাৰেঞ্চি কৰি টকা ঘূৰাই দিয়াৰো সিদ্ধান্ত লৈছিলো লগতে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ঘৰ প্ৰথমবাৰৰ কাৰণে মুক্তকৈ ৰাইজৰ মাজত বিতৰণ কৰাৰ সিদ্ধান্ত এইখন চৰকাৰৰ দিনতে প্ৰতিফলিত হৈছিল। তাৰো ইতিহাস বিলাক এই যোৱা দুবছৰত আপোনালোকে চালে নিশ্চয় গম পাব। এতিয়া শুনি ভাল পাব যে গ্ৰামোন্নয়ন বিভাগত সদায় প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ঘৰ লৈ বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ কথা কয়। মই ঘৰটো নাপালো, মোৰ ঘৰটো কাটি দিলে। এই সকলোবোৰ চিন্তা-চৰ্চা কৰি এইবাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যেনেকৈ প্ৰধানমন্ত্ৰী গ্ৰাম্য উন্নয়ন আঁচনিৰ PMGSY ৰ ঘৰৰ এটা আঁচনি আছে ঠিক তেনেকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়ায়ো এটা আঁচনি কৰিবলৈ এইবাৰ এই পবিত্ৰ সদনত এই বিধান সভাত যোৱা এই বাজেটত সিদ্ধান্ত লৈছে। ইয়াৰ যোগেদি ভৱিষ্যতে আমাৰ দুখীয়া পৰিয়ালবিলাকক যিসকলে ৱেটিং লিষ্টত থকা বুলি কৈ আছে, যি সকলৰ নাম কৰ্তন কৰা বুলি কৈ আছে, সাধাৰণতে পি এম ওৱাইৰ ঘৰ বিলাকৰ ক্ষেত্ৰত কি হয় নামতো অগা-পিছা কৰিব নোৱাৰে, এচ পাৰ চাৰ্ভে মতে যাব। না ইয়াত মুখ্যমন্ত্ৰীয়ে পাৰে, না ইয়াত বিধায়কজনে পাৰে বা বিভাগীয় কৰ্তপক্ষই পাৰে। এই কাৰণেই যিবিলাক এনেকুৱা ঠাই ৰৈ গৈছিল, এনেকুৱা ঘৰ ৰৈ গৈছে, এনেকুৱা মানুহ ৰৈ গৈছিল, এনেকুৱা মানুহ প্ৰকৃত হিতাধিকাৰী পাবলৈ আছে এই মুখ্যমন্ত্ৰীৰ আঁচনিখনৰ যোগেদি প্ৰায় ১ লাখ মানুহক দিয়াৰ সিদ্ধান্ত হাতত লৈছে। মই ভাবো যে এনেকুৱা ধৰণৰ সিদ্ধান্তই অনাগত দিনত অসমখনক আগুৱাই নিয়াত সফলতা লাভ কৰিব। আপোনালোকে কনকলতা মহিলা আঁচনিৰ কথা জানে। যোৱা বছৰ প্ৰায় ২০১৮ ৰ পৰা অসম গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ২০১৮ চনৰ পৰা এই আঁচনি ৰূপায়ণ হৈছে। প্ৰায় ১ লাখ মহিলা আত্ম সহায়ক গোটক এই আঁচনিত সংলগ্ন কৰা হৈছে আৰু এইবাৰো এই পবিত্ৰ বিধান সভাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নতুন দুটা আঁচনি এই গ্ৰামোন্নয়ণ বিভাগৰ যোগেদি চিন্তা-চৰ্চ্চা কৰিছে। মহিলা সকলক পোনপটীয়াকৈ এটা এচ এচ জি গোটত, প্ৰত্যেক গৰকী মহিলাক ১০ হাজাৰ, ১০ হাজাৰ টকা দিয়াৰো সিদ্ধান্ত লৈছে। উদাহৰণ হিচাপে এইবাৰ ১০০০, ১০০০ টকা বেংক একাউণ্ট কৰাৰ আৰু লগতে কি আঁচনি কৰিব তাৰ কাৰণে প্ৰথম পৰ্য্যায়তে সিদ্ধান্ত লৈছে। মই ভাবো যে এইবিলাক ঐতিহাসিক সিদ্ধান্তই আমাৰ অসমখনক পাঁচখন

ৰাজ্যৰ ভিতৰত আগুৱাই নিয়াৰ ক্ষেত্ৰত যি সপোন সেই সপোন বাস্তৱত ৰূপায়ণ হ'ব আৰু এটা কথা আজি আপোনালোকক ইয়াত ক'ব লাগিব। সকলো বিধায়ক ইয়াত উপস্থিত নাই যদিও অমৃত সৰোবৰ আঁচনি, অমৃত কালত অমৃত সৰোবৰ আঁচনি। আমাক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই জনাইছিল যে এই অমৃত সৰোবৰৰ আচল উদ্দেশ্য কি? আমাৰ অসম বানপানীত প্লাবিত হৈ থাকে। এই অমৃত সৰোবৰৰ যোগেদি পানী ষ্টৰেজ কৰি ৰখাৰ সিদ্ধান্ত লৈছে। মই ভাবো যে প্ৰত্যেকখন জিলাত এই যি অমৃত সৰোবৰৰ ব্যৱস্থা কৰিছে, প্ৰায় ৭৫ টা কৈ অমৃত সৰোবৰৰ খনন কাৰ্য্য ইতিমধ্যে চলি আছে আৰু বহুত ঠাইত খনন কাৰ্য্য সম্পূৰ্ণ হৈছে। বিভিন্ন সময়ত ফেচ বুকৰ জৰিয়তে হওক বা প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে হওক আমি এইবিলাক আঁচনি দেখিবলৈ পাইছো। আমি গ্ৰামোন্নয়ণ বিভাগটোক কিয় আগুৱাই লৈ যাব লাগে। কাৰণ আমাৰ মাননীয় প্ৰধান মন্ত্ৰীৰ সপোন আৰু মহাত্মা গান্ধীৰ সপোন আছিল গ্ৰাম চড়ক যোজনা । মই ভাবো এই আঁচনি বিলাক বাস্তৱত ৰূপায়ণ কৰিবলৈ হ'লে আমি আগুৱাই যাব লাগিব আৰু সমভাৱে আমাক ধনৰো ব্যৱস্থা লাগিব। মোৰ সমষ্টিলৈ আজি মই গৈছো। মই বিধায়ক হোৱাৰ আজি প্ৰায় দুই বছৰ সম্পূৰ্ণ হ'ব। আমি কেতিয়াও ভবা নাছিলো যে বিধায়ক হৈ আমি গ্ৰামোন্নয়ন বিভাগৰ ইনফ্ৰাষ্ট্ৰাকচাৰৰ কাম কৰিব পাৰিম। যোৱা বিধান সভাত প্ৰথম যেতিয়া বিধায়ক হৈছিলো তেতিয়া বহুত কথা উত্থাপন কৰিছিলো আৰু তেতিয়া আমাৰ বিভাগীয় মন্ত্ৰীয়ে হওক বা মুখ্যমন্ত্ৰীয়ে হওক বহুতখিনি ক্লিয়াৰেঞ্চ দিছিল। আজি মোৰ সমষ্টিত গ্ৰামোন্নয়ন বিভাগৰ যোগেদি পুঠিমাৰী হাইস্কুলত প্ৰায় ৫০ লাখ টকাৰে এম জি এনৰেগাৰ মেটেৰিয়েলৰ যোগেদি মই ষ্টেডিয়ামৰ ফাৰ্ষ্ট ফেজৰ কাম কৰি আছো। কেতিয়াবা মন্ত্ৰী মহোদয়ক মই আমন্ত্ৰণ কৰিম। দ্বিতীয়তে মোৰ তাত পুৰণা থান এখন আছে। কৰ'ৰা মৌজা সকলোৰে জানে। ননৰা বকুলতল বুলি। তাত ডাঙৰ মনসা পূজা হয়। তাত ৩২ লাখ টকাৰে আমি এটা কমিউনিটি হল সম্পূৰ্ণ কৰি ৰাইজৰ আগলৈ উৰ্চ্চগা কৰি দিছো। তাৰ উপৰিও আপোনালোকক আমি জনাঁও যে আমাৰ সমষ্টি বিলাকত ডাঙৰ অডিটৰিয়ামৰ অভাৱ আছে। এইবাৰ আমি কমলপুৰ সমষ্টিৰ শিঙৰাপাৰা পঞ্চায়তত দীৰ্ঘদিনীয়া স্বাধীনতাৰ পাছত এটা আধৰুৱা অডিটৰিয়াম আমি গ্ৰাম্য উন্নয়নৰ যোগেদি কৰিছো আৰু শুনি ভাল পাব যে আমি গোটেই পঞ্চায়তৰ যিটো ইণ্টাৰেষ্ট ফাণ্ড আছে সেইটোক একগোট কৰি লৈছো আৰু একগোট কৰি লৈ একেঠাইতে আমি এটা অডিটৰিয়ামৰ পূৰ্ণ ৰূপ দিবলৈ সক্ষম হৈছো। সেইটো ও আমাৰ প্ৰায় ৩০ লাখ টকাৰে সম্পূৰ্ণ কৰিছো। এইবিলাকে কি কয়। অসমখন উন্নয়ণ কৰাৰ এখোজ আগবঢ়াৰ প্ৰচেষ্টা। ইয়াৰ উপৰিও আমাৰ সমষ্টিত আপোনালোকে জানে কামৰূপ কামাখ্যাৰ লগত সংলগ্ন হৈ আছে। যিটো সময়ত নৰকাসুৰে খটখটি বনাইছিল সেই সময়ত আমাৰ অঞ্চলত কোদালধোৱা এটা পুখুৰী আছিল। য'ত বনুৱা সকলে কাম কৰি কোদাল ধুইছিল। বহুত দিনৰ পৰা সেই পুখুৰীটো আধৰুৱা হৈ আছিল আৰু আৰ্টিফিচিয়েল পুখুৰী হৈ আছিল। এইবাৰ আমি সিদ্ধান্ত গ্ৰহণ কৰিলো যে গোটেই পুখুৰীৰ পাৰতো আটক ধুনীয়াকৈ সজাই-পৰাই তাত মৎস্য ৰোপণ কৰিম আৰু লগতে তাত এটা সৌন্দৰ্য্য গঢ়ি তোলাৰ কাৰণে চেষ্টা কৰিম। কেতিয়াবা আপোনালোকে গ'লে দেখিব যে তাত আমাৰ কাম চলি আছে আৰু প্ৰায় ১৫ লাখ টকাৰে প্ৰথম পৰ্য্যায়ৰ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছো। মই এই উদাহৰণ কেইটা এইকাৰণেই দিছো যে এই মঞ্চৰ জৰিয়তে যাতে প্ৰত্যেকজন বিধায়কে নিজৰ সমষ্টিক উন্নয়নৰ নতুন দিশ দিবলৈ চেষ্টা কৰিব। আজি আপোনালোকে শুনি ভাল পাব যে মোৰ সমষ্টিত প্ৰায় ২০ টা অংগনবাড়ীৰ ঘৰ নতুনকৈ মেৰামতি কৰি সজাই-পৰাই তুলিবলৈ সক্ষম হৈছো। মই মাননীয় বিভাগীয় মন্ত্ৰীক নিশ্চয় আমাৰ এই উন্নয়নৰ কাম চাবলৈ নিমন্ত্ৰণ কৰিম।

উদ্দেশ্য এইটোৰে যে অসমখন আগুৱাই যোৱাৰ ক্ষেত্ৰত গ্ৰাম্য উন্নয়ণ বিভাগৰ এটা বিশেষ ভূমিকা আছে। এই ভূমিকাক আমি সদায় সমৰ্থন কৰো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি যেতিয়াই যি ব্যৱস্থা বিচাৰো তাত কোনো দিন তেখেতে না কৰা নাই। তেনে স্থলত এই কৰ্তন প্ৰস্তাৱক আমি কিয় বিৰোধিতা কৰিম। এই কাটমোশ্যনৰ সপক্ষে ক'ম আৰু মই এই কাটমোশ্যনৰ সপক্ষে কৈ যি ১৮ হাজাৰ কোটি টকা দিছে সেইটোৰেই পৰ্য্যাপ্ত নহয়। আমাৰ আৰু বহুত কৰিব লগীয়া আছে। আমি ভাবো এইখন এখন চৰকাৰ য'ত দুখীয়া মানুহক সহায় কৰাৰ সুবিধা কৰিছে। এইখন চৰকাৰে আমাৰ মহিলা সকলক অগ্ৰাধিকাৰ দিছে। এইখন এখন চৰকাৰ য'ত যুৱ প্ৰজন্মক অগ্ৰাধিকাৰ দিছে। সেই কাৰণে এই কাটমোশ্যনৰ বিৰোধীয়ে যি বিৰোধ কৰিব বিচাৰিছে তাৰ মই বিৰোধিতা কৰিব বিচাৰিছো। ভৱিষ্যতে এই কাটমোশ্যনত এই আঁচনিক যাতে আৰু বেছি আগবঢ়াই লৈ যাব পাৰো তাৰ কাৰণে মই মোৰ এই বক্তব্য এই পবিত্ৰ সদনত ৰাখিছো। মই আশা কৰিছো অসমখন যি পাঁচখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰাৰ মুখ্যমন্ত্ৰীৰ যি সপোন সেই সপোন যাতে বাস্তৱত ৰূপায়ণ হয় যদিহে গ্ৰাম্য উন্নয়ণ বিভাগে উচিত অনুদান লাভ কৰিবলৈ সক্ষম হয়। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** সদন ইংৰাজী ৩০-০৩-২০২৩ তাৰিখ ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত কৰা হ'ল।